# ৰঙিয়া মহাবিদ্যালয় আলোচনী

50



সম্পাদক ঃ শ্ৰীদুদুল ডেকা

Integent Quota. K Gratchip. Notice of Business.



কৰ্ম ব্যস্ততাত ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত ভবেন্দ্ৰ নাথ ডেকা।



**অধ্যাপক শ্ৰীনৰেন্দ্ৰ কলিতা**

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ কোষাধ্যক্ষ।

# সূচীপত্ৰ


সম্পাদকীয় ঃ

প্ৰবন্ধ ঃ

| | | |
|---|---|---|
| অভিনৱগুপ্ত আদিৰ দৃষ্টিত ভৰতৰ ৰসসূত্ৰ | শ্ৰীদক্ষেশ্বৰ ডেকা | ১ |
| ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ | মঃ হেকিমুদ্দিন আহমেদ | ৪ |
| জনসংখ্যা বৃদ্ধিৰ বিপৰীতে সজাগতা সৃষ্টি ঃ নেতৃস্থানীয় ব্যক্তিৰ ভুমিকা | শ্ৰীবীৰেন্দ্ৰ নাথ শৰ্মা | ৯ |
| উশৃংখল যুৱ মানসিকতা আৰু সমাজৰ ভৱিষ্যত | শ্ৰীজগদীশ কলিতা | ১২ |
| এইড্ছ ইয়াৰ কাৰণ আৰু প্ৰতিকাৰ | শ্ৰীজয়ন্ত কুমাৰ কলিতা | ১৪ |
| নলিনীবালা দেৱীৰ কাব্য প্ৰতিভা | শ্ৰীজেউতী দেৱী | ১৮ |

কবিতা ঃ

| | | |
|---|---|---|
| বেদনা | শ্ৰীদীপিকা ভাগৱতী | ২৬ |
| জ্বলি থকা শব্দবোৰ | শ্ৰীমোহন নমঃশূদ্ৰ | ২৬ |
| মোৰ মুক্তিৰ প্ৰশ্নত (৺লিপিকা কলিতাৰ স্মৃতিত) | শ্ৰীকবীন্দ্ৰ নাথ ডেকা | ২৭ |
| সূৰ্য, তুমি ক'ত? | শ্ৰীবঙ্কিম কলিতা | ২৭ |
| হেৰোৱা বাঁহীৰ সুৰ | শ্ৰীদিলীপ কলিতা | ২৮ |
| আঘোণ | মঃ আনোৱাৰ হুছেইন | ২৮ |
| মই কোন? | শ্ৰীনাৰায়ণ কলিতা | ২৮ |
| বাসনা | শ্ৰীবাবুল দত্ত | ২৯ |
| দুহিত্ৰী বেদনা | শ্ৰীমামনি কলিতা | ২৯ |
| অধা আঁকা ছবি | শ্ৰীদ্বীপজ্যোতি কলিতা | ৩০ |
| মৃত্যুৰ শীতল কোলাত | মঃ আজাহাৰুল ইছলাম | ৩০ |
| শেষ শায়েৰী | মঃ আবুবক্কৰ্ আলী | ৩১ |
| জানো আহক | শ্ৰীপ্ৰণৱ কুমাৰ শৰ্মা | ৩২ |
| কুইজ | শ্ৰীদ্বীপজ্যোতি কলিতা<br>শ্ৰীনৃপেন ডেকা | ৩৩ |

গল্প ঃ

| | | |
|---|---|---|
| উপলব্ধি | চৈয়দ নুৰুল ইছলাম আহমেদ | ৩৪ |
| অসময়ত বাতৰি | শ্ৰীহেমন্ত কলিতা | ৩৭ |
| এটি মৃত্যুৰ আহ্বান | মিছ ৰঞ্জনা ডেকা | ৪০ |
| অপাৰেশ্বন ড্ৰাগছ | শ্ৰীহেমন্ত কলিতা | ৪২ |

- ইন ক্লাব জিন্দাবাদ — শ্ৰীমুকুট বৈশ্য — ৪৬
- হত্যা নে দংশন — মঃ ৰাজীৱ দেৱান — ৪৯


উপন্যাস ঃ


- মৃত্যুক সাৱতি সমাধি তলিত — শ্ৰীতপন শইকীয়া — ৫৩
- প্ৰতিবেদন


**ENGLISH SECTION :**


- Concept of Basic Education — Hari Sarma — 1
- How Solar Energy is callected and used ? — Mitali Das — 3
- Cultivation : Indian Economy and and Analysis — Md. Momin Sultan Ali — 5
- Bamboo— The versatile plant — Dr. Snigdha Sarkar — 8
- Impact of British Imperialism on the Indian Agriculture : A Brief Study — Dr. Gautam Kumar Sarkar — 10


**POETRY :**


- A Lovely Flower — Bimal Kr. Das — 13
- Count your life by knowledge — Sri Nerkhang Kr Goyary — 14
- A Missing Person — Sri Keshorjyoti Nath — 15
- Fie Fie — Sri Bipin Ch. Das — 16




## সম্পাদকীয়

সময় বৰ নিষ্ঠুৰ। নিষ্ঠুৰ সময়ে কালেকো ভ্ৰূক্ষেপ নকৰি অবিৰাম ভাৱে গতি কৰি আছে। নিষ্ঠুৰ সময়ৰ কোপদৃষ্টিত পৰা জনে হয়তো সময়ৰ লগত খোজ মিলাব নোৱাৰি ভাগৰি পৰিছে। সময় মহা মূল্যবান। এনেকুৱা মহা মূল্যবান সময়ৰ সৈতে খোজ মিলাবলৈ আমি অহোপুৰুষাৰ্থ চেষ্টা, ত্যাগ স্বীকাৰ কৰিব লাগিব। সময় জ্ঞান বুজিব লাগিব। অবাবত সময় নষ্ট নকৰি শিক্ষা আহৰণত ব্ৰতী হ'ব লাগিব। শিক্ষা! শিক্ষা শব্দটো মনলৈ অহাৰ লগে লগে মনত অলেখ প্ৰশ্নই জুমুৰি দি ধৰিছে।

শিক্ষা কি? আমাক কেনেকুৱা শিক্ষাৰ প্ৰয়োজন?

শিক্ষা হৈছে মানুহৰ জ্ঞানচক্ষু। কিন্তু শিক্ষা নোহোৱা জনবো অলেখ জ্ঞান থাকিব পাৰে। সেইবাবে কোৱা হয় শিক্ষা আৰু জ্ঞান মানুহৰ সম্পূৰ্ণ সুকীয়া ধাৰা। বহুত ডিগ্ৰীধাৰী মানুহ আছে, যিবিলাকক জ্ঞানশূন্য দেখা যায়। যাৰ ফলত সমাজখন কলুষিত হ'বলৈ ধৰিছে। সময়ৰ লগত খোজ মিলাব নোৱাৰি আমাৰ অসমীয়া সমাজখন জহি-খহি যাবলৈ ধৰিছে। গতিকে আমাক এনেকুৱা শিক্ষা লাগে, য'ত শিক্ষাৰ পৰিণতি হয় মানুহ গঢ়াৰ সপোন। আমাক এনেকুৱা শিক্ষা লাগে, য'ত মানুহৰ জ্ঞান ভাণ্ডাৰ অমৃতময় হয়। এনেকুৱা অমৃতময় বাণীৰ পৰা অমৃত পান কৰি সমাজখনক নিকা কৰিব পৰা যায়। সমাজৰ প্ৰত্যেকজন মানুহেই হৈ উঠে একো-একোজন সুস্থ মস্তিষ্কৰ নাগৰিক। কিন্তু বৰ্তমান সমাজখনত এনেকুৱা শিক্ষা কাক দিম? নিশ্চয় পাঁচ বছৰীয়া শিশুৰ পৰা যুৱক সম্প্ৰদায়লৈ। যুৱক সম্প্ৰদায়? এটা বিৰাট প্ৰশ্ন।

বৰ্তমান যুৱ সম্প্ৰদায় কোন দিশে ধাৱমান? বৰ্তমান যুৱ মানসিকতাই যি স্খলিত ৰূপ ধাৰণ কৰিছে, সেইলৈ সচেতন নাগৰিক মাত্ৰে চিন্তিত হৈ উঠিছে। বৰ্তমান পোন্ধৰ লাখৰো অধিক শিক্ষিত যুৱকে সংস্থান বিচাৰি হাবাথুৰি খাইছে। উপায়বিহীন হৈ এক যুৱক চামে হাতত অস্ত্ৰ তুলি ল'বলৈ কুণ্ঠাবোধ কৰা নাই। ফলত সৃষ্টি হৈছে সন্ত্ৰাসৰ। শুভবুদ্ধি সম্পন্ন কোনো ব্যক্তিৰে যিটো কাম্য নহয়। আনহাতে এক যুৱচামে বাটে-ঘাটে মাৰপিট কৰা, ছোৱালীক অশালীন ব্যৱহাৰ কৰা ইত্যাদি কামত লিপ্ত হৈ সমাজখনত বিশৃঙ্খলাৰ সৃষ্টি কৰিছে। গতিকে এইবোৰৰ সমাধানৰ উপায়? স্বাৰ্থপৰ ৰাজনৈতিক মহলে আজিকোপতি এইবোৰক লৈ চিন্তান্বিত নহয়। আনকি ৰাজনৈতিক মুনাফা আদায়, ৰাজনৈতিক স্বাৰ্থসিদ্ধিৰ বাবেহে যুৱক চামক ব্যৱহাৰ কৰিছে। এটা চৰম সত্য যে প্ৰত্যেক মানুহেই স্বাৰ্থপৰ। আইনত এযাৰ কথা আছে— "Man is a selfish is a true, Man is a social is a fundamental one."

এই বিশাল পৃথিৱীত মানুহে মানুহ হিচাপে জীয়াই থাকিবলৈ, মানুহৰ প্ৰকৃত

সমাজ এখন গঢ়িবলৈ মোৰ বোধেৰে তিনিটা কথাত অতি গুৰুত্ব দিয়া প্ৰয়োজন। সেয়া হ'ল— নৈতিকতা, সৌন্দৰ্য্যবোধ আৰু আত্মাসমালোচনা।

**নৈতিকতা ঃ** নৈতিকতাৰ স্খলন, মানৱতাৰ পতন দেখিও আমিবোৰ নিমাত। এখন সুস্থ সমাজ গঢ়িবলৈ আমাৰ নৈতিক দায়িত্ববোধ থাকিব লাগে। যিখন সমাজত শিক্ষিত নিবনুৱা যুৱকক চাকৰিৰ প্ৰলোভন দি পঞ্চাশ-ষাঠী হাজাৰ টকা ল'ব পাৰে, যিখন কলেজৰ অধ্যক্ষই স্বজন-প্ৰীতিৰ মনোভাৱেৰে নিযুক্তি প্ৰক্ৰিয়াত ব্যাঘাত জন্মাব পাৰে, ছাত্ৰ-ছাত্ৰীক নকল যাচিব পাৰে, পুত্ৰসম ছাত্ৰক মদ্যপান কৰিবলৈ উদগনি দিব পাৰে, সেইখন সমাজত নৈতিকতা শব্দটো প্ৰহসন হৈ পৰিছে। অকল অধ্যক্ষই নহয়, যাৰ হাতত ক্ষমতা আছে, সিয়ে ক্ষমতাৰ অপব্যৱহাৰ কৰিছে। নৈতিক জ্ঞান থকা কোনো ব্যক্তিয়েই এখন সমাজক ধ্বংসৰ গৰাহলৈ ঠেলি দিব নোৱাৰে।

**সৌন্দৰ্য্যবোধ ঃ** পৃথিৱীত এনেকুৱা এজন মানুহ নাই যিয়ে নেকি সৌন্দৰ্য্যৰ ওচৰত নতি স্বীকাৰ কৰা নাই। সৌন্দৰ্য্যৰ প্ৰতিফলন হয়—প্ৰেম, ভাতৃত্ব, বন্ধুত্ব। প্ৰেম, ভাতৃত্ব, পৰস্পৰে পৰস্পৰক ভালপোৱা, মানুহৰ জন্মগত প্ৰবৃত্তি। এখন সৰ্বাঙ্গসুন্দৰ সমাজ গঢ়িবলৈ হ'লে প্ৰত্যেকৰে মাজত সহৃদয় মনোভাৱ গঢ়ি উঠিব লাগিব। কাৰোবাৰ সৌন্দৰ্য্যৰ কাৰণে যেনেকৈ কোনোবাই বলিয়ালি কৰিছে, ঠিক তেনেকৈ সৌন্দৰ্য্যৰ কাৰণে অমৰ সৃষ্টিও হৈছে। সৌন্দৰ্য্যবোধে মানুহৰ মনত সুস্থ পৰিৱেশৰ বাতাবৰণ আনি দিব পাৰে। ফলত বিশৃঙ্খলতাৰ পৰা মুক্ত সমাজখন এখোপ আগুৱাই যাব পাৰে।

**আত্ম-সমালোচনা ঃ** আত্ম-সমালোচনাই এজন মানুহক জ্ঞানী, সৰ্বাঙ্গসুন্দৰ কৰি তুলিব পাৰে। যিয়ে নিজৰ সত্বাটোক জুকিয়াই চাই আত্ম-সমালোচনা কৰিব নোৱাৰে বা নাজানে, তেনে লোকৰ আনক কটু সমালোচনা কৰাৰ অধিকাৰ ক'ত? আজিৰ বাস্তৱ পৃথিৱীখনত দেখা যায় যে নিজৰ শুদ্ধতা বিচাৰ নকৰাকৈয়ে আনক সমালোচনা কৰে। ফলত সমাজখন কলুষিত, প্ৰদূষিত হ'বলৈ ধৰিছে। এইবোৰৰ পৰা পৰিত্ৰাণৰ উপায় পাবলৈ হ'লে—আমাৰ আত্ম-সমালোচনা প্ৰয়োজন।

**কিনো পালো কিনো দিলো—**

পালো কিছুমান তিক্ত অভিজ্ঞতা। অথচ দায়িত্বজ্ঞানৰ কথা ভাবি আৰম্ভণীৰ পৰাই সংকল্প লৈছিলো যে যথাসময়ত আলোচনীখন প্ৰকাশ কৰিম। কিন্তু উপযুক্ত লিখনিৰ অভাৱ (বিশেষকৈ আমাৰ মহাবিদ্যালয়ত কবিতাৰ সংখ্যাই সৰহ) সময়ত বিষয়ববীয়া সকলৰ প্ৰতিবেদন নোপোৱা ইত্যাদি একুৰি এটা সমস্যা। বিশেষকৈ মহাবিদ্যালয়ৰ নিয়মীয়া বাজেট (তেইশ হাজাৰ) অনুপাতে ছপাশালত পোৱা বিশেষ অৰ্থাভাৱৰ বাবেও সময়ত হৈ নুঠিল। মহাবিদ্যালয়খনৰ আত্মিক প্ৰতিফলন হিচাপে এই আলোচনীখন প্ৰকাশত কিমানদূৰ সফল (কৃতকাৰ্য্য) হ'ব পাৰিছো সেইটো পাঠকৰ বিচাৰ্য্যৰ বিষয়। কিন্তু চেষ্টাৰ কাৰ্পণ্য কাহানিও কৰা নাই।

এইখিনিতে আলোচনীখন প্ৰকাশৰ বাবে যিসকল অধ্যাপক/অধ্যাপিকাই আৰু বিভিন্ন ছাত্ৰ-ছাত্ৰীয়ে তেখেতসকলৰ বহুমূলীয়া লিখনিৰে সহায় কৰিলে তেখেতসকললৈ আৰু যিসকল জাতীয়তাবাদী ভাৱধাৰাৰে উদ্বুদ্ধ বন্ধু-বান্ধৱীয়ে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ পতাকাৰ তলৰ পৰা নিৰ্বাচিত কৰি মোক এই মহাবিদ্যালয়ৰ সেৱা কৰাৰ সুযোগকণ দিলে তেখেত সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ।

শ্ৰীদুদুল ডেকা
সম্পাদক

ৰঙিয়া মহাবিদ্যালয় আলোচনী

# অসমীয়া বিভাগ

২৪তম সংখ্যা ১৯৯৬-৯৭

*সম্পাদক*

**শ্ৰীদুদুল ডেকা**

# প্রবন্ধ

# অভিনৱগুপ্ত আদিৰ দৃষ্টিত ভৰতৰ ৰসসূত্ৰ

**শ্ৰীদক্ষেশ্বৰ ডেকা**
প্ৰবক্তা, সংস্কৃত বিভাগ

নাট্যশাস্ত্ৰ প্ৰণেতা ভৰত মুনিয়ে পোন-প্ৰথমে ৰসতত্ত্ব উপস্থাপন কৰে। ভৰতৰ মতে ৰসৰ অবিহনে বাক্যৰ কোনো অৰ্থৰে প্ৰৱৰ্ত্তন নহয়। 'ন হি ৰসাদৃতে কশ্চিদৰ্থঃ প্ৰৱৰ্ত্ততে।' ৰসতত্ত্ব সম্পৰ্কীয় ভৰতৰ সুপ্ৰসিদ্ধ সূত্ৰটো হ'ল— 'বিভাৱানুভাৱ ব্যভিচাৰি সংযোগাদ্ ৰসনিষ্পত্তিঃ।' বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰ ভাৱৰ সংযোগত ৰসনিষ্পত্তি হয়। বিভাৱাদিৰ সাহচৰ্যত সাধাৰণীকৃত স্থায়ী ভাৱটোৱে ৰস। ভৰতৰ ৰসসূত্ৰত থকা 'সংযোগ' আৰু 'নিষ্পত্তি' শব্দৰ অৰ্থক কেন্দ্ৰ কৰি ৰসতত্ত্ব সম্পৰ্কে বহু সংখ্যক মতবাদ গঢ় লৈ উঠিছে। কাব্য প্ৰকাশৰ প্ৰণেতা মম্মট ভট্টৰ ৰসকাৰিকাৰ বৃত্তিত চাৰিটা মতবাদ উল্লেখ কৰা হৈছে। এই চাৰিটা হ'ল— লোল্লটৰ উৎপত্তিবাদ, শঙ্কুকৰ অনুমিতিবাদ, ভট্টনায়কৰ ভুক্তিবাদ আৰু অভিনৱগুপ্তৰ অভিব্যক্তিবাদ। ইয়াৰ ভিতৰত অভিনৱগুপ্তৰ 'অভিব্যক্তিবাদ' মম্মট ভট্ট, বিশ্বনাথ আদি আলংকাৰিকৰ সমৰ্থিত আৰু সমাদ্ৰিত আছিল।

অভিনৱগুপ্ত আদিৰ মতবাদ পৰ্য্যালোচনা কৰাৰ আগে আগে স্থায়ীভাৱ, বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰভাৱ সম্পৰ্কে চমু আলচ কৰা ভাল হ'ব।

**স্থায়ী ভাৱ**— কাব্য, নাট্য আদিৰ ৰসগ্ৰাহীজনক সহৃদয় বোলে। সহৃদয়ৰ চিত্তত সুপ্ত আৰু সূক্ষ্মভাৱে থকা চিত্ৰবৃত্তিক স্থায়ীভাৱ কোৱা হয়। স্থায়ী ভাৱসমূহ লৌকিক বা আন কাৰণত উদ্বুদ্ধ হৈ উঠে। ভৰতে আঠোটা স্থায়ী ভাৱ স্বীকাৰ কৰিছে—ৰতি, হাস, শোক, ক্ৰোধ, উৎসাহ, ভয়, জুগুপ্সা (ঘৃণা) আৰু বিস্ময়। পৰৱৰ্ত্তী আলংকাৰিক আনন্দবৰ্ধন, অভিনৱগুপ্ত আদিয়ে শম বা নিৰ্বেদকো স্থায়ীভাৱত ধৰিছে। ৰতি আদি স্থায়ীভাৱৰ পৰাই শৃঙ্গাৰ, হাস্যাদি ৰসৰ উদ্ৰেক হয়।

**বিভাৱ**—যি পৰিস্থিতিৰ ফলত স্থায়ীভাৱ এটা উদ্ৰিক্ত, জাগ্ৰত বা বিভাৱিত হৈ পৰে তাকে বিভাৱ বোলে। 'ৰত্যাদ্যুদ্বোধকা লোকে বিভাৱাঃ কাব্যনাট্যয়োঃ।' কাব্য আৰু নাট্যত ৰতি আদি স্থায়ীভাৱৰ উদ্বোধককে বিভাৱ কয়। বিভাৱ দুবিধ—আলম্বন আৰু উদ্দীপন। যি ব্যক্তি বা বিষয়ক আলম্বন বা আশ্ৰয় কৰি ৰত্যাদি স্থায়ীভাৱ উদ্বুদ্ধ হৈ অনুভূত হয় তাকে আলম্বন বিভাৱ কয়। যি পৰিৱেশ বা অৱস্থাই স্থায়ীভাৱ উদ্দীপিত কৰে তাক উদ্দীপন বিভাৱ কয়।

**অনুভাৱ**— যি শাৰীৰিক চেষ্টা, বচন আদিৰ দ্বাৰা স্থায়ীভাৱ উদ্ৰিক্ত হয় তাক অনুভাৱ কয়। কটাক্ষ, ভুজাক্ষেপ আদি ক্ৰমে শৃঙ্গাৰ, ৰৌদ্ৰ ৰসৰ অনুভাৱ। অভিনয়ে অনুভাৱ।

**ব্যভিচাৰিভাৱ**—স্থায়ী ভাৱৰ আনুষঙ্গিকৰূপে নিৰ্বেদ (নৈৰাশ্য), অসূয়া, ব্ৰীড়া (লজ্জা) আদি কিছুমান অস্থায়ী ভাৱ প্ৰকাশ পায়। এইবোৰ ব্যভিচাৰী বা সঞ্চাৰী ভাৱ।

নৱম খ্ৰীষ্টাব্দৰ কাশ্মীৰী আলংকাৰিক ভট্ট লোল্লটৰ মতে ভৰত মুনিৰ সূত্ৰত থকা 'সংযোগ' শব্দৰ

অর্থ 'জন্যজনক' বা উৎপাদ্য-উৎপাদক সম্বন্ধ আৰু 'নিষ্পত্তি' শব্দৰ অর্থ 'উৎপত্তি'। ৰস উৎপাদ্য বা জন্য, বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰী ভাৱসমূহ হ'ল ৰসৰ জনক বা উৎপাদক। লোল্লটৰ মতে স্থায়ীভাৱ বিভাৱাদিৰ দ্বাৰা উৎপত্তি হয়। সেইবাবে তেওঁৰ মতবাদৰ নাম 'উৎপত্তিবাদ'। তেওঁৰ মতে ৰস নায়কজনৰহে। নায়কনিষ্ঠ ৰস অভিনেতাই অুনকৰণ কৰে। অভিনয়ৰ সাদৃশ্যৰ বলত দর্শকে অভিনেতা-অভিনেত্রীক আচল নায়ক বুলি ভাৱে। পোন প্রথমে ভৰতৰ ৰসসূত্রৰ ব্যাখ্যকাৰক হিচাপে ভট্ট লোল্লটৰ অৱদান অনস্বীকার্য্য।

ভট্টলোল্লটৰ পিছৰ যুগত ৰসবাদ প্রতিষ্ঠা কৰে কাশ্মীৰৰ আলংকাৰিক শঙ্কুকে। শঙ্কুকৰ মতে ৰসসূত্রত থকা 'সংযোগ' শব্দৰ অর্থ 'গম্য-গমক' বা 'অনুমাস্য-অনুমাপক' সম্বন্ধ বা ব্যপ্তিসম্বন্ধ। 'নিষ্পত্তি' শব্দৰ অর্থ 'অনুমিতি।' তেওঁৰ মতে বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰি ভাৱৰ সংযোগত ৰসৰ অনুমান হয়। ইয়াত বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰী ভাৱ হ'ল গমক (হেতু) বা অনুমাপক । স্থায়ী ভাৱ হ'ল গম্য বা সাধ্য। এই মতবাদৰ নাম অনুমিতিবাদ। শঙ্কুকৰ মতে ৰস নায়ক-নায়িকানিষ্ঠ। সহৃদয়ে অভিনেতা বা অভিনেত্রীকে নায়ক বা নায়িকা বুলি মনত ধৰি লয়। অভিনেতাক নায়কনিষ্ঠ জ্ঞান অভেদ আৰু অলৌকিক। দার্শনিকসকলৰ মতে লৌকিক জ্ঞান চাৰি ধৰণৰ—(১) সম্যক জ্ঞান, (২) মিথ্যা জ্ঞান, (৩) সংশয় জ্ঞান আৰু (৪) সাদৃশ্য জ্ঞান। শঙ্কুকৰ মতে অভিনেতাক নায়কনিষ্ঠ জ্ঞান চাৰিবিধ লৌকিক জ্ঞান ভিন্ন। ই 'চিত্রতুৰঙ্গমবৎ' (ছবিত অঙ্কিত ঘোৰাৰ দৰে)। লোল্লটৰ মতে অভিনেতা আৰু চৰিত্রৰ অভেদ জ্ঞান এক প্রকাৰৰ মিথ্যা জ্ঞান। শঙ্কুকৰ মতে ই মিথ্যা জ্ঞান নহয়। ই অলৌকিক জ্ঞানহে। এই মতবাদো পৰৱৰ্ত্তী কালত সমালোচিত হৈছে।

ভট্টনায়কৰ মতে ৰসৰ নিষ্পত্তি মানে ৰসৰ আস্বাদন বা ভোগ। সেই হেতুকে এই মতবাদক ভুক্তিবাদ কোৱা হয়। ভট্টনায়কে ভট্টলোল্লট আৰু শঙ্কুকৰ মত খণ্ডন কৰি স্ব-মত স্থাপন কৰে। পূর্বৱৰ্ত্তী লোল্লট আৰু শঙ্কুকৰ মতত দোষ এই কাৰণে আছিল যে তেওঁলোকে নায়কনিষ্ঠ স্থায়ী ভাৱৰ জ্ঞানকে সহৃদয়নিষ্ঠ আনন্দৰ কাৰণ বুলি কৈছিল। তেওঁ আপত্তি তুলিলে যে পৰগত ৰসৰ প্রতীতি কেতিয়াও সহৃদয়ৰ চিত্রত আনন্দ জন্মাব নোৱাৰে। তেওঁ কয় যে যদিহে সহৃদয়ে ৰসক স্বগতভাৱে অনুভৱ কৰিব পাৰে তেতিয়াহে কাব্য না নাটকৰ পৰা আনন্দানুভৱ হ'ব পাৰে। সেই কাৰণে অভিধাৰ উপৰি পোন প্রথমে তেওঁ ভাৱকত্ব আৰু ভোজকত্ব নামৰ দুটা ব্যাপাৰ স্বীকাৰ কৰিছিল। ভট্টনায়কৰ মতে কাব্য নাট্যত অভিধা শক্তিৰ দ্বাৰা প্রথমে শব্দৰাজিৰ প্রাথমিক অর্থবোধ হয়। ভাৱকত্ব ব্যাপাৰে বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰী ভাৱ আদিক সাধাৰণীকৰণ কৰে। এই ব্যাপাৰৰ বলতে দূৰ অতীতৰ চৰিত্র এটাও নিজ ব্যক্তিত্ব বর্জন কৰি দেশ কাল বিনিমুক্ত নায়কৰ আদর্শ প্রতীকৰূপে প্রতিভাত হয়। ভোজকত্ব ব্যাপাৰৰ দ্বাৰা ৰজো গুণ আৰু তমোগুণৰ গুণী ভাৱৰ ফলত সহৃদয়ৰ চিত্রত সত্ত্ব গুণ উদ্রিক্ত হয়। তেতিয়া সত্ত্বগুণ প্রধান অন্তৰৰ দ্বাৰা সাধাৰণীকৃত ৰতি আদি স্থায়ীভাৱৰ অনুভূতিৰ ফলত যি অনাবিল আনন্দৰ অনুভূতি (উপলব্ধি) হয় সেয়ে ৰস। সাধাৰণীকৰণৰ ধাৰণাৰ কথা ভট্টনায়কে পোন প্রথমে কয়।

ভট্টনায়কৰ পিছত ৰসবাদ উপস্থাপন কৰা বিখ্যাত আলংকাৰিকজন হ'ল অভিনৱগুপ্ত। তেওঁ দশম খ্রীষ্টাব্দৰ কাশ্মীৰী পণ্ডিত। তেওঁৰ মতবাদ অভিব্যক্তিবাদ নামে প্রসিদ্ধ। ভৰতৰ নাট্যশাস্ত্রৰ ওপৰত লিখা 'অভিনৱ ভাৰতী' নামৰ বিস্তৃত টীকাগ্রন্থ আৰু আনন্দবর্ধনৰ ধ্বন্যালোকৰ ওপৰত লিখা তেওঁৰ লোচন টীকাৰ পৰা তেওঁৰ মতবাদ জানিব পাৰি। তেওঁৰ মতে ভৰতৰ ৰস সূত্রৰ সংযোগ শব্দৰ অর্থ 'অভিব্যঞ্জন' বা ব্যঙ্গ-ব্যঞ্জকভাৱ আৰু নিষ্পত্তি শব্দৰ অর্থ অভিব্যক্তি বা প্রকাশ। তেওঁৰ মতে বিভাৱ আৰু ব্যভিচাৰিভাৱৰ লগত স্থায়ী ভাৱৰ ব্যঙ্গ-ব্যঞ্জক সম্বন্ধৰ ফলত ৰসাভিব্যক্তি ঘটে। ইয়াত ৰস ব্যঙ্গ আৰু বিভাৱাদি ব্যঞ্জক। আনন্দবৰ্দ্ধনৰ মতে যি নিজক প্রকাশ কৰাৰ লগতে আনকো প্রকাশ কৰে সেয়ে ব্যঞ্জক; যেনে ঘট এটাৰ প্রতি আলোক। আলোক বা পোহৰে নিজকে প্রকাশ কৰাৰ



।। ৰঙিয়া মহাবিদ্যালয় আলোচনী।।

লগতে আন্ধাৰত থকা ঘটকো প্রকাশিত কৰে। সেইদৰে বিভাৱাদিয়ে সহৃদয়ৰ অন্তৰত থকা স্থায়ী ৰতি আদিৰো ব্যঞ্জনা কৰে।

কাব্য পাঠ বা নাট্যাভিনয়ৰ সময়ত সহৃদয়ৰ প্রথমে বিভাৱাদিৰ জ্ঞান জন্মে। বিভাৱাদিত সহৃদয়ৰ ওচৰত সাধাৰণ ৰূপে প্রতিভাত হয়। সাধাৰণ ৰূপে প্রতীয়মান বিভাৱাদিৰ মাধ্যমত সহৃদয়ৰ স্থায়ী ভাৱ উদ্বুদ্ধ হয়। এই স্থায়ী ভাৱো সাধাৰণ ৰূপে প্রতীয়মান হয়। বিভাৱাদিৰ দ্বাৰা যদি নায়কনিষ্ঠ ৰতিৰ অভিব্যঞ্জন হয়, সহৃদয়ৰ চিত্ততো ৰত্যাদি ভাৱৰ উদ্বুদ্ধ হয়। এই উদ্বুদ্ধ স্থায়ী ভাৱ সহৃদয়ে পানক ৰস বা চৰবতৰ দৰে চর্বনা কৰে বা আস্বাদন কৰে। মানুহে খাই ভাল লগা বস্তুটো যেনেদৰে একেবাৰে গিলি নথৈ মুখত কিছু সময় পাগুলি থাকি (চর্বনা কৰি) আনন্দ পায়, তেনেদৰে সহৃদয়ে বাৰে বাৰে স্থায়ী ভাৱটোৰ অনুভূতিৰ কথা ভাৱি ভাৱি এটা অনির্বচনীয় আস্বাদ লভে। এই আস্বাদনৰ প্রক্রিয়াটোকে চর্বনা বোলে। ৰসৰ প্রতীতি জ্ঞানৰূপে সম্ভৱ। ৰস বা ৰসানুভূতি নিজৰ সৈতে নিজৰ আকাৰৰ দৰে অভিন্ন। যদিও সাধাৰণীকৃত স্থায়ীভাৱে ৰস তথাপি ৰসৰ চৰম পর্য্যায়ত কেৱল অখণ্ড আনন্দৰহে অনুভূতি হয়। ড° কান্তি চন্দ্র পাণ্ডে মহোদয়ৰ মতে অভিনৱগুপ্তই ৰস চর্বনাৰ দুটা অৱস্থা স্বীকাৰ কৰিছে। চর্বনাৰ প্রথমাৱস্থাত ৰত্যাদি স্থায়ী ভাৱৰো জ্ঞান থাকে কিন্তু ৰস চর্বনাৰ পার্যান্তিক দশাত কেৱল পৰমানন্দৰহে অনুভূতি হয়। আস্বাদ্যমান চিত্তবৃত্তিয়ে ৰস। ৰসৰ উপলব্ধি কৰা কথা আযাৰ গৌণ অর্থতহে ব্যৱহৃত হয়। ভাত ৰান্ধিছে (ওদনং পচতি) কথা আযাৰৰ লগত ইয়াক তুলনা কৰিব পাৰি। ৰন্ধা কার্যৰ শেষত চাউলৰ সিদ্ধ অৱস্থাই ভাত। তথাপি ভাত ৰান্ধিছে বুলি লৌকিক প্রয়োগ গৌণ অর্থত ব্যৱহৃত হয়। ৰসৰ উপলব্ধি কথা আযাৰো একে গৌণ অর্থতে প্রয়োগ কৰা হয়।

আস্বাদ্যমানতাই ৰসৰ প্রাণ (অস্তিত্ব)। ৰস বিভাৱাবধি অর্থাৎ বিভাৱ, অনুভাৱ আদি থকালৈকে ৰসৰ অস্তিত্ব থাকে। ৰস অলৌকিক আনন্দৰ উৎস। ৰসাস্বাদ ব্ৰহ্মাস্বাদ সদৃশ। ব্রহ্মবিদে ব্রহ্মানন্দ লাভ কৰিলে সেই আনন্দৰ পৰা নিবৃত্ত নহয়। আনহাতে ৰসানুভূতি বিভাৱাদি জীৱিতাবধি। ৰসৰ বৈশিষ্ট্য অলৌকিক। অভিনৱগুপ্তৰ মতে ৰস কার্য্য নহয়। কিয়নো ইয়াৰ অস্তিত্ব বিভাৱাদিৰ অস্তিত্বপর্যন্ত। ৰস পূর্ব সিদ্ধ নোহোৱা বাবে বিভাৱাদিৰ দ্বাৰা জ্ঞাপ্যও নহয়। আনহাতে চর্বনাৰ উৎপত্তিৰ দ্বাৰা ৰসৰ উৎপত্তি হয় কাৰণে ইয়াক কার্যও বুলিব পাৰি। আনহাতে পৰিপক্কযোগীৰ আত্মমাত্র বিষয়ক জ্ঞান আৰু অপৰিপক্কযোগীৰ জগদ্ভেদ বিষয়ক জ্ঞানৰ পৰা পৃথক স্ব-স্বৰূপ জ্ঞানৰ গোচৰ বাবে ৰসক জ্ঞাপ্যও বুলিব পাৰি। ৰসানুভূতি বিভাবাদি জীৱিতাবধি কাৰণে নির্বিকল্পক নহয়। আনহাতে ৰস আস্বাদনৰ মুহূৰ্ত্তত আন জ্ঞান নাথাকে বাবে নাম ৰূপ জাত্যাদিৰ উল্লেখ নাথাকে। সেই বাবে ৰস জ্ঞান সবিকল্পকো নহয়। অভিনৱগুপ্তৰ মতে ৰসৰ এই পৰস্পৰ বিৰোধী ধর্মই ৰসৰ অলৌকিকত্বকে ঘোষণা কৰে।

অভিনৱগুপ্তৰ পাছত ৰস সম্পৰ্কীয় নতুন তত্ত্ব প্রৱৰ্ত্তিত হোৱা নাই। প্রসিদ্ধ আলংকাৰিক মম্মট ভট্ট, বিশ্বনাথ কবিৰাজ আৰু আন আন উত্তৰ মুনিয়ে অভিনৱগুপ্তৰ ৰস তত্ত্বকে গ্রহণ কৰিছে। ■

যাৰ উপভোগৰ একো সামগ্রী নাথাকে, তেনে মানুহেহে অধিক সন্তান জন্ম দিয়ে।

—বার্টাণ্ড ৰাছেল

# ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ

মঃ হেকিমুদ্দিন আহমেদ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক
(বিজ্ঞান শাখা)

প্ৰায় চাবিবশ ঘণ্টা কালেই অধ্যয়নত তন্ময় হৈ থকা এজন অধ্যাপকক ছোভিয়েট ৰুচিয়াৰ ভাগ্য নিৰ্মাতা বুলি খ্যাত মাৰ্শ্বাল ষ্টেলিনে দুই মিনিট সময় কথা পাতিম বুলি আহি সম্পূৰ্ণ আধাঘণ্টা সময় কথা পাতিও আৰু যেন কথা পাতিবলৈ ৰৈ গ'ল—তেনে গুণৰ অধিকাৰী সেই মহান শিক্ষাব্ৰতী গৰাকীয়ে হ'ল ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ। ভাৰতৰ গৌৰৱমণি, বিখ্যাত শিক্ষাবিদ, দাৰ্শনিক আৰু গণ-পৰিষদৰ অন্যতম সদস্যৰূপে জনাজাত এইজন ৰাধাকৃষ্ণণে এদিন হ'লগৈ ভাৰতৰ দ্বিতীয় গৰাকী ৰাষ্ট্ৰপতি। ইয়াৰ আগতে অৰ্থাৎ ১৯৫২ চনৰ পৰা ১৯৬২ চনলৈ তেওঁ ভাৰতৰ উপ-ৰাষ্ট্ৰপতি আছিল। ড° ৰাজেন্দ্ৰ প্ৰসাদে অৱসৰ গ্ৰহণ কৰাৰ লগে লগে তেওঁ ভাৰতৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হয়। ১৯৬২ চনৰ মে মাহত তেওঁ কাৰ্য্যভাৰ গ্ৰহণ কৰিছিল।

ৰাধাকৃষ্ণণৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বিজয়ৰ বিশেষ সাফল্য যে তেওঁৰ পিছত এতিয়ালৈকে হোৱা কোনো এজন ৰাষ্ট্ৰপতিয়ে তেওঁৰ দৰে সৰ্বোচ্চ ভোটৰ ব্যৱধানত জয়ী হ'ব পৰা নাই। তেওঁ তেওঁৰ বিৰোধী পক্ষতকৈ ৫ লাখ ৪৬ হাজাৰ ৭২৬ টা ভোট বেছি পাবলৈ সমৰ্থবান হৈছিল।

ৰাষ্ট্ৰপতি হিচাপে ৰাধাকৃষ্ণণে দেশবাসীলৈ দিয়া তেওঁৰ প্ৰথম বাণীত কৈছিল,—"আমি ৰাষ্ট্ৰীয় নিৰাপত্তাক আন্তৰ্জাতিক নিৰাপত্তাৰ ওপৰত স্থান দিব নোৱাৰো। ৰাষ্ট্ৰীয় নিৰাপত্তাতকৈ আন্তৰ্জাতিক নিৰাপত্তাৰ প্ৰশ্নটো বিশেষ গুৰুত্বপূৰ্ণ।"

তেওঁ শপত গ্ৰহণৰ পিছতেই তেওঁৰ সৰ্ব প্ৰথম কৰ্তব্য হিচাপে ড° ৰাজেন্দ্ৰ প্ৰসাদক দেশৰ সৰ্বোচ্চ সন্মান 'ভাৰত-ৰত্ন' উপাধি প্ৰদান কৰি তেওঁ কয় যে, ড° ৰাজেন্দ্ৰ প্ৰসাদ হৈছে ভাৰতৰ এগৰাকী প্ৰধান নেতা। ১৮৮৮ চনৰ ৫ ছেপ্তেম্বৰ তাৰিখে মাদ্ৰাজৰ (বৰ্তমান তামিলনাডু) হিন্দুৰ পবিত্ৰ তীৰ্থভূমি তিৰুতানি নামৰ এখন সৰু গাঁৱত দাৰ্শনিক পণ্ডিত ৰাধাকৃষ্ণণৰ জন্ম হয়। তেওঁ সম্প্ৰদায়ত ব্ৰাহ্মণ পৰিয়ালৰ লোক আছিল। তেওঁৰ পিতৃ এজন জমিদাৰৰ তলত সাধাৰণ তহচিলদাৰ আছিল। সেইকাৰণে পিতাকৰ মৃত্যুৰ পিছত পিতাকৰ কোনো সম্পত্তি উত্তৰাধিকাৰী সূত্ৰে তেওঁ পোৱা নাছিল। তেওঁ শৈশৱৰ কালছোৱা তিৰুপতি আৰু তিৰুতানিত কটাইছিল। সৰুৰে পৰা তেওঁ চোকা বুদ্ধিৰ আছিল; কিন্তু সংগ বিহীনভাৱে থাকিবলৈ তেওঁ ভাল পাইছিল। কেৱল কিতাপকহে তেওঁ একমাত্ৰ সংগী হিচাপে লৈছিল। তেওঁ স্কুলীয়া শিক্ষা তিৰুপতি নগৰৰ এখন মিশ্যনাৰী স্কুলৰ পৰা লাভ কৰিছিল। তাৰ পিছত তেওঁ সুখ্যাতিৰে এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয় আৰু মাদ্ৰাজৰ খ্ৰীষ্টীয়ান কলেজ এখনত ভৰ্ত্তি হয়। তাৰ পৰাই তেওঁ আই এ আৰু ১৯০৭ চনত বি-এ, পৰীক্ষাত কৃতকাৰ্য্য হয়। বি-এ আৰু এম-এ পৰীক্ষা অতি কৃতিত্বৰে তেওঁ উত্তীৰ্ণ হয়। আনকি তেওঁ এই পৰীক্ষাত বিশ্ববিদ্যালয়ৰ ভিতৰত সৰ্বোচ্চ স্থান লাভ কৰিবলৈ সক্ষম হয়।

এম-এ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছতে তেওঁক মাদ্ৰাজৰ প্ৰেছিডেন্সী কলেজৰ দৰ্শনৰ অধ্যাপক হিচাপে





নিযুক্তি দিয়া হয়। পাণ্ডিত্য আৰু ইংৰাজী কোৱাৰ পাৰদৰ্শিতাৰ গুণত ছাত্ৰ সমাজত তেওঁ প্ৰিয়পাত্ৰ হৈ উঠিছিল। আনকি এই কথাও শুনা যায় যে, তেওঁ যেতিয়া শ্ৰেণীত বক্তৃতা আৰম্ভ কৰে—তেওঁৰ মুখৰ শুৱলা ইংৰাজী শুনিবলৈ আন আন শ্ৰেণীৰ ছাত্ৰৰে বাৰাণ্ডা আৰু শ্ৰেণীৰ কাষৰ মুকলি ঠাইবোৰ ভৰি পৰিছিল। সেই সময়তে তেওঁ দৰ্শন বিষয়ক ভালেমান মূল্যবান প্ৰবন্ধ ৰচনা কৰিছিল। সেই মৌলিক প্ৰবন্ধবোৰ ইউৰোপ আৰু আমেৰিকাৰ বিভিন্ন আলোচনীৰ যোগে প্ৰচাৰিত হয়। লগে লগে তেওঁৰ খ্যাতি সেইবোৰ দেশতো বিয়পি পৰে। তেওঁৰ প্ৰবন্ধৰ মুখ্য বিষয়বস্তু আছিল হিন্দু ধৰ্ম আৰু হিন্দু দৰ্শন। মানৱতাবোধ হৈছে প্ৰবন্ধবোৰৰ ঘাই উৎস। হিন্দু দৰ্শনৰ প্ৰতি তেওঁৰ এই আকৰ্ষণ কলেজীয়া জীৱনৰ পৰাই জন্মে। বিশেষকৈ কলেজীয়া ছাত্ৰ হৈ থাকোতে স্বামী বিৱেকানন্দৰ লিখনীয়ে হিন্দুৰ দৰ্শনৰ প্ৰতি তেওঁক ঘাইকৈ প্ৰভাৱান্বিত কৰে আৰু তেতিয়াৰ পৰা তেওঁ হিন্দু ধৰ্মৰ বিভিন্ন চিন্তাধাৰাৰ মাজত সোমাই পৰে। এদিন তেওঁ হিন্দু ধৰ্মৰ মাজতে প্ৰকৃত সত্যৰ সন্ধান বিচাৰি পায়। সৎকৰ্মৰ দ্বাৰা মানৱ ধৰ্ম পালন কৰি কেনেকৈ মনত শান্তি আৰু আনন্দ লাভ কৰিব পাৰি গীতাৰ কৰ্মযোগৰ পৰাই সেই কথা তেওঁ উপলব্ধি হয়।

তেওঁ প্ৰাচীন ভাৰতীয় গ্ৰন্থৰাজি বেদ, উপনিষদ, পুৰাণ, দৰ্শন, মীমাংসা আদি শাস্ত্ৰসমূহ গভীৰভাৱে অধ্যয়ন কৰি যিবোৰ মূল্যৱান চিন্তাশীল প্ৰবন্ধ ৰচনা কৰি থৈ গ'ল তাত দেখুওৱা হ'ল যে, মহৎ কৰ্ম কৰা আৰু মহৎ হোৱা। তেওঁৰ আন এজন আদৰ্শ লেখক আছিল—কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ। ৰবীন্দ্ৰনাথৰ লিখনীৰ মাজতো তেওঁ তেওঁৰ চিন্তাধাৰাৰ খোৰাক বিচাৰি পাইছিল। তাৰ স্বাক্ষৰ হিচাপে তেওঁ ৰবীন্দ্ৰনাথ ঠাকুৰৰ দাৰ্শনিক চিন্তাধাৰাৰ ওপৰত 'ৰবীন্দ্ৰনাথৰ দৰ্শন' নামৰ এখন অমূল্য গ্ৰন্থ ৰচনা কৰে। ১৯১৮ চনৰ পৰা তেওঁ মহীশূৰ বিশ্ববিদ্যালয়তো ৩ বছৰৰ কাৰণে দৰ্শন বিষয়ত অধ্যাপনা কৰে। সেই সময়তে তেওঁ ৰচনা কৰে—'সমসাময়িক দৰ্শনত ধৰ্মৰ প্ৰভাৱ' গ্ৰন্থ।

ইয়াৰ পিছত কলিকতা বিশ্ববিদ্যালয়ৰ ভাইচ-চেন্সেলাৰ ছাৰ আশুতোষ মুখোপাধ্যায়ে তেওঁক কলিকতা বিশ্ববিদ্যালয়লৈ মাতি নিয়ে আৰু ১৯২১ চনৰ পৰা তাত তেওঁ দৰ্শনৰ অধ্যাপক ৰূপে যোগ দিয়ে। কলিকতা বিশ্ববিদ্যালয়ত থাকোতেই তেওঁ ভাৰতীয় দৰ্শনৰ ওপৰত চিন্তা উদ্ৰেককাৰী এখন মূল্যবান গ্ৰন্থ ৰচনা কৰে।

এই গ্ৰন্থত দেখুওৱা হয় যে, ভাৰতীয় দৰ্শনৰ পৰা বিশ্বৰ জনসাধাৰণ উপকৃত হ'ব পাৰে আৰু ইয়াত অবাস্তৱ বা আচৰিত বোলা একো নাই। ১৯২৬ চনত বহা বৃটিছ সাম্ৰাজ্যৰ বিশ্ববিদ্যালয় কংগ্ৰেছলৈ কলিকতা বিশ্ববিদ্যালয়ৰ পৰা তেওঁ প্ৰতিনিধিত্ব কৰিছিল। তেওঁ গৈ তাৰ লণ্ডন আৰু অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ ছাত্ৰ-শিক্ষকৰ আগত এনে উচ্চ খাপৰ বক্তৃতা দিছিল—ইয়াৰ আগতে ইংৰাজসকলে কোনো ভাৰতীয়ৰ মুখত এনে শুৱলা বক্তৃতা শুনিবলৈ পোৱা নাছিল বুলিও মন্তব্য কৰা হৈছিল। তেওঁ অক্সফোৰ্ড মানচেষ্টাৰ কলেজত চাৰিটা আপটন লেকচাৰ (upton lecture) দিছিল আৰু তাত ভাৰতৰ হিন্দু সভ্যতা, হিন্দু জাতিৰ উৎপত্তিৰ বিষয়ে ব্যাখ্যা কৰিছিল। মানচেষ্টাৰ কলেজৰ অধ্যক্ষ ড° জ্যাক্স আৰু বিখ্যাত দাৰ্শনিক সংবাদ-পত্ৰ 'হিবাৰ্ট জাৰ্ণাল' আদিয়েও তেওঁৰ পাণ্ডিত্যৰ ভূয়সি শলাগ লয়।

তেওঁ আমেৰিকাৰ চিকাগো বিশ্ববিদ্যালয়তো ভাৰতীয় দৰ্শনৰ ওপৰত এলানি বক্তৃতা দি—তাৰ বিদ্বান মণ্ডলীৰ ওচৰত প্ৰশংসাৰ পাত্ৰ হয়। তেওঁ বিদেশৰ পৰা ঘূৰি অহাৰ পিছত তেওঁক অন্ধ্ৰ বিশ্ববিদ্যালয়ে 'ডক্টৰেট' উপাধি প্ৰদান কৰে।

১৯২৯ চনত তেওঁ অক্সফোৰ্ডৰ মানচেষ্টাৰ কলেজৰ দৰ্শনৰ অধ্যাপক হিচাপে নিযুক্ত হয়। ইয়াত থকা কালছোৱাতে তেওঁ বছৰেকীয়া বৃটীছ একাডেমীত 'গৌতম বুদ্ধ'ৰ ওপৰত এক স্মৰণীয় বক্তৃতা দি তাৰ পণ্ডিত মণ্ডলীৰ মাজত বিশেষভাৱে জনাজাত হয়। তেওঁ তাত মহাত্মা গান্ধীৰ ওপৰতো এলানি বক্তৃতা দিছিল। গান্ধীজীৰ বক্তৃতামালাত গান্ধীয়ে নিৰ্যাতনৰ মাজেৰে ধৈৰ্য্য ধৰি চলোৱা বিপ্লৱৰ ৰীতিটোৰ ব্যাখ্যা কৰে। তেওঁ

অক্সফোৰ্ড বিশ্ববিদ্যালয়ত অতীত ভাৰতৰ মহান আদৰ্শাৱলীৰ ওপৰত আলোকপাত কৰি যি বহুমূলীয়া ভাষণ দিছিল সেই বক্তৃতাবোৰে হৈছে—'ইষ্টাৰ্ণ ৰিলিজন এণ্ড ওৱেষ্টাৰ্ণ থট' গ্ৰন্থ। তেওঁক ইংলণ্ডই 'ফেলশ্বিপ অৱ বৃটিছ একাডেমী' পদৰেও বিভূষিত কৰিছিল।

তেওঁৰ অমূল্য গ্ৰন্থৰাজিৰ ভিতৰত মানচেষ্টাৰ আৰু ইংলণ্ডত দিয়া ভাষণাৱলী সংগ্ৰহ কৰি ১৯২৭ চনত 'দি হিন্দু ভিউ অৱ লাইফ' আৰু ১৯৩২ চনত 'এন আইডিয়েলিষ্টিক ভিউ অৱ লাইফ' গ্ৰন্থ প্ৰকাশ হৈ ওলাইছিল। ৰাধাকৃষ্ণণে তেওঁৰ 'কল্কি অৱ দি ফিউচাৰ অৱ চিভিলাইজেচন' গ্ৰন্থ প্ৰণয়ন কৰি তাত বিজ্ঞানে মানুহৰ উপকাৰ কৰিলেও মন আত্মাৰ যে খোৰাক যোগাব পৰা নাই তাক প্ৰকাশ কৰিছে।

১৯৩১ চনৰ পৰা তেওঁ অন্ধ্ৰ বিশ্ববিদ্যালয়ৰ ভাইচ-চেন্সেলাৰ নিযুক্ত হয়। ১৯৩৬ চনলৈকে তেওঁ তাৰ ভাইচ চেন্সেলাৰ হিচাপে সুখ্যাতিৰে কাৰ্য-নিৰ্বাহ কৰে। ১৯৩৫ চনত ইণ্ডিয়ান মেডিকেল কাউন্সিলে ঘোষণা কৰিছিল যে অন্ধ্ৰ বিশ্ববিদ্যালয়ে মেডিকেল কলেজ আৰু হাস্পতালৰ ব্যৱস্থা ঠিক মতে কৰিবলৈ অসমৰ্থ হৈছে আৰু সেই কাৰণে তাৰ 'ডাক্তৰী' উপাধিক গ্ৰাহ্য কৰা নহ'ব। কৰ্তৃপক্ষৰ এই সিদ্ধান্তত ৰাধাকৃষ্ণণ বিমোৰত পৰিল আৰু উক্ত অভাৱ দূৰ কৰাৰ কাৰণে তেওঁ চৰকাৰৰ অনুমোদন বিচাৰিলে। কিন্তু চৰকাৰৰ পৰা কোনো আশানুৰূপ সঁহাৰি নোপোৱাত তেওঁ মাদ্ৰাজলৈ গৈছিল আৰু ৰাজ্যপাল-মন্ত্ৰী উভয়কে লগ ধৰিছিল। কিন্তু কাম নহ'ল। পুনৰ এবাৰ মাদ্ৰাজলৈ গৈ বিত্তমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীক দেখা কৰিলে। সেইবাৰো কোনো সঁহাৰি নাপালে। তেতিয়া তেওঁ ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীৰ আগত এষাৰ কথাকৈ আহিল যে, মেডিকেল কলেজত তেওঁ এখন 'সমাধি ফলক' আৰি দিব। তাত লেখা থাকিব ক (আগৰ ৰাজ্যপাল) আৰু খ-ই (আগৰ মন্ত্ৰীসকলে) বিশাখাপট্টনমত মেডিকেল কলেজ স্থাপন কৰিছিল; কিন্তু গ (বৰ্তমান ৰাজ্যপাল) আৰু ঘ-ই (বৰ্তমান মন্ত্ৰীসকলে) তাক ভাঙি পেলালে। ইয়াৰ পিছদিনাই ড° ৰাধাকৃষ্ণণে চৰকাৰৰ পৰা এখন চিঠি পালে যে, অন্ধ্ৰ বিশ্ববিদ্যালয়ক চৰকাৰে সোনকালে আৱশ্যকীয় পুঁজিৰ যোগান ধৰিব।

তেওঁ কিছুদিন ধৰি অক্সফোৰ্ড আৰু কলিকতা বিশ্ববিদ্যালয়ত একে সময়তে কাম কৰিবলগীয়াও হৈছিল। জানুৱাৰীৰ পৰা জুনলৈ অক্সফোৰ্ডত আৰু বাকী ছয়মাহ কলিকতা, অন্তলৈ তেওঁ সেৱা আগবঢ়াইছিল। ১৯৩৯ চনত তেওঁ পণ্ডিত মদনমোহন মালব্যৰ অনুৰোধ ক্ৰমে কাশী হিন্দু বিশ্ববিদ্যালয়ত ভাইচ চেন্সেলাৰ নিযুক্ত হয়। তাতো প্ৰায় দহ বছৰ ধৰি অনাৰেৰী ভাৱে শ্ৰম দান কৰে। ১৯৩৯-৪০ চনত তেওঁ একে সময়তে কাম কৰিছিল কাশী, কলিকতা আৰু অক্সফোৰ্ডত। তেওঁ জাতিৰ জনক মহাত্মা গান্ধীৰ ওপৰতো এখন সংকলন উলিয়াইছিল। এই সংকলন প্ৰকাশ হৈ ওলোৱাৰ বছৰতে, তেওঁক গান্ধীজীৰ বিষয়ে বক্তৃতা দিবলৈ দক্ষিণ আফ্ৰিকালৈ নিমন্ত্ৰণ কৰা হৈছিল। তাৰ পিছত ১৯৪৭ চনত তেওঁ চীন চৰকাৰৰ আমন্ত্ৰণ ক্ৰমে চীনলৈ যায় আৰু তাত দুসপ্তাহৰ ভিতৰত যিবোৰ বক্তৃতা দিছিল সেয়ে হ'ল—'ইণ্ডিয়া এণ্ড চাইনা' গ্ৰন্থ।

১৯৪৬ চনৰ সময়ছোৱাত আমেৰিকাৰ বিভিন্ন বিশ্ববিদ্যালয় যেনে—লছ এঞ্জেলছ, হাৰভাৰ্ড, মিচিগান, কৰ্ণেল আদিত বক্তৃতা দিছিল আৰু এই চনতে তেওঁ পেৰিচত বহা আন্তঃৰাষ্ট্ৰীয় সংস্থা ইউনেস্কো (UNESCO) লৈ ভাৰতীয় প্ৰতিনিধি হিচাপে যোগদান কৰাৰ সুবিধা লাভ কৰিছিল। ১৯৪৮-৪৯ চনত তেওঁ এই সংস্থাৰ অধ্যক্ষও নিৰ্বাচিত হৈছিল। ১৯৫২ চনলৈ তেওঁ এই সংস্থাত ভাৰতৰ প্ৰতিনিধিত্ব কৰি গৈছে। এই ব্যস্ততাময় সময়ছোৱাতে তেওঁ ভাগৱত, গীতা আৰু ধৰ্ম পদ ইংৰাজীলৈ অনুবাদ কৰি প্ৰকাশ কৰি উলিয়াইছিল। স্বাধীন ভাৰতৰ সংবিধান ৰচনা কৰিবলৈ গঠন কৰা গণ-পৰিষদৰো তেওঁ এগৰাকী অন্যতম সদস্য আছিল। শীতল যুদ্ধৰ ভয়াবহ অধ্যায়ৰ সময়তে তেওঁ ছোভিয়েট ৰছিয়াত স্বাধীন ভাৰতৰ ৰাষ্ট্ৰদূতৰূপে নিযুক্ত হয়। তেৱেঁ ৰুছ-ভাৰতৰ ঐতিহাসিক বন্ধুত্বৰ ভেটি স্থাপন কৰি থৈ যায়।





মস্কোৰ পৰা উভতি আহিয়ে ১৯৫১ চনৰ সাধাৰণ নিৰ্বাচনৰ পিছত তেওঁ ভাৰতৰ উপ-ৰাষ্ট্ৰপতি নিৰ্বাচিত হয়। উপ-ৰাষ্ট্ৰপতি হৈ তেওঁ ওজা ৰাজনীতিবিদৰ পৰিচয় দিবলৈ সমৰ্থ হৈছিল।

১৯৫৪ চনত তেওঁক ভাৰত চৰকাৰে সৰ্বোচ্চ সন্মান 'ভাৰত-ৰত্ন' উপাধিৰে আৰু পদকৰে সন্মানিত কৰে। এই 'ভাৰত-ৰত্ন' উপাধি ৰাধাকৃষ্ণণে হৈছে প্ৰথম লাভ কৰোতা। ১৯৬২ চনত তেওঁ ৰাষ্ট্ৰপতি নিৰ্বাচিত হয়। তেওঁ ৰাষ্ট্ৰপতি হোৱা শুনিয়ে ইউৰোপৰ শ্ৰেষ্ঠ দাৰ্শনিক বাট্ৰেণ্ড ৰাছেলে 'দৰ্শন শাস্ত্ৰ আজি সন্মানিত হ'ল' বুলি মন্তব্য দিছিল।

তেওঁ ৰাষ্ট্ৰপতি হিচাপে দক্ষতাৰে নিজৰ কাৰ্য্য সম্পাদনা কৰিছিল প্ৰয়োজন হ'লে নিষ্ঠুৰ, তিৰস্কাৰ আৰু আপোন চৰকাৰকো কটু সমালোচনা কৰি সত্য পথৰ সন্ধান দেখুৱাইছিল। তেওঁৰ সময়ত দুটা আক্ৰমণৰ সন্মুখীন হৈছিল। তেওঁ কৈছিল 'আমি বিপৰীত পক্ষৰ শুভ বুদ্ধি উদয় নোহোৱালৈকে সদায় সহ্য কৰিয়ে যাম।'

স্বভাৱতে লাজকুৰীয়া ধৰণৰ ড° ৰাধাকৃষ্ণণ আছিল দয়াশীল, মৰমিয়াল, নম্ৰ আৰু আত্ম প্ৰশংসাৰ প্ৰতি বিমুখ। কোনোবাই প্ৰশংসা কৰি তেওঁৰ কথা উলিয়ালে লগে লগে তেওঁ সেই কথা পুনৰ নুলিয়াবলৈ অনুৰোধ কৰে।

সাজ-পাৰৰ ভিতৰত সচৰাচৰ পিন্ধা এখন মিহি ধুতী, এটা লম্বা-কোট, মূৰত পাগুৰি। তেওঁ ৰুছিয়াত ৰাষ্ট্ৰদূত হিচাপে কায্যনিৰ্বাহ কৰাৰ সময়তো আনকি ভাৰতীয় পোছাক-পৰিচ্ছদ পিন্ধিহে ঘূৰি ফুৰিছিল। ৰুছিয়াৰ দৰে সেমেকা বতৰৰ ভিতৰতো তেওঁ তাত ধুতীহে পিন্ধিছিল।

এবাৰ এখন সভাত তেওঁক সন্ন্যাসীৰ লগত ৰিজনি দিয়াত তেওঁ তাৰ উত্তৰত কৈছিল যে, তেওঁৰ অন্তৰত বৈৰাগ্যৰ ভাব কেতিয়াও জন্মা নাই। আন মানুহৰ দৰে তেওঁৰো নিজৰ আত্মীয়-স্বজনৰ প্ৰতি মৰম-স্নেহ বন্ধু-বান্ধৱৰ প্ৰতি ভাল পোৱাৰ ভাব সদায় আছিল। তেওঁ সাংসাৰিক মানুহ হিচাপেহে জীৱনটো কটাব শিকিছিল।

আমাৰ শিক্ষা ব্যৱস্থাৰ আধুনিকীকৰণ আৰু বিশ্ববিদ্যালয়ৰ পুনৰ গঠন সংক্ৰান্ত আয়োগৰ চেয়াৰমেন ড° ৰাধাকৃষ্ণণে শিক্ষা প্ৰসংগত কৈছিল যে, মানুহৰ আহল-বহল ঘৰ, মটৰ গাড়ী, বিলাসী খাদ্য আদি উপভোগ কৰাকে জীৱন বুলি ক'ব নোৱাৰি। এই পাৰ্থিৱ সম্পদৰাজিত কৈ মানুহৰ প্ৰয়োজনীয় বস্তুটি হৈছে—শিক্ষা। তেওঁৰ দৰ্শন শাস্ত্ৰৰ প্ৰতি থকা আকৰ্ষণৰ কথা ব্যাখ্যা কৰি কৈছিল যে, দৰ্শন শাস্ত্ৰৰ অধ্যাপনাই জীৱনৰ চৰম উদ্দেশ্যে উপলব্ধিত উৎসাহ যোগায়। দৰ্শন, জ্ঞান, গৌৰৱৰ বস্তু নহয়, জনগণৰ প্ৰতি ই প্ৰেমৰ সৃষ্টি কৰিব পৰা এটা বিষয় মাত্ৰ।

এই মহান চিন্তাবিদ ৰাজনীতিজ্ঞ লোকজনাৰ প্ৰতি শ্ৰদ্ধা জনাই দেশে তেওঁৰ জন্ম দিন ৫ ছেপ্তেম্বৰক 'শিক্ষক দিৱস' হিচাপে পালন কৰি আহিছে।

অক্সফোৰ্ড বিশ্ববিদ্যালয়েও প্ৰতিবছৰে ড° ৰাধাকৃষ্ণণৰ স্মৃতিত বক্তৃতামালা এলানিৰ ব্যৱস্থা কৰিছে। তেওঁৰ হিন্দু দৰ্শনৰ ওপৰত বিশেষ বৰঙণিৰ কাৰণে তেওঁক ১৯৭৫ চনত "Templetion" বঁটা প্ৰদান কৰা হয়।

ড° ৰাধাকৃষ্ণণে এইদৰে প্ৰায় ১৫ বছৰ কাল দেশৰ কাণ্ডাৰী হিচাপে থাকি ১৯৬৭ চনৰ মে মাহৰ পৰা ৰাষ্ট্ৰপতি পদৰ পৰা অৱসৰ লয়।

তেওঁ অৱসৰ লৈ মাদ্ৰাজৰ বঙ্গোপসাগৰৰ পাৰত অৱস্থিত এডোৱাৰ্ড এলিয়টছ ৰোডত থকা তেওঁৰ নিজ ঘৰ 'গিৰিজা'ত আশ্ৰয় লৈছিল।

'গিৰিজা' আছিল আটোমটোকাৰিকৈ সজোৱা এটি সৰু বঙলা ঘৰ। অৱসৰৰ অধিকাংশ সময় তেওঁ পঢ়া-শুনাৰ মাজেৰে কটাইছিল। ড° ৰাধাকৃষ্ণণক ৰাষ্ট্ৰপতি পদৰ পৰা বিদায় সম্ভাষণ জনাবৰ দিনা চেণ্ট্ৰেল হলত আয়োজিত এখন সভাত সংসদী সদস্যসকলে কৈছিল যে ১৯৬২ চনত ড° ৰাধাকৃষ্ণণক ভাৰতৰ ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত কৰি গ্ৰীক দাৰ্শনিক 'প্লেটোৰ সপোন' বাস্তৱত ৰূপায়িত কৰিলে। প্লেটোৱে কৈছিল যে, বেয়া বা ভাল চিনাক্ত কৰিব পাৰে কেৱল দাৰ্শনিক-সকলেহে।

সেই কাৰণে ৰাজ্যৰ শাসনভাৰ দাৰ্শনিকসকলৰ ওপৰতহে অৰ্পণ কৰিব লাগে।

সেই সভাতে ৰাধাকৃষ্ণণে কৈছিল যে প্ৰকৃত ৰাজনীতিবিদ সেই সকলহে যি সকলে অতি নিঃকিনকো আপোন বুলি গ্ৰহণ কৰিব পাৰে। প্ৰপীড়িত মানৱ সমাজৰ মংগলৰ বাবে নিজকে নিয়োজিত কৰিব পাৰে। দাৰ্শনিকেই ৰাষ্ট্ৰশাসন কৰিব লাগে কথাষাৰ কেৱল প্লেটোৱে কৈহে, এনে নহয়।

সকলো মহান সংস্কৃতিতে ই অন্তৰ্নিহিত আছে। ভাৰতীয় পৰম্পৰাতো ইয়াক দেখিবলৈ পোৱা যায় বুলি তেওঁ কৈছিল। শেষত তেওঁৰ ১৯৭৫ চনত পৰলোকপ্ৰাতি হয়।

ড° ৰাধাকৃষ্ণণ আজি আমাৰ মাজত নাই, কিন্তু তেওঁ দেখুৱাই যোৱা মহান আদৰ্শ, চৰম ত্যাগ আৰু সত্যনিষ্ঠা ভাৰতীবাসীৰ মাজত সদায় এগচি বন্তিৰ দৰে জিলিকি থাকিব।■

যিসকলে আমাক অকল মৰণশীল বুলি ভাবিলৈ কয় তাঁলে আমি মন কৰা অনুচিত। আমি যিমান দূৰ পাৰো নিজকে অমৰ কৰিবলৈ চেষ্টা কৰা উচিত আৰু তাৰ বাবে আমাৰ শ্ৰেষ্ঠ নীতিৰ লগত খাপখোৱা জীৱন নিৰ্বাহৰ বাবে সকলো কৰিবলৈ যত্ন কৰা উচিত।

—এৰিষ্টটল

“সাহিত্য সীমাবদ্ধ সৰোবৰ নহয়, ই বোঁৱতী সুতি। পৰিবৰ্ত্তনৰ বুৰঞ্জীয়ে সাহিত্যৰ গতি নিৰ্ণয় কৰে।”

—হেমবৰুৱা।





# জনসংখ্যা বৃদ্ধিৰ বিপৰীতে সজাগতা সৃষ্টি ঃ নেতৃস্থানীয় ব্যক্তিৰ ভূমিকা

**শ্ৰীবীৰেন্দ্ৰ নাথ শৰ্মা**
গ্ৰন্থাগাৰিক

বৰ্তমান ভাৰত চৰকাৰে দেশৰ অধিবাসী জনসাধাৰণক বনজ, খনিজ বা অন্যান্য সম্পদৰ দৰে ব্যৱহাৰ কৰিবলৈ লৈছে। এই সম্পদবিধ হ'ল—মানৱ সম্পদ। কিন্তু এই সম্পদ বিধৰ অপৰিকল্পিত ভাৱে বৃদ্ধি হোৱা হেতুকে ইয়াক সঠিক ভাৱে ব্যৱহাৰ কৰিব পৰা হোৱা নাই। কম্পিউটাৰৰ বহুল প্ৰচলনৰ ফলত মানৱ সম্পদৰ কাৰ্য্যক্ষেত্ৰ যথেষ্ট হ্ৰাস পাই আহিছে। জনসংখ্যা বৃদ্ধিৰ অনুপাতে কৰ্ম-সংস্থান বৃদ্ধি নোপোৱা বাবে ভাৰতবৰ্ষত নিবনুৱা সমস্যাই জটিল ৰূপ ধাৰণ কৰিছে। মুঠতে জনসংখ্যা বৃদ্ধিৰ সমস্যাই ভাৰতীয় অৰ্থনীতিৰ মেৰুদণ্ড বেঁকা কৰি দিছে। সেয়েহে এনেহেনে প্ৰতিকূল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত জনসংখ্যা বৃদ্ধিৰ বিপৰীতে সজাগতা সৃষ্টি কৰাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰা হৈছে।

ভাৰতবৰ্ষ এখন ঘন জনবসতিপূৰ্ণ দেশ। পৃথিৱীৰ ভিতৰত ই দ্বিতীয় জনবহুল দেশ। ভাৰতবৰ্ষত প্ৰতি বছৰে ১.৭৫ কোটি জনসংখ্যা বৃদ্ধি হয়। অষ্ট্ৰেলিয়াৰ মুঠ জনসংখ্যা ১.৭৫ কোটি। এই হিচাপত আমি প্ৰতি বছৰে একোখন অষ্ট্ৰেলিয়াক পোহপাল দিব লগা হয়। ১৯৯১ চনৰ লোকপিয়ল মতে জনসংখ্যা বৃদ্ধিৰ হাৰ মৃত্যুৰ হাৰতকৈ তিনিগুণ বেছি। এই হাৰত জনসংখ্যা বৃদ্ধি হৈ গৈ থাকিলে ২০০১ চনত এই সংখ্যা হ'বগৈ ১০০ কোটি।

চীন, ভাৰতবৰ্ষ, বাংলাদেশ, পাকিস্থান আদি দেশত জনসংখ্যা বৃদ্ধি হোৱাটো এটা ডাঙৰ আৰ্থ-সামাজিক সমস্যা হৈ পৰিছে। ফলত সকলোবোৰ জনকল্যাণকামী পৰিকল্পনা কৃতকাৰ্য্য কৰাটোও এটা ডাঙৰ প্ৰত্যাহ্বান হৈ পৰিছে। পৃথিৱীৰ মুঠ মাটিকালিৰ কেৱল ২.৪ ভাৰতবৰ্ষই অধিকাৰ কৰি আছে। কিন্তু ভাৰতবৰ্ষৰ জনসংখ্যা পৃথিৱীৰ মুঠ জনসংখ্যাৰ ১৬%। ১৯৯১ চনৰ লোকপিয়ল মতে ভাৰতৰ জনসংখ্যা ৮৪.৬৩ কোটি। বৰ্তমান আমাৰ দেশত মানুহৰ মৃত্যুৰ হাৰ কিছু পৰিমাণে কমিছে। আনহাতে জন্মৰ হাৰ সেই তুলনাত কমা নাই। উদাহৰণ স্বৰূপে, ১৯৫১-৬১ চনৰ ভিতৰত জন্মৰ হাৰ প্ৰতি হাজাৰত ৪২ জন আছিল; কিন্তু ১৯৯৩ চনত এই সংখ্যা ২৮.৫ জনলৈ কমি আহিছে। সেইদৰে ১৯৫১-৬১ চনৰ ভিতৰত মৃত্যুৰ সংখ্যা আছিল প্ৰতি হাজাৰত ২৭ জন; কিন্তু ১৯৯৩ চনত এই সংখ্যা ৯.২ জনলৈ কমি আহিছে। আমি মৃত্যুৰ হাৰ হ্ৰাস পোৱাটো বিচাৰো। আনহাতে জন্মৰ হাৰ সন্তোষজনক ভাবে কমাবলৈ সক্ষম হোৱা নাই। দেশৰ জনকল্যাণমূলক পৰিকল্পনা বিলাক কৃতকাৰ্য্য কৰিবলৈ জনসংখ্যা বৃদ্ধিৰ হাৰ হ্ৰাস কৰিবই লাগিব। কিন্তু ইয়াক সফলকাম কৰি তুলিবলৈ জনসংখ্যা বৃদ্ধিত প্ৰভাৱ পেলোৱা বিভিন্ন কাৰকবোৰৰ বিষয়ে সম্যক জ্ঞান আহৰণ কৰিব লাগিব।

**জনসংখ্যা বৃদ্ধিৰ কাৰণসমূহ ঃ**

১। **মৃত্যুৰ হাৰ হ্ৰাস ঃ** উন্নত চিকিৎসা পদ্ধতিৰ প্ৰৱৰ্ত্তন, স্ত্ৰী-শিক্ষাৰ উন্নতি, শিক্ষিতৰ হাৰ বৃদ্ধি; যুদ্ধ-বিগ্ৰহ আদি

হ্ৰাস পোৱা বাবে ভাৰতবৰ্ষত মৃত্যুৰ হাৰ হ্ৰাস পাইছে। ইয়ে জনসংখ্যা বৃদ্ধিত অৰিহণা যোগাইছে।

**২। জলবায়ু আৰু ইয়াৰ আনুসঙ্গিক কাৰণসমূহ ঃ** জনসংখ্যা বৃদ্ধিত জলবায়ুৰ প্ৰভাৱ মনকৰিবলগীয়া। সাধাৰণতে গৰম জলবায়ু অঞ্চলৰ মানুহৰ বংশ বৃদ্ধিৰ হাৰ ঠাণ্ডা জলবায়ু অঞ্চলৰ মানুহৰ বংশ বৃদ্ধিৰ হাৰতকৈ অধিক। উদাহৰণ স্বৰূপে, ৰাজস্থানৰ জলবায়ু গৰম। ইয়াৰ ল'ৰা-ছোৱালী কম বয়সতে যৌৱনপ্ৰাপ্ত হয় আৰু সেই অনুপাতে বংশ বৃদ্ধিও সোনকালে হয়।

**৩। অৰ্থনৈতিক কাৰণ ঃ** সাধাৰণতে দেখা যায় যে অৰ্থনৈতিক ভাৱে দুৰ্বল শ্ৰেণীৰ মানুহে জনসংখ্যা বৃদ্ধিৰ প্ৰতি সজাগ নহয়। শিক্ষাৰ ব্যৱস্থা অথবা জীৱন ধাৰণৰ মানদণ্ডৰ প্ৰতি গুৰুত্ব নিদিয়াকৈ অলপ ডাঙৰ হ'লেই নিজৰ জীৱিকাৰ পথ নিজে বাচি লয়। চৰকাৰে আইন কৰি উদ্যোগ খণ্ডলৈ এনে শ্ৰমিকৰ আগমন বন্ধ কৰিব নোৱাৰে।

**৪। সামাজিক আৰু ধৰ্মীয় কাৰণ ঃ** বিয়া নকৰালে মানুহৰ জীৱন পূৰ্ণাঙ্গ নহয়; পুত্ৰ সন্তান নাথাকিলে মৃতকৰ আত্মাই মুক্তি নাপায় বুলি আজিও ভাৰতবৰ্ষৰ বহু সংখ্যক মানুহে বিশ্বাস কৰে। ইয়াৰ ফলস্বৰূপে ৪-৫ জনী ছোৱালী একেৰাহে জন্ম পোৱাৰ পিছতো অন্ততঃ এটা ল'ৰা সন্তান জন্ম দিয়াৰ আশাত সন্তান জন্ম দিয়েই থাকে। এনেধৰণৰ পুৰণিকলীয়া চিন্তা-চৰ্চাই ভাৰতৰ জনসংখ্যা বৃদ্ধিত অৰিহণা যোগাইছে।

**৫। আমোদ-প্ৰমোদৰ সময় আৰু আহিলাৰ অভাৱ ঃ** সুলভ আৰু সস্তীয়া আমোদ-প্ৰমোদৰ আহিলাৰ অভাৱত ভাৰতবৰ্ষৰ সাধাৰণ মানুহৰ ক্ষেত্ৰত স্ত্ৰী-পুৰুষৰ যৌন সম্ভোগেই একমাত্ৰ আমোদ-প্ৰমোদৰ আহিলা হৈ পৰিছে। ফলত বংশ বৃদ্ধিৰ হাৰ বৃদ্ধি পাই আছে।

**৬। শিক্ষাৰ অভাৱ ঃ** দাৰিদ্ৰতাৰ কবলত পৰি বহুতো পৰিয়ালৰ ল'ৰা-ছোৱালীয়ে শিক্ষা গ্ৰহণ কৰাৰ সুবিধা নাপায়। জীৱিকা অৰ্জনৰ সৰু-সুৰা পথ বাচি লৈ তেওঁলোকে সৰুতে বিয়া কৰায় আৰু জনসংখ্যা বৃদ্ধিত অৰিহণা যোগায়।

**৭। বাল্য-বিবাহ ঃ** বিহাৰ, মধ্য প্ৰদেশ, ৰাজস্থান, পশ্চিমবঙ্গৰ কিছু অংশত এতিয়াও বাল্য-বিবাহ প্ৰচলন হৈ আছে। বাল্যকালত বিয়া কৰালে সন্তান জন্ম দিয়াৰ সময় বেছিকৈ পায়। ইয়াৰ ফলতো জনসংখ্যা বৃদ্ধি পায়।

**৮। প্ৰব্ৰজন ঃ** আন দেশৰ পৰা ভাৰতবৰ্ষলৈ বসবাস কৰিবলৈ অহা লোকৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পোৱাৰ ফলত ভাৰতবৰ্ষৰ জনসংখ্যা মাত্ৰাধিক বৃদ্ধি পাই আহিছে।

এইবোৰৰ উপৰিও চৰকাৰে প্ৰৱৰ্ত্তন কৰা 'ৰেচন কাৰ্ড'ৰ ব্যৱস্থাই অধিক জনসংখ্যা থকা দুখীয়া পৰিয়ালবোৰক জনসংখ্যা বৃদ্ধি কৰাত অৰিহণা যোগাই আহিছে। পৰিয়ালত অধিক জনসংখ্যা থাকিলে ৰেচন কাৰ্ডৰ বিপৰীতে সস্তীয়া সামগ্ৰী অধিক পোৱা যায় বাবে অধিক সন্তান জন্ম দিবলৈ এক শ্ৰেণীৰ মানুহে কুণ্ঠাবোধ নকৰে। এনেবোৰ কাৰণতো জনসংখ্যা বৃদ্ধি পাইছে।

**জনসংখ্যা বৃদ্ধিৰ প্ৰতিৰোধৰ ব্যৱস্থা ঃ**

জনসংখ্যা বৃদ্ধিৰ কাৰণসমূহ জনাৰ পিচত ভাৰতবৰ্ষৰ বৰ্দ্ধিত জনসংখ্যাৰ হাৰ হ্ৰাস কৰিবলৈ নিম্ন লিখিত পৰামৰ্শসমূহ আগবঢ়োৱা হ'ল ঃ

**১। শিশুৰ মৃত্যুৰ হাৰ হ্ৰাস ঃ** শিশুৰ মৃত্যুৰ হাৰ হ্ৰাস কৰিব পাৰিলে জনসংখ্যা বৃদ্ধিৰ হাৰ হ্ৰাস কৰিব পৰা যায়। সৰু অৱস্থাতে শিশুৰ মৃত্যু হোৱাৰ ভয়ত মানুহে অধিক সন্তান জন্ম দিয়ে। উন্নত চিকিৎসা পদ্ধতি প্ৰৱৰ্ত্তন কৰিব পাৰিলে শিশুৰ মৃত্যুৰ হাৰ কমাব পৰা যাব।

**২। উদ্যোগীকৰণ ঃ** উদ্যোগীকৰণ বৃদ্ধিৰ লগে লগে জনসাধাৰণৰ কৰ্ম-সংস্থানো বৃদ্ধি পায়। ইয়াৰ ফলত মানুহে অধিক সময় নিজ নিজ কৰ্মক্ষেত্ৰত ব্যস্ত থাকিব লগা হয়। তদুপৰি জনসাধাৰণৰ জীৱনৰ মানদণ্ড উন্নত হ'লে জনসংখ্যা বৃদ্ধিৰ হাৰো হ্ৰাস পায়।

**৩। সাৰ্বজনীন শিক্ষা-ব্যৱস্থা আৰু স্ত্ৰী-শিক্ষাৰ উন্নতি ঃ** শিক্ষিত সমাজত জনসংখ্যা বৃদ্ধিৰ হাৰ অশিক্ষিত সমাজৰ তুলনাত কম। তদুপৰি স্ত্ৰী-শিক্ষাৰ বহুল প্ৰচলনে জনসংখ্যা বৃদ্ধি প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত যথেষ্ট প্ৰভাৱ পেলায়।





**৪। বৰ্হিগমন ঃ** শিক্ষা, ব্যৱসায়, বাণিজ্য আদিৰ বাবে ভাৰতবৰ্ষৰ মানুহ আন দেশলৈ গ'লেও ভাৰতবৰ্ষৰ জনসংখ্যা কিছু পৰিমাণে হ্ৰাস পাব। ইউৰোপৰ ভালেমান দেশৰ দৰে ভাৰতবৰ্ষৰ মানুহকো বিদেশলৈ যোৱাৰ বাবে উৎসাহ যোগাব লাগিব।

**৫। জন্ম নিৰোধক ব্যৱস্থাৰ ব্যাপক প্ৰচলন ঃ** জন্ম নিৰোধক সামগ্ৰী আৰু এই ব্যৱস্থাৰ বহুল প্ৰচলনে জন্ম নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগায়। সস্তীয়া আৰু সহজলভ্য কৰাৰ লগতে এনে সামগ্ৰী ব্যৱহাৰ কৰিবলৈ জনসাধাৰণক মানসিকভাৱে প্ৰস্তুত কৰিব লাগিব। সৰ্বভাৰতীয় ভিত্তিত এনে সামগ্ৰী ৬০% মানুহে ব্যৱহাৰ কৰে, য'ত ৭৫.৬% পঞ্জাৱত আৰু মাত্ৰ ২৬% বিহাৰৰ মানুহে ব্যৱহাৰ কৰে।

**৬। যৌন শিক্ষাৰ বাবে উৎসাহ প্ৰদান ঃ** ছাত্ৰ অৱস্থাৰে পৰা যৌন শিক্ষা দিয়াৰ ব্যৱস্থা প্ৰৱৰ্ত্তন কৰিব পাৰিলেও জনসংখ্যা বৃদ্ধিৰ হাৰ কিছু পৰিমাণে কমাব পৰা যাব।

**৭। আইনগত নিয়ন্ত্ৰণ ঃ** চৰকাৰে আইন প্ৰণয়ন কৰিও জন্ম নিয়ন্ত্ৰণ কৰিব পাৰে। এটা বা দুটাতকৈ অধিক সন্তান জন্ম দিয়াটো বে-আইনী ঘোষিত কৰিব পাৰিলেও জনসংখ্যা হ্ৰাস পাব। তদুপৰি একোটা পৰিয়ালৰ এজন মাত্ৰ ল'ৰা বা ছোৱালীক বৃত্তি দিয়া বা নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিও চৰকাৰে জনসংখ্যা হ্ৰাস কৰাত উদগনি জগাব পাৰে।

**৮। আত্ম-সংযম ঃ** ইংলেণ্ড, আমেৰিকা আদি দেশৰ মানুহে এটা সন্তান জন্ম দিয়াটোকেই যথেষ্ট বুলি গণ্য কৰিবলৈ লৈছে। ইয়াৰ প্ৰধান কাৰণ আত্ম-সংযম। ভাৰতবৰ্ষৰ সকলো মানুহে আত্ম-সংযমী কৰিব পৰা হ'লে জনসংখ্যা বৃদ্ধিৰ হাৰ বহুলাংকে হ্ৰাস পাব।

**৯। পৰিয়াল পৰিকল্পনা ঃ** চৰকাৰে প্ৰৱৰ্ত্তন কৰা পৰিয়াল পৰিকল্পনাৰ বিভিন্ন আঁচনিসমূহ বাস্তৱত ৰূপায়ন কৰিবলৈ জাতি, ধৰ্ম, বৰ্ণ, নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকে আগবাঢ়ি আহিব লাগিব।

**১০। আমোদ-প্ৰমোদ ঃ** আমোদ-প্ৰমোদৰ বিভিন্ন আহিলা বৃদ্ধি কৰিব লাগিব। তদুপৰি সাংস্কৃতিক অনুষ্ঠান, গ্ৰন্থাগাৰ, খেল-ধেমালী আদিত মানুহ ব্যস্ত থাকিব লাগিব।

জনসংখ্যা বৃদ্ধি যিহেতু এটা আৰ্থ-সামাজিক সমস্যা আৰু অৰ্থনৈতিক প্ৰগতিৰ প্ৰধান প্ৰতিবন্ধক স্বৰূপ, সেয়েহে জনসংখ্যা বৃদ্ধি প্ৰতিৰোধ কৰিবই লাগিব। এই ক্ষেত্ৰত কাৰো দ্বি-মত থাকিব নোৱাৰে। সেয়েহে সমাজৰ সমূহ নেতৃস্থানীয় মানুহে জনসংখ্যা বৃদ্ধিৰ বিপৰীতে সজাগতা সৃষ্টি কৰি চৰকাৰৰ পৰিয়াল পৰিকল্পনাৰ বিভিন্ন আঁচনিসমূহ কৃতকাৰ্য্য কৰি তোলাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে। দেশৰ সকলো শ্ৰেণীৰ বুদ্ধিজীৱী, সাংবাদিক, লেখক, নাট্যকাৰ, বোলছবি নিৰ্মাতা, অভিনেতা-অভিনেত্ৰী, শিক্ষা-বিভাগৰ লগত জড়িত ব্যক্তি, গাওঁ পঞ্চায়তৰ বিষয়ববীয়া, স্বেচ্ছাসেৱী সংগঠন, চিকিৎসক আদি নেতৃস্থানীয় ব্যক্তিৰ সমন্বিত প্ৰচেষ্টাৰে বিভিন্ন প্ৰচাৰ মাধ্যমৰ জৰিয়তে প্ৰচাৰ কাৰ্য্য চলাই জনসংখ্যা বৃদ্ধিৰ বিপৰীতে সজাগতা সৃষ্টি কৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াব পাৰে। গ্ৰাম্যাঞ্চলত সভা-সমিতি পাতি, বাটৰ নাট মঞ্চস্থ কৰি, ওজাপালি, নাম-প্ৰসঙ্গ নাইবা অন্যান্য প্ৰচাৰ মাধ্যমৰ জৰিয়তে প্ৰচাৰ কাৰ্য্য চলাই অধিক সন্তান জন্ম দিয়াটো যে দেশৰ অৰ্থনৈতিক প্ৰগতিৰ প্ৰধান অন্তৰায়স্বৰূপ তাক ভালদৰে বুজাই দিব লাগিব। অৱশ্যে ইয়াক অধিক ফলপ্ৰসূ কৰি তুলিবলৈ নেতৃস্থানীয় মানুহখিনি সকলোৰে বাবে আদৰ্শ স্বৰূপ হ'ব লাগিব; অৰ্থাৎ তেওঁলোকৰো অধিক সন্তান থাকিব নালাগিব। ■

# উশৃংখল যুৱমানসিকতা আৰু সমাজৰ ভৱিষ্যত

শ্ৰীজগদীশ কলিতা
স্নাতক, দ্বিতীয় বাৰ্ষিক (কলা)

আজিৰ যুৱ সমাজেই কাইলৈ দেশৰ ভৱিষ্যত। যুৱ সমাজৰ ওপৰতেই নিৰ্ভৰ কৰে সমাজ তথা জাতিৰ ভৱিষ্যত। সমাজৰ আটাইতকৈ উদ্যমী, সাহসী আৰু শ্ৰম ক্ষমতা সম্পন্ন যুৱ সমাজৰ নিষ্ঠা আৰু আন্তৰিকতাই সমাজৰ উন্নতিত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সমাজত দেখা দিয়া যিকোনো ধৰণৰ সমস্যাৰ ক্ষেত্ৰতেই বস্তুনিষ্ঠ তথা গঠনমূলক দৃষ্টিভংগীৰে বিবেচনা কৰি এক বাস্তৱ কৰ্মপন্থা গ্ৰহণৰ যোগেদি ইয়াৰ সমাধান সম্ভৱ। সমাজৰ বয়োজ্যেষ্ঠ সকলৰ ভূমিকা এইক্ষেত্ৰত আটাইতকৈ বেছি যদিও এওঁলোকেও যাৱতীয় দিহা-পৰামৰ্শ দি বাকীখিনি দায়িত্ব যুৱ সমাজৰ ওপৰতেই এৰি দিয়ে। সেয়েহে যুৱ সমাজৰ অধিক যুক্তিনিষ্ঠ আৰু সচেতন হোৱা দৰকাৰ। এনে পটভূমিতে আমি আমাৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ একাংশ যুৱক-যুৱতীৰ মাজত দেখা দিয়া উশৃংখল মানসিকতা আৰু ইয়াৰ ফলত সমাজত দেখা দিয়া অশান্তিকৰ পৰিস্থিতিৰ বিষয়ে আলোকপাত কৰিব বিচাৰিছোঁ।

উশৃংখল যুৱ মানসিকতাৰ বিষয়ে আলোচনা কৰিবলৈ যোৱাৰ আগতে আমি ইয়াৰ সৃষ্টিৰ অন্তৰ্নিৰ্হিত কাৰণ সম্পৰ্কে কিছু কথা জনা দৰকাৰ। যুৱ সমাজৰ মাজত দেখা দিয়া উশৃংখল প্ৰৱণতাসমূহৰ বাবে সাধাৰণতে সু-শিক্ষাৰ অভাৱ আৰু কদৰ্য্যময় সামাজিক পৰিস্থিতিকেই দায়ী সাব্যস্ত কৰা হয় যদিও গভীৰ ভাৱে পৰ্য্যবেক্ষণ কৰিলে ইয়াৰ আঁৰত অন্য কাৰণো ভালেখিনি আছে। যেতিয়া এজন ব্যক্তি আনৰ হেয়জ্ঞান, অৱহেলা বা প্ৰাপ্য সন্মানৰ পৰা বঞ্চিৎ হয় তেতিয়া ব্যক্তিজনৰ মনত ক্ষোভ আৰু হতাশাই ঠাই পায়। এই হতাশা আৰু ক্ষোভেই এটা সময়ত ব্যক্তিৰ মনত উশৃংখলতা আৰু অপৰাধ প্ৰৱণতাই ঠাই পায়।

ব্যক্তিগত জীৱন আৰু সামাজিক জীৱনৰ কু-প্ৰভাৱেও বৰ্তমান সময়ত যুৱ সমাজক বিপথে পৰিচালিত কৰিছে। ঘৰৰ পৰিৱেশ আৰু পৰিয়ালৰ আচাৰ-ব্যৱহাৰ সু-সংস্কাৰপূৰ্ণ নোহোৱা বাবে আৰু সমাজ ব্যৱস্থাত নীতি আৰু আদৰ্শ মূল্যহীন হৈ পৰা বাবে যুৱ সমাজ হতাশাত ভাগি পৰা দেখা যায়। তদুপৰি আচাৰ-অনাচাৰ, পাপ-পূণ্য, ধৰ্ম-কৰ্ম সম্পৰ্কে নৈতিক শিক্ষা বৰ্তমান যুৱ সমাজত নাইকীয়া হোৱা বাবে যুৱ সমাজত উশৃংখলতা বৃদ্ধি পাইছে। তাতে আকৌ ভূতৰ ওপৰত দানব হৈ পৰিছে আমাৰ সামাজিক পৰিস্থিতিৰ লগত খাপ নোখোৱা পশ্চিমীয়া সংস্কৃতিৰ। সাজ-পোছাক, গীত-বাজনা, জীৱনধাৰণৰ আদব-কায়দা আদি সকলোতে পশ্চিমীয়া সংস্কৃতিৰ অবাধ প্ৰয়োভৰ। অতি দুৰ্ভাগ্যজনকভাৱে আমাৰে একাংশ যুৱক-যুৱতী সাম্ৰাজ্যবাদী শক্তিসমূহৰ মৰণ ফান্দ জালত সোমাই পৰিছে। ড্ৰাগছ্, মদ, লটাৰী, ব্লুফিল্ম আদিৰ দৰে সামাজিক ব্যাধিৰ বীজাণুবোৰে এইচাম যুৱক-যুৱতীক মানসিকভাৱে পঙ্গু কৰি পেলাইছে। ফলত তেওঁলোক নানাধৰণৰ অসামাজিক কাৰ্য্যকলাপত লিপ্ত হৈ পৰিছে।





এই যুৱ চামৰ মাজত পৰিশ্ৰম নকৰি সহজতে অধিক ধন ঘটি এক আৰামী জীৱন যাপন কৰাৰ মানসিকতা গঢ়ি উঠিছে। ইয়াৰ ফলশ্ৰুতিতেই সমাজত দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে হত্যা, লুণ্ঠণ, অপহৰণ, ধৰ্ষণ আদিৰ দৰে জঘণ্যতম অপৰাধবোৰ। ফলত অবধাৰিত হৈ পৰিছে সমাজৰ অন্ধকাৰ ভৱিষ্যত।

সুস্থ আৰু সবল সামাজিক ভেটি তৈয়াৰ কৰিবলৈ হ'লে ইয়াৰ প্ৰতিজন বাসিন্দাই পৰিশ্ৰমী, যুক্তিবাদী আৰু সৎ হ'ল লাগিব। সমাজত বাস কৰা প্ৰতিজন ব্যক্তিয়ে নিজৰ নিজৰ দায়িত্ববোৰ নিষ্ঠা আৰু সততাৰে পালন কৰিলেহে সমাজত শান্তি বিৰাজ কৰিব। এইক্ষেত্ৰত আমাৰ যুৱ সমাজ আৰু অধিক সচেতন হোৱা দৰকাৰ। কিন্তু আমাৰ বাবেই অত্যন্ত দুৰ্ভাগ্যজনক কথা যে আমাৰ যুৱ সমাজৰ এক বুজন অংশই তেওঁলোকৰ দায়িত্ববোৰ পালন কৰিবলৈ অপাৰগ। উশৃংখল মানসিকতাই এওঁলোকক সামাজিক উন্নতিত অৰিহণা যোগোৱাৰ পৰা বিৰত কৰে। যিকোনো ধৰণৰ গঠনমূলক চিন্তা-চৰ্চাৰ পৰা এইচাম যুৱক-যুৱতীয়ে দূৰত্বত অৱস্থান গ্ৰহণ কৰে। এওঁলোকে বাস্তৱ জীৱনৰ পৰা সম্পূৰ্ণ নিলগত এক কল্পনা ৰাজ্যত বিচৰণ কৰি ফুৰে। কেৱল লাহ-বিলাহকেই জীৱনৰ একমাত্ৰ ব্ৰত কৰি লোৱা এইচাম যুৱক-যুৱতীয়ে সমাজৰ লগতে নিজৰো ভৱিষ্যত অন্ধকাৰচ্ছন্ন কৰি তুলিছে। সমাজৰ অগ্ৰণী অংশ যুৱ সমাজৰ এনেধৰণৰ নৈতিক অৱক্ষয়ে সমাজৰ ভেটি থৰক-বৰক কৰি তুলিছে।

এনেধৰণৰ ধ্বংসমুখী প্ৰৱণতাসমূহৰ পৰা আমাৰ সমাজখনক বচাবলৈ হ'লে সমাজৰ প্ৰবীণ চামৰ লগতে সচেতন যুৱক-যুৱতীসকলেও গুৰু দায়িত্ব গ্ৰহণ কৰিব লাগিব। সমাজখনক ছানি ধৰা সামাজিক ব্যাধিসমূহ দূৰ কৰিবলৈ হ'লে সমাজৰ সকলো স্তৰতে জনমত গঠনৰ যোগেদি এইবোৰৰ বিৰুদ্ধে প্ৰতিৰোধ গঢ়ি তুলিব লাগিব আৰু এই কাম আজিয়েই আৰম্ভ কৰিব লাগিব। নহ'লে সময় উকলি গ'লে সমাজখনক ধ্বংসৰ মুখৰ পৰা বচোৱাটো দুসাধ্য হৈ পৰিব। গতিকে সময় থাকোতেই অসামাজিক কাৰ্য্যকলাপসমূহৰ বিৰুদ্ধে আমি সকলোৱে মিলি গঢ়ি তোলো আহক তীব্ৰ প্ৰতিৰোধ সংগ্ৰাম। ইয়েই বৰ্তমান সময়ৰ আহ্বান। ■

> "বিভিন্ন লোক সমষ্টিৰ পৰা সংৰক্ষণৰ দাবী উঠিছে। সংৰক্ষণে যাদুকৰৰ প্ৰভাৱেৰে সংৰক্ষিত লোকৰ যে প্ৰকৃত উপকাৰ সধা নাই সেইকথা স্বীকাৰ কৰিব লাগিব। তথাপি ৰাজনৈতিক কাৰণত এই প্ৰসংগই প্ৰাধান্য পাইছে আৰু লগতে এটা গোঁজ পোতা স্বাৰ্থয়ো গঢ় লৈছে।"
>
> —কীৰ্তিনাথ হাজৰিকা

# 'এইড্‌ছ' ইয়াৰ কাৰণ আৰু প্ৰতিকাৰ

শ্ৰীজয়ন্ত কুমাৰ কলিতা
স্নাতক, দ্বিতীয় বৰ্ষ (কলা)

'এইড্‌ছ' হ'ল এবিধ ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হোৱা ভয়ানক ৰোগাৱস্থা। ই অতি ভয়াবহ অৱস্থা। বিশ্বৰ প্ৰায় সকলো দেশতে এই ৰোগৰ অৱস্থা ধৰা পৰিছে। প্ৰতিদিনে নতুন নতুনকৈ বিশ্বৰ ৬ হাজাৰ লোক এই ৰোগত আক্ৰান্ত হৈ আছে। যাৰ চিকিৎসা এতিয়াও উলিয়াব পৰা হোৱা নাই।

এইড্‌ছ (AIDS = Acquired Immune Deficiency Syndrome) শব্দৰ অৰ্থ হ'ল দেহৰ উপাৰ্জিত ৰোগ প্ৰতিৰোধ ক্ষমতা হ্ৰাস হোৱাৰ ফলত দেখা দিয়া বিভিন্ন ৰোগৰ লক্ষণৰ সমষ্টি।

১৯৫৯ চনত জাইৰিৰ (মধ্য আফ্ৰিকা) কিন্‌ছাহাছা চহৰত পোন প্ৰথমে এই ৰোগ আৰম্ভ হয় যদিও সেই সময়ত এই বিষয়ে কোনো কথা সঠিক ভাৱে ক'ব পৰা নহৈছিল। ১৯৮১ চনৰ জুন মাহত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ আটলাণ্টাত থকা ৰোগ প্ৰতিৰোধ কেন্দ্ৰটোত পাঁচ জন ৰোগীক ভৰ্ত্তি কৰোৱা হৈছিল। এই আটাইকেইজন ৰোগী আছিল লছ এঞ্জেলছ চহৰৰ সমকামী লোক। ৰোগী কেইজনৰ মাজত চিকিৎসাৰ কোনো ফল নধৰাকৈ ধৰি কিছুমান বিশেষ বৈশিষ্ট্য চিকিৎসকৰ চকুত পৰিছিল। লগে লগে সমকামী লোকৰ মাজত এনে ধৰণৰ ৰোগৰ অনুসন্ধান চলোৱা হয়। আৰু নিউইয়ৰ্ক চহৰৰ বহুতো সমকামী লোকৰ মাজত এনে ৰোগ আৰম্ভ হোৱা বুলি ধৰা পেলোৱা হয়। ১৯৮২ চনত এটলাণ্টাৰ ৰোগ প্ৰতিৰোধ কৰা কেন্দ্ৰটোৱে এই ৰোগক 'এইড্‌ছ' নামেৰে নামাকৰণ কৰে।

বৰ্তমান বিশ্বৰ প্ৰায় দেশতে এই ৰোগ ধৰা পৰিছে। বিশ্ব স্বাস্থ্য সন্থাৰ মতে বৰ্তমান পৃথিৱীৰ ১০/১২ নিযুত লোক এইড্‌ছ সৃষ্টিকাৰী ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হৈছে আৰু উপযুক্ত ব্যৱস্থা নাপালে অহা দুহাজাৰ চনৰ ভিতৰত প্ৰায় ৪০ নিযুত লোক এই ৰোগত আক্ৰান্ত হোৱাৰ সম্ভাৱনা আছে।

**ৰোগৰ কাৰণ ঃ**

এইচ. আই. ভি. HIV (Human Immuno Deficiency Virus) নামৰ এবিধ ভাইৰাছ এই ৰোগৰ কাৰণ। ১৯৮৩ চনৰ শেষ ভাগত পেৰিচৰ পেষ্টিউৰ ইনষ্টিটিউতত গৱেষণা কৰা লা-মণ্টগিয়াৰ আৰু তেওঁৰ সহকৰ্মী সকলে এই ভাইৰাছৰ আৱিষ্কাৰ কৰে। ১৯৮৪ চনত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ চিকিৎসা বিজ্ঞানী 'ৰবাট গ্যেল' আৰু তেওঁৰ সহকৰ্মী সকলেও এই ভাইৰাছৰ আৱিষ্কাৰ কৰে। ১৯৮৬ চনত আন্তৰ্জাতি কমিটি এখনে এই ভাইৰাছৰ নামাকৰণ কৰে। এইড্‌ছ ৰোগত পোৱা এই এইছ. আই. ভি. দুই প্ৰকাৰৰ। প্ৰথম বিধ হ'ল—এইছ. আই. ভি$_1$ আৰু এইছ. আই ভি$_2$ ($HIV_1$, $HIV_2$)।

**এইচ্ আই. ভি. কৰ পৰা আহিল ঃ**

এইচ্. আই. ভি$_1$ ভাইৰাছৰ উৎপত্তি সম্পৰ্কে নানা ধৰণৰ প্ৰবাদ আছে যদিও চিম্পাঞ্জীত পোৱা ইমিউন ডেফিচিয়েঞ্চি ভাইৰাছ এবিধৰ পৰা এই ভাইৰাছ অহা বুলি অনুমান কৰা হয়।





এইচ্. আই. ভি$_2$ ভাইৰাছৰ আণৱিক গঠন আফ্ৰিকাৰ বান্দৰত থকা 'ছিমিয়ান ইমিউন' ডেফিয়েঞ্চি ভাইৰাছৰ গঠনৰ লগত মিল আছে। ইয়াৰ ওপৰত নিৰ্ভৰ কৰি এইচ্. আই. ভি$_2$ ভাইৰাছটো বান্দৰৰ পৰা অহা বুলি অনুমান কৰা হয়।

বহু বছৰৰ আগতে বোধহয় বান্দৰত থকা ভাইৰাছ আফ্ৰিকাৰ লোকৰ দেহত প্ৰৱেশ কৰে আৰু এই ভাইৰাছৰ চৰিত্ৰ আৰু আচৰণৰ পৰিবৰ্ত্তন ঘটি এইচ্. আই. ভি. ভাইৰাছৰ ৰূপ লয়।

**এইড্‌ছ ৰোগ কেনেকৈ বিয়পে ঃ**

(ক) যৌন ক্ৰিয়া ঃ এইচ্. আই. ভি. ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হৈ থকা ব্যক্তিৰ লগত হোৱা যিকোনো ধৰণৰ যৌন ক্ৰিয়াৰ ফলত এইবিধ ভাইৰাছ বিয়পিব পাৰে। পুৰুষ-মহিলাৰ লগত হোৱা যৌন সম্পৰ্কৰ উপৰিও সমলৈংগিকতা বা সমকামিতাৰ ফলতো এইবিধ ভাইৰাছ বিয়পে। যৌন ক্ৰিয়াৰ দ্বাৰা শতকৰা ৭০/৮০ ভাগ লোক এই ৰোগত আক্ৰান্ত হ'ব পাৰে।

(খ) দুষিত বেজি বিশেষকৈ নিচাযুক্ত দ্ৰব্য একেটা বেজিৰে কেইবাজনেও দেহত সোমোৱাই লোৱাৰ ফলত HIV ভাইৰাছ বিয়পে।

(গ) HIV ভাইৰাছৰ দ্বাৰা আক্ৰান্ত ব্যক্তিৰ তেজ আৰু তেজজাত দ্ৰব্য আন সুস্থ ব্যক্তিৰ দেহত সংচৰণ কৰাৰ ফলতো এইবিধ ভাইৰাছ বিয়পে। তেজ গ্ৰহণ আৰু সংচৰণৰ যোগেদি ৰোগ সংক্ৰমণ আৰু বিস্তাৰৰ কাৰ্য্যকাৰিতা হ'ল ৯০ শতাংশ।

(ঘ) HIV ভাইৰাছৰ দ্বাৰা আক্ৰান্ত মাতৃৰ পৰা গৰ্ভৱতী অৱস্থাতে শিশুলৈ এইবিধ ভাইৰাছ যোৱাৰ উপৰিও মাতৃ দুগ্ধৰ যোগেদি এই ভাইৰাছ বিয়পে। বিশ্বস্বাস্থ্য সন্থাৰ মতে এই ভাইৰাছৰ দ্বাৰা আক্ৰান্ত মাতৃৰ পৰা ২০/৩০ শতাংশ শিশু গৰ্ভতে আক্ৰান্ত হ'ব পাৰে। কিন্তু এনে শিশুৰ ৮০ শতাংশ জন্মৰ পাঁচ বছৰৰ ভিতৰত এইড্‌ছ হৈ মৃত্যু মুখত পৰিব পাৰে।

(ঙ) HIV ভাইৰাছৰ দ্বাৰা আক্ৰান্ত ব্যক্তিৰ জননেন্দ্ৰিয়ৰ পৰা নিঃসৰিত দ্ৰব্য তেজত ভাইৰাছ বিধ প্ৰধানকৈ থাকে। এনে দ্ৰব্য অন্য সুস্থ ব্যক্তিৰ দেহত যিকোনো প্ৰকাৰে সোমালে ভাইৰাছ বিধৰো দেহত প্ৰৱেশ ঘটে।

(চ) ওপৰৰ কাৰণবোৰৰ উপৰিও চেলুনত দাড়ি কটা, একেলগে কেইবাজনেও হাতত নাম লিখা, নাক-কাণ বিন্ধোৱা আদিৰ ফলতো এইবিধ ভাইৰাছ বিয়পে। যদিহে তেওঁলোকৰ মাজৰ কোনো এজন HIV ৰ দ্বাৰা আক্ৰান্ত হয়।

এইড্‌ছ আক্ৰান্ত ব্যক্তিৰ সৈতে চুম্বন কৰা, (সাধাৰণ ভাৱে), কথা-পতা, কাপোৰ সলাই পিন্ধা, ওচৰত থকা পানীত সাতোৰা, খোৱা-লোৱা কৰা ইত্যাদিৰ দ্বাৰা HIV ভাইৰাছ বিয়পিব নোৱাৰে। কিন্তু এটা কথা মনত ৰখাৰ দৰকাৰ যে HIV ভাইৰাছ থকা এজন ব্যক্তিৰ দেহত বিভিন্ন ৰোগৰ বীজাণু থাকিব পাৰে। সেয়ে তাৰ পৰা অন্য বেমাৰৰ বীজাণুহে আহিবলৈ পাৰে, কিন্তু এইড্‌ছ নাহে।

AIDS সম্পৰ্কে বিশ্বস্বাস্থ্য সন্থাই দিয়া দুখন তথ্য দাঙি ধৰা হ'ল—

(১) পৃথিৱীৰ বিভিন্ন প্ৰান্তত থকা ৰোগীৰ সংখ্যা (১৯৯৪ চনৰ শেহতীয়া হিচাব মতে) ঃ

| | স্থান | ৰোগীৰ সংখ্যা |
|---|---|---|
| (ক) | উত্তৰ আমেৰিকা | ১০ লাখ ৰোগী |
| (খ) | দক্ষিণ আমেৰিকা | ২০ লাখ ৰোগী |
| (গ) | পশ্চিম ইউৰোপ | ৫ লাখ ৰোগী |
| (ঘ) | উত্তৰ আফ্ৰিকা | ১ লাভ ৰোগী |
| (ঙ) | উপ-চাহাৰা অঞ্চল | ১১০ লাখ ৰোগী |
| (চ) | পশ্চিম এচিয়া বা প্ৰশান্ত সাগৰীয়া অঞ্চল | ৫০ হাজাৰ ৰোগী |
| (ছ) | দক্ষিণ-পূৱ এচিয়া | ৩০ লাখ ৰোগী |
| (জ) | অষ্ট্ৰেলিয়া মহাদেশ | ২৫ হাজাৰ ৰোগী |

(২) দক্ষিণ-পূৱ এচিয়া অঞ্চলৰ ৰাষ্ট্ৰবোৰৰ AIDS আৰু HIV বিযুক্ত ব্যক্তিৰ সংখ্যা দাঙি ধৰা হ'ল (১৯৯৫ চনৰ ১৭ এপ্ৰিলৰ হিচাব মতে) ঃ

| | স্থান | AIDS ৰোগী | HIV বিযুক্ত ব্যক্তিৰ সংখ্যা |
|---|---|---|---|
| (ক) | বাংলাদেশ | ১ জন | ২০,০০০ হাজাৰতকৈ বেছি। |
| (খ) | ভুটান | ০ জন | ৩০০ তকৈ বেছি। |
| (গ) | কোৰিয়া | ০ জন | ১,০০০ তকৈ বেছি। |
| (ঘ) | ভাৰত | ১০৩৬ জন | ১৫,০০০০০ ব্যক্তিৰ। |
| (ঙ) | নেপাল | ৩৫ জন | ৫০০০ ব্যক্তিৰ। |
| (চ) | শ্ৰীলংকা | ৪৭ জন | ৫০০০ ব্যক্তিৰ। |
| (ছ) | থাইলেণ্ড | ১৪,৭৫৮ জন | ৫০০০০০ লাখ ব্যক্তিৰ |

ওপৰৰ ২নং তালিকাখনৰ পৰা আমি জ্ঞাত যে থাইলেণ্ডত AIDS আৰু HIV বিযুক্ত ব্যক্তিৰ সংখ্যা অধিক। ইয়াৰ অন্যতম কাৰণ হৈছে যে থাইলেণ্ড এখন পৰ্য্যাতকৰ দেশ। তাত বিভিন্ন দেশৰ পৰা অহা পৰ্য্যাতকৰ সমাৱেশ হয়। ইয়াৰ এক বুজন সংখ্যক পৰ্যটকে HIV ৰ বীজাণু কঢ়িয়াই লৈ আহে বুলি ঠাৱৰ কৰা হৈছে।

প্ৰথমে ১৯৮৬ চনত ভাৰতৰ তামিলনাডুত HIV এই যুক্ত লোকৰ চিনাক্তকৰণ হৈছিল। তাৰ পাছত মহাৰাষ্ট্ৰ আৰু মণিপুৰত HIV ভাইৰাছ বিয়পি পৰে। অৱশেষত ১৯৯৪ চনত সমগ্ৰ ভাৰততে এই HIV ভাইৰাছ বিয়পিছিল। ভাৰতৰ ইটো মূৰৰ পৰা সিটো মূৰলৈ অহা-যোৱা কৰা ট্ৰাকৰ চালক, উদ্যোগ কৰ্মী, সৈনিক তথা জনসাধাৰণ সকলে বিভিন্ন গণিকাৰ লগত যৌন ক্ৰিয়াত লিপ্ত হোৱাৰ বাবে এই ৰোগ ভয়ানক ভাবে বিয়পে। উল্লেখযোগ্য যে HIV যুক্ত এজনী গণিকাৰ পৰা অতি কমেও ১.৮ লাখ লোক এবছৰৰ ভিতৰত আক্ৰান্ত হ'ব পাৰে। এই ক্ষেত্ৰত এগৰাকী গণিকা একোটা AK-47 বা AK-57 তকৈয়ো শক্তিশালী।

**লক্ষণ ঃ**

AIDS ৰোগৰ প্ৰকৃততে নিজা কোনো লক্ষণ নাই। বীজাণু দেহত প্ৰৱেশ কৰাৰ লগে লগে নহয়। ভাইৰাছ দেহত প্ৰৱেশ কৰা প্ৰক্ৰিয়া সমূহৰ ওপৰত নিৰ্ভৰ কৰি সময়ৰ সাল-সলনি হয়। উদাহৰণ স্বৰূপে, যৌন ক্ৰিয়াৰ ফলত ভাইৰাছ দেহত প্ৰৱেশ কৰাৰ তিনি বছৰ মানৰ পিছত, তেজ সংচৰণ কৰাৰ ফলত চাৰি বছৰ মানৰ পিছত আৰু অংগ প্ৰতিষ্ঠাপন কৰাৰ ফলত ভাইৰাছৰ প্ৰৱেশ কৰাৰ কেইমাহ মানৰ পাছতে AIDS আৰম্ভ হয়। এই AIDS ৰোগীৰ বিভিন্ন ধৰণৰ লক্ষণ দেখা যায়। সাধাৰণতে দীৰ্ঘদিন ধৰি হৈ থকা জ্বৰ, হাগনি, দেহৰ ওজন কমা, শুকাই ক্ষীণাই যোৱা, নিউমনিয়া, দেহৰ বিভিন্ন অংশত বিশেষ ধৰণৰ ঘা, গল-ডিঙি ফলা ইত্যাদি লক্ষণ দেখা যায়। কেতিয়াবা ৰোগীৰ স্মৃতিশক্তিও হ্ৰাস পায়।

**এইড্‌ছ ৰোগীৰ জীৱন কাল ঃ** এইড্‌ছ হ'লে যে এজন ৰোগীৰ মৃত্যু হ'ব সেয়া চিৰ সত্য। পূৰ্ণ পৰ্য্যায়ৰ AIDS ৰোগী এজনে কিমান দিন জীয়াই থাকিব সেইয়া নিৰ্ভৰ কৰে তেওঁৰ ঘৰুৱা পৰিৱেশ, চিকিৎসা ব্যৱস্থা, পুষ্টিকৰ খাদ্য, পৰিপুষ্টি, মানসিক প্ৰস্তুতি আদিৰ ওপৰত। অৱশ্যে পূৰ্ণ পৰ্য্যায়ৰ এইড্‌ছ ৰোগী তিনিৰ পৰা পাঁচ বছৰলৈ জীয়াই থাকে।

**মৃত্যুৰ হাৰ ঃ** পৰিসংখ্যা অনুসৰি ১৩ বছৰ বয়সৰ ওপৰৰ লোকৰ AIDS হ'লে মৃত্যুৰ হাৰ প্ৰায় ৬০ শতাংশ আৰু ১৩ বছৰৰ তলত হ'লে মৃত্যুৰ হাৰ ৫৫ শতাংশ।

**বয়স আৰু এইড্‌ছ ঃ**

শিশু, যুৱক, বৃদ্ধ আদি যিকোনো বয়সৰ ব্যক্তি এইচ্‌. আই. ভি. ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হ'ব পাৰে। ১৯৯৩ চনলৈ বিশ্বস্বাস্থ্য সংস্থাই দিয়া শিশু আৰু আৰু যুৱকৰ হোৱা এইড্‌ছ ৰোগীৰ সংখ্যা শতকৰা হিচাবত দাঙি ধৰা হ'ল ঃ





| স্থান | শিশু ৰোগী % | যুৱক ৰোগী % |
|---|---|---|
| সংযুক্ত আমেৰিকা | ৪০% | ১৩% |
| আমেৰিকা | ১১.৫% | ১২% |
| আফ্ৰিকা | ৩৫.৫% | ৬৭% |
| এচিয়া | .৫% | ২% |
| ইউৰোপ | ১২% | ৫% |
| ওচেনীয়া | ১.৫% | ১% |

**এইড্‌ছ নিৰ্ণয়ৰ উপায় ঃ**

এইড্‌ছ নিৰ্ণয় কৰা কেইবাটাও উপায় আছে। সাধাৰণতে ৰোগৰ লক্ষণৰ ওপৰত নিৰ্ভৰ কৰাৰ উপৰিও দীৰ্ঘদিন চিকিৎসাৰ পিছতো লক্ষণ সমূহৰ উপশম নাপালে এইড্‌ছ হোৱা বুলি সন্দেহ কৰা হয়। এই ৰোগ নিৰ্ণয় কৰিবৰ বাবে প্ৰথম অৱস্থাতে 'এলিছা টেষ্ট' (ELISA-TEST) কৰা হয়। এই পৰীক্ষাত ধৰা পৰিলে 'ওৱেষ্টৰ্ণ ব্লট' নামৰ অন্য এক পৰীক্ষা কৰি সঠিক ভাবে নিৰ্ণয় কৰা হয়। আমেৰিকাৰ টেক্সাছ বিশ্ববিদ্যালয়ৰ অনুজীৱ বিজ্ঞান বিভাগে মাত্ৰ $১\frac{১}{২}$ ঘণ্টাৰ ভিতৰতে HIV ভাইৰাছ দ্বাৰা আক্ৰান্ত ৰোগীক অতি কম খৰছতে চিনাক্তকৰণ কৰিবলৈ 'মাইক্ৰপ্লাইড এলিছা' নামৰ এটি নতুন যন্ত্ৰৰ উদ্ভাৱণ কৰিছে।

**চিকিৎসা ঃ**

এইড্‌ছ ৰোগৰ চিকিৎসাৰ বাবে নিৰ্দিষ্ট কোনো ঔষধ নাই। কিছুমান প্ৰতি বিষাণু ঔষধ ব্যৱহাৰ কৰিলে এই ৰোগৰ সাময়িক উপশম হয়। কিন্তু এই ঔষধ সমূহ অতি ব্যয়বহুল।

চিকিৎসাকৈয়ো এইড্‌ছ ৰোগীক পুষ্টিকৰ খাদ্য দিয়া, মানসিক, পাৰিবাৰিক আৰু সামাজিক দিশত সমৰ্থন আগবঢ়োৱাটোহে বেছি প্ৰয়োজন। ৰোগীজনে যাতে নিজকে সামাজিকভাৱে বৰ্জিত বুলি অনুভৱ নকৰে তাৰ লক্ষ্য ৰখাটো দৰকাৰ।

**সাৱধানতা আৰু আমাৰ কৰ্ত্তব্য ঃ**

(ক) এইড্‌ছৰ প্ৰতি নিজে সচেতন হওঁক আৰু আনকো সচেতন কৰি তোলক।

(খ) এইচ্‌. আই. ভি. ভাইৰাছৰ প্ৰৱেশৰ প্ৰক্ৰিয়াবোৰৰ পৰা আঁতৰি থাকক।

(গ) অচিন ব্যক্তি তথা গণিকাৰ সৈতে যৌন সম্পৰ্কত লিপ্ত নহ'ব।

(ঘ) গণিকা সকলৰ সংস্থাপনৰ ব্যৱস্থা কৰি এই বৃত্তি অৱলম্বন কৰাত বাধা দিয়ক।

(ঙ) যৌন সম্পৰ্কীয় সস্তীয়া কিতাপ, বোলছবি আদিৰ দ্বাৰা প্ৰলোভিত নহ'ব।

(চ) নিচাযুক্ত ঔষধৰ কৱলত নপৰিব আৰু আনকো ইয়াৰ কৱলত পৰিব নিদিব।

(ছ) তেজ আৰু তেজজাত দ্ৰব্য দেহত সংচৰণ কৰাৰ আগতে ভালকৈ পৰীক্ষা কৰি লওঁক।

মহামাৰীৰ ৰূপত এইড্‌ছ সমাজত বিয়পি পৰাৰ আগতে আমি আটায়ে সজাগ হৈ ইয়াক বাধা প্ৰদান কৰা দৰকাৰ। এই ক্ষেত্ৰত আমাৰ দেশত NSS (National Service Scheme) অৰ্থাৎ ৰাষ্ট্ৰীয় সেৱা যোজনা, N.C.C. (ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী), বিভিন্ন বিজ্ঞান সমিতি আৰু বাতৰি কাকত সমূহে গুৰুত্ব প্ৰদান কৰা দেখা গৈছে। ইয়াক প্ৰতিকাৰ কৰা আমাৰ সকলোৰে দায়িত্ব আৰু কৰ্ত্তব্য। ■

*উৎস ঃ*

(১) ৰাষ্ট্ৰীয় সেৱা যোজনাৰ দ্বাৰা প্ৰকাশিত তথ্য-পাতি

(২) বিভিন্ন বাতৰি কাকত আৰু

(৩) অসম বিজ্ঞান সমিতিৰ দ্বাৰা প্ৰকাশিত এইড্‌ছ বিষয়ক হাতপুথি।

# নলিনীবালা দেৱীৰ কাব্য-প্ৰতিভা

শ্ৰীজেউতি দেৱী
স্নাতক, দ্বিতীয় বাৰ্ষিক

পদ্মশ্ৰী নলিনীবালা দেৱী কাব্য-জগতৰ এটি চিৰ সেউজীয়া নাম। নলিনীবালা দেৱী আছিল অসমৰ প্ৰথম 'পদ্মশ্ৰী' উপাধি লাভ কৰা মহিলা কবি। এইগৰাকী কবিয়ে নিচেই কম বয়সতে নিদাৰুণ বৈধব্য যন্ত্ৰণা আৰু পুত্ৰ বিয়োগৰ শোকত বিহ্বল হৈ পৰে। কিন্তু জীৱনৰ দুখ-যান্ত্ৰণাই তেওঁক টলাব নোৱাৰিলে। দুখ-শোক ভগৱানৰ আশীষ নিৰ্মালী বুলি গ্ৰহণ কৰি কাব্য সৰস্বতীৰ সাধনাত নিজকে নিমগ্ন ৰাখিলে। ১৯৭৭ চনৰ ২৪ ডিচেম্বৰ তাৰিখে এইগৰাকী কবিয়ে 'জীৱন সপোন স্মৃতি দিঠকৰ মৰীচিকা' পৰিত্যাগ কৰি অনন্ত লোকলৈ গতি কৰিলে। নলিনীবালা দেৱীৰ জীৱনাৱসানৰ লগে লগে অসমীয়া কাব্য-সাহিত্যৰ এটি বৰ্ণাঢ্য যুগৰ অন্ত পৰিল। নলিনীবালা দেৱীৰ কাব্য-চিন্তাৰ উৎস বিচাৰিবলৈ গ'লে আমি বিচাৰ কৰিব লাগিব কবিৰ নিষ্ঠুৰ জীৱনৰ অভিজ্ঞতাসমূহ আৰু লগতে সেই যুগৰ আমাৰ দেশৰ মানসিক পৰিমণ্ডল।

ঊনবিংশ শকিতাৰশেষ আৰু কুৰি শতিকাৰ আৰম্ভণিৰ সন্ধিক্ষণত ১৮৯৮ চনত অসমৰ এটি আভিজাত্য পৰিয়ালত নলিনীবালা দেৱীৰ জন্ম হয়। নলিনীবালা দেৱীৰ পিতৃ স্বনামধন্য কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ দেৱ। সেই দিনত এতিয়াৰ দৰে ছোৱালীৰ পঢ়া-শুনাৰ কাৰণে কোনো মুকলি পৰিৱেশ নাছিল। দেউতাকৰ স্ত্ৰী-শিক্ষাৰ কাৰণে আছিল প্ৰৱল আগ্ৰহ। সেয়েহে ঘৰতেই সু-সাহিত্যিক সংস্কৃত পণ্ডিত গোপাল কৃষ্ণদেৱৰ তত্ত্বাৱধানত নলিনীবালা দেৱীৰ শিক্ষাৰ ব্যৱস্থা কৰা হৈছিল। অতি কম বয়সৰ পৰাই নলিনীদেৱীৰ কাব্যৰ প্ৰতি প্ৰবল ধাউতি আছিল। গোপাল কৃষ্ণ দেৱৰ পিছত আৰু দুজন শিক্ষকে নলিনীবালা দেৱীক শিক্ষা দান কৰিছিল। এওঁলোক হ'ল নিশিকান্ত সেন আৰু যজ্ঞেশ্বৰ বৰুৱা।

এঘাৰ বছৰ বয়সত তেতিয়াৰ দিনৰ সমাজিক নিয়ম অনুসৰি নলিনীবালা দেৱীৰ বিয়াৰ ব্যৱস্থা কৰা হ'ল। ১৯০৯ চনৰ ১৬ জুলাইৰ দিনা শিৱসাগৰৰ জীৱেশ্বৰ চাংকাকতিৰ সৈতে তেওঁৰ বিয়া হৈ যায়। ইয়াৰ পিছত নলিনীদেৱী নিজৰ পৰিয়াল তথা নিজৰ জন্মভূমি গুৱাহাটী এৰি শিৱসাগৰলৈ বোৱাৰী হৈ গুচি গ'ল।

নলিনীবালা দেৱীৰ বিবাহিত জীৱনত আঠোটি বছৰ সোণ-সোঁৱৰণীৰ সোণবুলীয়া দিনবোৰ আছিল মৰমীয়াল স্বামীৰ চেনেহৰে ভৰপূৰ। সি যেন জীৱনৰ আন এটি অধ্যায়। কিন্তু নলিনীবালা দেৱীৰ স্বচ্ছন্দ জীৱন ধাৰাত যতি পৰিল। ১৯১৭ চনৰ দুৰ্গা পূজাৰ মহাষ্টমীৰ পুৱতি নিশাৰ পৰা তেওঁৰ স্বামী জীৱেশ্বৰ চাংকাকতিৰ বমি আৰম্ভ হ'ল আৰু গধূলি সন্ধ্যা আঁৰতিৰ ডবা-শঙ্খৰ কোলাহলৰ লগে লগে তেত্ৰিশ বছৰ বয়সতে ভৰপূৰ সোণৰ সংসাৰ এৰি থৈ গৰ্ভৱতী পত্নী আৰু চাৰিটি সন্তানক অনাথ কৰি ইহলীলা সম্বৰণ কৰে। নলিনীবালা দেৱীৰ কপালৰ সেন্দুৰৰ ৰঙা তিলক চিৰদিনৰ বাবে মচ খালে; লগতে সোণৰ সংসাৰখন অকালতে মৰহি যোৱাৰ দৰে ভাগি থান-বান হৈ গ'ল।





নিঃসঙ্গ বৈধব্যৰ দুৰ্ভাগ্য লৈ যেতিয়া গুৱাহাটীলৈ উভটি আহিছিল তেতিয়া তেওঁ সৰুকালৰ শিক্ষক গোপাল কৃষ্ণদেৱৰ সহায় আৰু সহানুভূতি লাভ কৰিছিল। পুথিভঁৰালৰ পৰা মূল্যবান পুথিসমূহ নলিনীবালা দেৱীলৈ তেওঁ দি পঠাইছিল। নলিনীবালা দেৱীয়ে বেছিভাগ সময় গ্ৰন্থ পাঠত কটাবলৈ ধৰিলে, মনোনিৱেশ কৰিলে বিবিধ তত্ত্বমূলক গ্ৰন্থ অধ্যয়নত। তেওঁৰ জীৱনত এটি নতুন সৃষ্টিমূলক অধ্যয়নৰ আৰম্ভণি হ'ল।

নলিনী দেৱীৰ কাব্য-চিন্তাত তেখেতৰ জীৱনৰ নিষ্ঠুৰ অভিজ্ঞতাসমূহৰ লগতে সেইদিনৰ ভাৰতবৰ্ষৰ জাতীয় পুনৰুত্থানৰ ভাৱধাৰায়ো যথেষ্ট সমল যোগাইছে। ভাৰতীয় পুনৰুত্থানৰ বাহক হিচাপে দেশৰ অভিজ্ঞ চিন্তানায়কসকলে উপনিষদ আৰু বেদান্ত দৰ্শনৰ ৰহস্যময় অতীন্দ্ৰিয়বাদৰ আশ্ৰয় গ্ৰহণ কৰিছিল। বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ বৈচিত্ৰ্যময় ছন্দৰ যোগেদি এই ভাৱধাৰাই ভাৰতবৰ্ষৰ চিন্তা জগতত ইতিমধ্যে উখল-মাখল লগাইছিল। নলিনীবালা দেৱীৰ কাব্য-চিন্তাত ভাৰতীয় জাতীয় পুনৰুত্থানৰ যুগৰ এই অতীন্দ্ৰিয় ৰহস্যবাদৰ প্ৰভাৱ স্পষ্ট। কবিৰ নিজৰ ভাষাত—

"মোৰ মন মানসত আহি
ধৰা দিছেহি পূৰ্ব পুৰুষৰ মহান চিন্তাৰ
কঁপনি এই কাব্যৰ উৎস,
আৰু,
মোৰ এই হৃদয়ৰ অসীম তৰঙ্গ ৰাশি
উথলিছে প্ৰকৃতি বুকুত
অতীতৰ পূৰ্ণ আৱেগত।"

নলিনীবালা দেৱীয়ে ১৯০৮ চনৰ পৰাই সাহিত্য জীৱনৰ পাতনি মেলিছিল যদিও, বৈধব্য জীৱন পোৱাৰ পিছতহে সাহিত্যত গভীৰভাৱে মনোনিৱেশ কৰিছিল। তেওঁৰ কাপৰ পৰা নিগৰি ওলোৱা—'পিতা' (১৯০৮ চনৰ ৰচনা) আৰু 'সন্ধ্যা' (১৯০৯ চনৰ ৰচনা) নামৰ কবিতা দুটি 'আলোচনী' নামৰ ডিব্ৰুগড়ৰ পৰা প্ৰকাশ পোৱা মাহেকীয়া কাকতত প্ৰকাশ পায়। কাকতখনিৰ সম্পাদকে কবিতা দুটিৰ ওপৰত লিখি দিছিল 'লিখকৰ বয়স দহ বছৰ মাথোন।' তেতিয়ালৈকে অসমত ইমান কম বয়সীয়া কোনো ল'ৰা-ছোৱালীয়ে লিখা নাছিল। সেয়েহে কবিতা দুটি কাকতত প্ৰকাশ হোৱাত গোটেই অসমৰ পৰা বৈ অহা আশীৰ্বাদে নলিনীবালা দেৱীক বুৰাই পেলাইছিল।

তেৰ বছৰ বয়সতে বোৱাৰী হৈ সাহিত্য-চৰ্চা কৰিবলৈ অস্বস্তিবোধ কৰিলে। মনৰ খুদুৱনি ৰাখিব নোৱাৰি, সময় উলিয়াই দুই এটি কবিতা লিখিছিল। কিন্তু সেই কবিতাবিলাক অপ্ৰকাশিত অৱস্থাতে নষ্ট হৈ যায়। ১৯১৭ চনত স্বামীক হেৰুৱাই পিতৃভূমি গুৱাহাটীলৈ অহাৰ পিছত নিজৰ অন্তৰত এক নতুন ভাৱৰ কবিতাৰ প্ৰবাহ ববলৈ ধৰিলে। এই সময়ছোৱাত গভীৰ অধ্যয়নত বুৰ মৰাৰ পিছত তেখেতৰ তৃষ্ণাতুৰ মনৰ পৰা এলানি কৰুণ ৰসেৰে সিক্ত কবিতাই আত্মপ্ৰকাশ কৰিলে। কবিতাৰ পৰা ড° দীননাথ শৰ্মাদেৱৰ সম্পাদনাত প্ৰকাশিত 'আৱাহন'ত প্ৰকাশ কৰিবৰ কাৰণে ড° শৰ্মাই নলিনীবালা দেৱীক কবিতা পঠিয়াবলৈ অনুৰোধ কৰিলে। নলিনীবালা দেৱীয়ে তেখেতৰ অনুৰোধ ৰক্ষা কৰি 'অনাহুত' আৰু 'পৰম তৃষ্ণা' নামৰ দুটি কবিতা পঠিয়ালে। কম বয়সীয়া কবিৰ এনেকুৱা সুন্দৰ কবিতা পাই, তেখেতে মনত বৰ আনন্দ পালে, লগতে কবিতা দুটিক তেখেতে উচ্চ প্ৰশংসাৰে অভিনন্দিত কৰিলে। যথাসময়ত কবিতা দুটি 'আৱাহন'ত প্ৰকাশ হ'ল। আৱাহনত প্ৰকাশিত 'অনাহুত' আৰু 'পৰম তৃষ্ণা' কবিতা দুটিয়ে অসমৰ প্ৰত্নতাত্ত্বিকদ্বসৰ্বেশ্বৰ কটকীদেৱৰ মুগ্ধ কৰিলে। নৱন্যাস যুগৰ ভাৱধাৰাৰ লগত খাপ-নোখোৱা এনেকুৱা সুন্দৰ কবিতা আৰু পঢ়াৰ আশাৰে কটকীদেৱে নলিনীবালা দেৱীক তেখেতৰ দ্বাৰা ৰচিত অপ্ৰকাশিত কবিতাবিলাকেৰে এখনি কবিতাপুথি প্ৰকাশ কৰি উলিয়াবলৈ অনুৰোধ কৰিলে।

সেই সময়ত ৰচিত প্ৰত্যেকটি কবিতাৰে সুৰ আছিল সন্ধ্যা-ৰাগিনীৰ দৰে কৰুণ। গতিকে নলিনীবালা দেৱীয়ে, তেখেতৰ প্ৰথম কবিতা পুথিখনৰ নাম ৰাখিছে 'সন্ধিয়াৰ সুৰ'। 'সন্ধিয়াৰ সুৰ' ছপা হৈ ওলোৱাত

গোটেই অসমৰ পৰা বৈ অহা বিভিন্ন লেখক-লেখিকাৰ প্ৰশংসাবাণীয়ে নলিনীবালা দেৱীক বুৰাই পেলালে। 'সন্ধিয়াৰ সুৰ'ৰ প্ৰত্যেকটি কবিতাই আছিল তেখেতৰ শোক আৰু দুখেৰে ভৰপূৰ জীৱনৰ অন্তৰৰ পৰা নিগৰি বৈ অহা বেদনাৰ অৰ্ঘ্য। ১৯৪৭ চনত স্বাধীন ভাৰতৰ অসম ৰাজ্যিক চৰকাৰে এটি দুকুৰি টকীয়া বৃত্তি আগবঢ়ায় নলিনীবালা দেৱীলৈ।

'সপোনৰ সুৰ' প্ৰকাশ কৰি উলিয়াবলৈ তেখেতে পাইছিল কলিকতাত পঢ়ি থকা যোৰহাটৰ যতীনাৰায়ণ শৰ্মা আৰু অমূল্য বৰুৱা নামৰ দুজন উৎসাহী সাহিত্যপ্ৰেমী ছাত্ৰৰ পৰা। এই ছাত্ৰ দুজনে নলিনীবালা দেৱীৰ দ্বাৰা ৰচিত কবিতাৰে এখনি কবিতা পুথি প্ৰকাশ কৰি উলিয়াবৰ বাবে ইচ্ছা কৰিছিল। তেওঁলোকে নলিনীবালা দেৱীৰ ওচৰলৈ আহি তেখেতৰ দ্বাৰা ৰচিত অপ্ৰকাশিত কবিতা বিলাক, এখনি কবিতাৰ পুথি প্ৰকাশ কৰিবৰ কাৰণে তেওঁলোকক দিবলৈ অনুৰোধ কৰিলে। তেওঁলোকৰ একান্ত অনুৰোধত নলিনীবালা দেৱীয়ে অপ্ৰকাশিত কবিতাবিলাক তেওঁলোকক দি দিলে।

যথাসময়ত কলিকতাত ঘটা অশান্তিৰ মাজতো 'সপোনৰ সুৰ' প্ৰকাশ হৈ ওলাল। 'সপোনৰ সুৰ' প্ৰকাশ হোৱাৰ লগে লগে অসমৰ সাহিত্যপ্ৰেমী লোকসকলৰ প্ৰশাংসাৰ সোঁত নলিনীবালা দেৱীৰ ওচৰলৈ ধাৰাষাৰে বৱলৈ ধৰিলে। সেই সময়ত প্ৰকাশিত 'আৱাহন', 'বাঁহী' আদি কাকতত বিভিন্নজনৰ বিবিধ ধৰণৰ সমালোচনা প্ৰকাশ হ'বলৈ ধৰিলে। গুৱাহাটী বিশ্ববিদ্যালয় স্থাপিত হোৱাত স্নাতক মহলাৰ পাঠ্য নিৰূপন কৰি গুৱাহাটী বিশ্ববিদ্যালয়ে 'সপোনৰ সুৰ'ক আদৰণি জনালে। 'সন্ধিয়াৰ সুৰে' যি সমাদৰ লাভ কৰিছিল, 'সপোন সুৰে'ও ৰাইজৰ পৰা সেই একে সমাদৰ লাভ কৰিছিল।

১৯৫৫ চনত নলিনীবালা দেৱীৰ কাপৰ পৰা নিগৰি ওলায় তেখেতৰ তৃতীয় কবিতাপুথি 'পৰশমণি'। উপনিষদ আৰু বেদান্তৰ গধুৰ ভাৱক অৱলম্বন কৰি নলিনীবালা দেৱীয়ে ৰচনা কৰা কিছুমান কবিতাই সৃষ্টি কৰে 'পৰশমণি'ক। 'সন্ধিয়াৰ সুৰ' আৰু 'সপোনৰ সুৰ' কবিতাৰ পুথি দুখনে ৰাইজৰ মাজত যি ঠাই অধিকাৰ কৰিব পাৰিছিল সেই সমান ঠাই অধিকাৰ কৰিবলৈ 'পৰশমণি'ও সমৰ্থ হ'ল। গুৱাহাটী বিশ্ববিদ্যালয়ে 'পৰশমণি'ক আই-এ শ্ৰেণীৰ পাঠ্যপুথিৰূপে মনোনীত কৰিলে।

১৯৫৮ চনত নলিনীবালা দেৱীয়ে লিখি উলিয়ায় তেখেতৰ চতুৰ্থ কবিতাৰ পুথি 'যুগদেৱতা'। কালিদাস জয়ন্তীৰ কবিতা, সংস্কৃত সঞ্জীৱনী সভাৰ অনুৰোধত 'ভাৰতবৰ্ষ,' 'দেৱভাষা', 'ব্যাসদেৱ' আদি কেইবাটাও কবিতা তেখেতে লিখি উলিয়াইছিল। সেই কবিতাৰ আৰ্হিত অনুসৰণ কৰি শ্ৰীকৃষ্ণ, ব্যাস, বাল্মিকী আদিক সুঁৱৰি নলিনীবালা দেৱীয়ে কেইবাটাও কবিতা লিখি প্ৰকাশ কৰি উলিয়ায় তেখেতৰ কবিতা পুথি 'যুগদেৱতা'ত।

১৯৬২ চনত চীনৰ ভাৰত আক্ৰমণ কৰাৰ সময়ত নলিনীবালা দেৱীয়ে লিখি উলিয়ায় তেখেতৰ পঞ্চম কবিতাপুথি 'জাগৃতি'। 'জাগৃতি'ত লিখা বেছিভাগ কবিতা আছিল দেশপ্ৰেমমূলক। চীন যুদ্ধৰ সময়ত 'জাগৃতি'ত লিখা কবিতা গানলৈ ৰূপান্তৰিত কৰি অসম কেশৰী অম্বিকাগিৰি ৰায় চৌধুৰী আৰু বহুজনে মাইকযোগে গাই ফুৰিছিল।

'জাগৃতি' কবিতা পুথিখন চৰকাৰে ছপা কৰি উলিয়ায়। ইয়াত লিখা আটাইবিলাক কবিতাই মানুহৰ মনত দেশাত্মবোধ জগাই তুলিব পাৰে। 'জাগৃতি' ৰচনা কৰি উলিওৱাৰ পিছত নলিনীবালা দেৱীয়ে লিখি উলিয়ায় তেখেতৰ ষষ্ঠ কবিতাপুথি 'অলকানন্দা'। 'অলকানন্দা'ত গতানুগতিক ভাৱে বিভিন্ন সময়ত লিখা কিছুমান কবিতা প্ৰকাশ পায়। এই কবিতা পুথিখন ১৯৬৮ চনত সাহিত্য একাডেমী বঁটা লাভ কৰিবলৈ সক্ষম হয়।

নলিনীবালা দেৱীয়ে দেউতাক নবীনচন্দ্ৰ বৰদলৈৰ মহান আদৰ্শপূৰ্ণ জীৱনটিক লৈ ১৯৪৮ চনত প্ৰকাশ কৰি উলিয়ায় তেখেতৰ একমাত্ৰ জীৱনী গ্ৰন্থ 'স্মৃতিতীৰ্থ'। বহুদিন আগৰে পৰা অসমৰ জনসাধাৰণে উৎসুক ভাৱে কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ জীৱন সোঁৱৰণী





এখনি পাবলৈ মানস কৰি আছিল। 'স্মৃতিতীৰ্থ' অসমীয়া সাহিত্য ভঁৰাললৈ এক আপুৰুগীয়া দান স্বৰূপ।

এই মহিয়সী কবি গৰাকীৰ মৃত্যুৰ প্ৰায় এবছৰ পূৰ্বে প্ৰকাশ হৈ ওলায় তেখেতৰ আত্ম জীৱনীমূলক গ্ৰন্থ 'এৰি অহা দিনবোৰ'। এই গ্ৰন্থখনিৰ পাতনিত কবিয়ে কৈছে,—"ওৰ নোহোৱা জীৱন-যুঁজত যুঁজি যুঁজি গৈ আছোঁ, তথাপি জানো ভাগৰি পৰিছোঁ?' উত্তৰ পাওঁ, মহান ভাৰতীয়ৰ সংস্কৃতিৰ সন্তান আমি, ভাগৰি পৰিম কিয়?...............ব্যক্তিগত বিষাদ-ব্যথাৰ মাজতো সুন্দৰ চিন্তাত জড়িত হৈ থকা জীৱনৰ আনন্দ অন্বেষণৰ অমৃত প্ৰসাদ।" এয়া আছিল প্ৰাচীন ভাৰতৰ উপনিষদ আৰু বেদান্ত-বাণী।

তেখেতৰ কবিতাৰ ছন্দে ছন্দে এই বাণীৰে প্ৰকাশ আমি দেখিবলৈ পাওঁ—

"মানুহৰ দুচকুৰ অসীম সৌন্দৰ্য্য-তৃষ্ণা
সুখ-আশা, হেঁপাহ বুকুৰ,
নহয় ই মৰতৰ ক্ষন্তেকীয়া জীৱনৰ
সুখ-আশা পৰম পদৰ,
ৰূপ-তৃষ্ণা চিৰ সুন্দৰৰ।" ■

*"যিবোৰ কথাই, কামে, চিন্তাই, প্ৰয়াস আৰু প্ৰচেষ্টাই মানুহক তলৰ খাপলৈ নমাই নি মানুহৰ জীৱনক দুখময়, ব্যাধিময়, দুৰ্নীতিময় কৰি নিৰানন্দময় কৰি তোলে, মানুহক মানুহ গুচাই পিশাচ কৰে, অসুৰ কৰে, সিয়েই দুস্কৃতি।"*

—জ্যোতিপ্ৰসাদ

# কবিতা

## ১৯৯৬-৯৭ চনৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ প্ৰতিযোগীসকল ঃ



তাৰিফুল ইচলাম
বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ



ভাগ্য ডেকা
শ্ৰেষ্ঠ খেলুৱৈ, ছোৱালী শাখা



জুমি কলিতা
বছৰৰ শ্ৰেষ্ঠ গায়িকা



সত্যেন্দ্ৰ কলিতা
বছৰৰ শ্ৰেষ্ঠ অভিনেতা



কল্যাণী মেধী
বছৰৰ শ্ৰেষ্ঠ অভিনেত্ৰী



গীতুমণি বৈশ্য
শ্ৰেষ্ঠ পৰিচালিকা



ৰাউফুদ্দিন আহমেদ
একক কেৰাম চূড়ান্ত বিজয়ী



চৈয়দ মজাহাৰুল ইচলাম
শ্ৰেষ্ঠ বেডমিণ্টন একক, দ্বৈত আৰু টেবুল টেনিছ একক।



চৈয়দ তফিকুল ইচলাম
শ্ৰেষ্ঠ ভলীবল খেলুৱৈ



মঃ আজাহাৰুল ইচলাম
কেৰাম দ্বৈত চেম্পিয়ন



ৰুহুল ইচলাম
কেৰাম দ্বৈত চেম্পিয়ন



চৈয়দ নয়মূল ইচলাম
দবা প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ



চৈয়দ চফিকুল ৰহমান
শ্ৰেষ্ঠ মাৰ্চেলাৰ (টাইকুৱানডু)



শ্ৰীদিগন্ত শৰ্মা
বছৰৰ শ্ৰেষ্ঠ ভৰত্তোলক



শ্ৰীঅভিজিৎ দাস
বছৰৰ শ্ৰেষ্ঠ তাৰ্কিক

## ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ ১৯৯৬-৯৭ চনৰ বাৰ্ষিক বিভাগীয় সম্পাদকসকল ঃ



অৰূপ দাস
উপ-সভাপতি



শ্ৰীঅভিজিৎ দাস
সাধাৰণ সম্পাদক



অনিল বড়ো
সহকাৰী সাধাৰণ সম্পাদক



কন্দৰ্প শালৈ
সম্পাদক, তৰ্ক আৰু সাহিত্য



ৰিজু বৰা
সম্পাদিকা, সাংস্কৃতিক বিভাগ



মুকুট কলিতা
ভাৰপ্ৰাপ্ত সম্পাদক, সমাজসেৱা বিভাগ



চৈয়দ অহেদুৰ ৰহমান
সম্পাদক, গুৰু খেল বিভাগ



কংকন কলিতা
সম্পাদক, লঘু খেল বিভাগ



নয়নজ্যোতি কলিতা
সম্পাদক, ছাত্ৰ জিৰণী কোঠা



ছজিদা আহেমদ
সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা



কুইজ প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰা প্ৰতিযোগীসকল বাওঁফালৰ পৰা ক্ৰমে ঃ শ্ৰীসমীৰ কুমাৰ চেতিয়া, জীতেন্দ্ৰ নাথ শালৈ, শ্ৰীলক্ষী কান্ত দাস।



তৌচিফ শইকীয়া, মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভাত যাৰ গানে ছাত্ৰ-ছাত্ৰীসকলক মতলিয়া কৰি তুলিছিল।



কাহিলীপাৰাত অনুষ্ঠিত N.S.S ৰ শিবিৰত যোগদান কৰা মহাবিদ্যালয়ৰ দলটি। ঠিয় হৈ (বাওঁফালৰ পৰা) ঃ কন্দৰ্প শালৈ, নয়নজ্যোতি কলিতা আৰু জয়ন্ত কলিতা। বহি (বাওঁফালৰ পৰা) ঃ দীপামণি বড়ো, অৰ্চনা চৌধুৰী। বিঃ দ্ৰঃ—ফটোত অনিল বড়ো অনুপস্থিত।





## বেদনা

শ্ৰীদীপিকা ভাগৱতী
স্নাতক, তৃতীয় বৰ্ষ (কলা)

বুকুত অপ্ৰত্যাশিত
বেদনা লৈ
যোৱা নিশা
উজাগৰে আছিলোঁ
গভীৰ এটি আন্ধাৰ নিশা।

দুচকুত কেৱল
নিগৰি আহে
অশ্ৰু কণাবোৰ
যেন ৰাইন নৈৰ সোঁত
মই যেন এটি কৃষ্ণকূপ।

জীৱন-চাহাৰাত
মিছা মৰীচিকা
খেদি খেদি
ভাগৰি পৰিছোঁ
মই মাথো এটি তৃষ্ণাতুৰ বেদুইন।

নিঃসঙ্গ ভাৱে
চকুলোঁ টুকি
নীৰৱে নিৰলে
আছোঁ মাথো জীয়াই
কদাকাৰ এই ব্যস্ত পৃথিৱীত।

❁❁❁❁❁❁❁

## জ্বলি থকা শব্দবোৰ

শ্ৰীমোহন নমঃশূদ্ৰ
স্নাতক ১ম বাৰ্ষিক (কলা)

কোনো কবিয়ে এতিয়া
মূক বধিৰ হৈ থাকিবলৈ নোৱাৰে
জ্বলি থকা শব্দবোৰৰ বাবে।
উত্তপ্ত হৈ পৰিছে
এই ভয়ংকৰ শব্দবোৰ
যেনিয়ে তেনিয়ে—
আহ! শব্দ পোৰাৰ কিযে
ভয়ংকৰ গোন্ধ!

ডেউকা মেলিব পৰা নাই চৰাইবোৰে
উশাহ ল'ব পৰা নাই পথবোৰে
কোনেও চাপিব পৰা নাই
শব্দৰ কাষ
ৰঙা হৈ পৰিছে জোনাকবোৰ
শব্দৰ উত্তাপত।

বিশাল অৰণ্য, নদী আৰু আকাশ
ক্ৰমাৎ গলি আহিছে
শিলৰ পাহাৰবোৰ
সকলো কীৰ্তি-চিহ্ন
উদ্যান-শ্মশান—
অস্বচ্ছে এতিয়া;
শব্দৰ জুইৰ শিখাত।



❁❁❁❁❁❁❁



# মোৰ মুক্তিৰ প্ৰশ্নত

(৺লিপিকা কলিতাৰ স্মৃতিত)

শ্ৰীকবীন্দ্ৰ নাথ ডেকা
স্নাতক, তৃতীয় বৰ্ষ (কলা)

তোমালোকে
মোক হত্যা কৰিলা ঠিকেই
কিন্তু মোৰ মুক্তি হ'ল।

তোমালোকে
বিপ্লৱ কৰিছা ঠিকেই
যুক্তি মাথো, মুক্তি লাগে
কিন্তু কিহত...............?
গণহত্যাত নে জনস্বাৰ্থত?

তোমালোকে বিচৰা স্বাধীনতা
মোৰ পকেটত নাছিল
নাছিল মোৰ হাতৰ মুঠিত
আছিল মাথো
সেইসময়ত
আঁজলি ভৰাই দিব পৰাকৈ
ভোগালীৰ ভোগজৰা।

তোমালোকে
মোক হত্যা কৰিলা ঠিকেই
কিন্তু,
মই স্বাধীনতা পালোঁ।
অন্ততঃ মৃত্যু-স্বাধীনতা।

✪✪✪✪✪✪

# সূৰ্য, তুমি ক'ত?



শ্ৰীবঙ্কিম কলিতা
স্নাতক, ২য় বৰ্ষ (কলা)

হৃদয়ৰ গভীৰ কঁপনিয়ে
হঠাৎ কঁপাই তোলে উৎকণ্ঠাৰ হাজাৰ মিছিল
'সূৰ্য, তুমি ক'ত?'

সূৰ্য বিহীন বহু আন্ধাৰ ঢাপলি মেলে
একেটি প্ৰশ্ন বিচাৰি—'সূৰ্য, তুমি ক'ত?'

প্ৰসৱ যন্ত্ৰণাত কেঁকাই থকা অৱলা নাৰীয়ে
বাৰে বাৰে চাই খিড়িকীৰ ভগা ফাঁকেৰে
পদূলি মুখত অপেক্ষিতা প্ৰেমিকাৰ দৰে,
অন্ধ গলিৰ কোনো এক গাভৰুৰ মুমূৰ্ষ যৌৱনেও
বিচাৰি যায়, শেষ আশা ঃ এটি মাত্ৰ সূৰ্য।

হঠাৎ পুৱতিত
ফুট পাথৰ বুকুৰ লেতেৰা প্ৰাণীবোৰ
হাতে হাতে জুই-শিখা লৈ লগ লাগিছে
জুইবোৰ একত্ৰিত কৰি সিহঁতে হেনো সৃষ্টি কৰিব
এটি নতুন সূৰ্যৰ।

সঁচা পোহৰৰ জন্ম দিব,
সঁচা সূৰ্যই পোহৰ দিব,
একেটি প্ৰশ্নই যেন উত্তৰ পাব—
সূৰ্য, তুমি ক'ত?

✪✪✪✪✪✪





# হেৰোৱা বাঁহীৰ সুৰ



শ্ৰীদিলীপ কলিতা
স্নাতক, তৃতীয় বৰ্ষ (কলা)

তুমি যেতিয়া মোৰ কাষলৈ আহিছিলা
আকাশে উচুপিছিল
আৰু মই?

তোমাৰ কাষতে বৈ বিচাৰিছিলোঁ
হেৰুৱা বাঁহীৰ সুৰ
তুমি হাঁহিছিলা
এক নিৰ্বোধ হাঁহি।

সঁচাকৈয়ে মোৰ তেনেকুৱাই লাগিছিল
কিয় জানো মোৰ বুকুখন বিষাই গৈছিল
মইতো জনা নাছিলোঁ
তোমাৰ হাঁহিয়ে মোক কন্দুৱাই বুলি
তুমি জানো নাজানা?

তোমাৰ হৃদয়খন হেনো হেৰাই থাকিল
কাজিৰঙাত নে জন-সমুদ্ৰত (?)
মোৰ বুকুতো আজিকালি শুনো
ভেলেঙীৰ উচুপনি
তুমি উলটি অহালৈ কিজানি
হৃদয়খন অৰণ্যই হয়গৈ!

◆◆◆◆◆◆

# আঘোণ

মঃ আনোৱাৰ হুছেইন
উঃ মাঃ ১ম বাৰ্ষিক (কলা)

সন্ধিয়াটোৰ প্ৰাৰ্থনাত
বাঁহীৰ সুৰত জোনাক নামিছিল,
তাৰেই এমুঠি জোনাক
উদং দেহাটিত ছটিয়াই লৈ
তাই হ'ল পথাৰ—।



ৰ'দৰ উজ্জ্বলতাত অদৃশ্য হ'ল
দুৱৰিবোৰৰ সপোন;
দুই এটা বিচাৰি পাই
তাই হ'ল সোণোৱালী।
এতিয়া এজাক জোনাকীৰ বাবে
তাই নিজেই জ্যোতিষ্মান।

# মই কোন?

শ্ৰীনাৰায়ণ কলিতা
স্নাতক, ২য় বাৰ্ষিক (কলা)

মই মোক বিচাৰি
চলাথ কৰিলোঁ,
চিনিয়ে নাপালোঁ
মই কোন?
নিশাৰ স্তব্ধতাত নীৰৱ পৃথিৱীৰ বুকুত
প্ৰভাতৰ উষাৰ পোহৰত
হাবাথুৰি খালোঁ,
কিজানিবা চিনিয়ে পাওঁ
মই কোন?
উভতি আহোঁতে কৈ যাবাচোন
মোৰ পৰিচয়,
তুমি কিজানি পোৱাই বিচাৰি
মোৰ ডায়েৰী বহীৰ
কোনোবা এটি পাতত।



# দুহিত্রী বেদনা

শ্ৰীমামনি কলিতা
স্নাতক, ১ম বাৰ্ষিক (কলা)



মৃত্যু লাগে—
এটি ধ্বংসৰ—
য'ত ঘটিছে
মৃত্যু আশাৰ।

তাইৰ পৰিশোধিত
শুভ্ৰ বস্ত্ৰৰ আঁৰত,
মাজে মাজে উদ্ভাসিত হয়
বিশাল সাগৰৰ আৱৰ্ত্ত।

যেতিয়া,
তাইৰ মন-দাপোনত
আৰ্তনাদ কৰে
আতংক ভৰা অমাৱস্যাৰ নিশাই
উশৃংখল ভাৱে।

বিষাদৰ দুহিত্ৰী বেদনা
প্ৰতিটো পলৰ সংগী,
তাইৰ জীৱন-মৰুৰ।

ক্ষুধাৰ্ত্ত বহুজনৰ বাবে
তৃষ্ণাৰ সাগৰ আশা
দুপৰৰ ৰ'দ কাঁচলিতে
তাইক কৰা হ'ল অধিকাৰী
এখনি শুভ্ৰ বস্ত্ৰৰ।

কাম্য মাথো—এখনি শয্যা
য'ত
ৰচিব বিচাৰে শান্তিৰ সমাধি
তাইৰ নিৰল নিস্তব্ধ
মন দাপোনৰ আশাই।

◎◎◎◎◎◎

# বাসনা

শ্ৰীবাবুল দত্ত
স্নাতক, তৃতীয় বৰ্ষ (কলা)



মনৰ বাসনা
মনতেই ৰৈ গ'ল
বহুতো দেখিও কিবা এটা যেন
নেদেখা হ'লো।

বহুতো থাকিও
নথকা যেন লাগে
পোৱা-নোপোৱাৰ দোমোজাত
মনটো বেজাৰতে মৰে।

কিবা এটা যেন বিচাৰি
মনে উগুল-থুগুল কৰে।

সমাধান বিচাৰিয়ো
নাপালোঁ কোনো উত্তৰ।

তোমাৰতো আছে
এটি মন
নাজানোঁ মনটো কিদৰে কঁপে।

◎◎◎◎◎◎





# মৃত্যুৰ শীতল কোলাত



মঃ আজাহাৰুল ইছলাম
স্নাতক, তৃতীয় বৰ্ষ (কলা)

মই বিচাৰিছিলোঁ
মৃত্যুৰ শীতল কোলাত
চিৰ শান্তিৰ ঠাই
জীৱনৰ ব্যৰ্থতাবোৰৰ বাবে।

মোৰ মনোভাৱ বুজি এদিন
মৃত্যুৱে মোক স্পৰ্শ কৰিছিল
তেতিয়া কিছু সময় ৰ'ব কৈছিলোঁ
মোৰ বাবে অপেক্ষা কৰিছিল।

আৰু মই?
মই যেতিয়া অপেক্ষা কৰিছিলোঁ তোমাৰ বাবে
চকু যুৰিয়েও মোক আমনি দিছিল
তোমাক চোৱাৰ বাবে
তুমিতো নাহিলা।

জানা, তোমাৰ অপেক্ষাত
চকু যুৰিয়ে বহু সময়লৈ টোপনি যোৱা নাছিল
আৰু মোৰ হৃদয় বহু আগতে টোপনি গৈছিল
সিহঁতে বুজি পাইছিল
তোমাৰ নিৰ্দয়তা
সিহঁতো শুই পৰিছিল
মোৰ লগত
মৃত্যুৰ শীতল কোলাত!

✪✪✪✪✪✪

# অধা অঁকা ছবি

শ্ৰীদ্বীপজ্যোতি কলিতা
স্নাতক, ১ম বৰ্ষ (কলা)



তাইৰ জীৰ্ণ শৰীৰত
থিয় হৈ আছে মাথো
যুগল কান্তি ক্ষেত্ৰদ্বয়।

আগফালৰ কোলাত
কেঁচুৱাৰ বিমংগল আৰ্তনাদ
অন্ন-বস্ত্ৰ, বাসস্থানৰ
কিযে খেলি-মেলিৰ কান্দোন।

জীয়াই থকাৰ তাগিদাত
কৰ্মসংস্থানৰ অহৰহ প্ৰচেষ্টা
সংস্থান!
কিন্তু এতিয়াও সময়
উপস্থিত হোৱা নাই।

ৰাইজ আজি নিস্তব্ধ! নিৰুত্তৰ কিয়?
দুৰ্বাৰ আশা, অনুৰাগ, হেঁপাহ
তাইৰ অন্ত পৰিল
নিলাজ পিশাচহঁতে
বাৰে বাৰে কৰিছে ঠগ আৰু প্ৰৱঞ্চনা।

তাইৰ বৈপ্লৱী সমাধান
হুচিয়াৰ! হুচিয়াৰ
ঐক্যবদ্ধভাৱে
তাইক লাগিব
জীয়াই থকাৰ অধিকাৰ।

✪✪✪✪✪✪

## শেৰ শায়েৰী

সংগ্ৰাহক ঃ মঃ আবুবক্কৰ আলী
স্নাতক ১ম বাৰ্ষিক (কলা)

১। ইমতেয়াজো হজৰতো ৰঞ্জো
আলম খাতা ৰহা
গম পৰা ইতনা কে অব্
এহশ্বাসে গম যাতা ৰহা।।

- *দুখ, বেদনা, হাঁহি আৰু কান্দোন একাকাৰ হৈ গৈছে মোৰ জীৱনৰ লগত। হঠাৎ যদি বেদনাৰ অৱসানৰ ঘটে সেইটোৱেই হ'ব সকলোতকৈ বেদনাদায়ক।*

২। উমৰেদৰাজ মাংগকে লায়ে থে চাৰ দিন
দো আৰজুমে কট গয়ে দো ইন্তেজাৰমে।

- *ঈশ্বৰৰ ওচৰত মাত্ৰ চাৰি দিনৰ জীৱনৰ ভীক্ষা লৈ আহিছিলো। তাৰ দুদিন গুচি গ'ল আকাঙ্খাত আৰু দুদিন গুচি গ'ল অপেক্ষাত, জীৱন সেয়ে দুদিন স্বপ্ন দেখাৰ কাৰণে আৰু দুদিন স্বপ্ন ভঙ্গৰ।*

৩। আদমী উসকো ন জানিয়েগা
জিসে আয়শ মেঁ য়াঁদে খুদা ন ৰহী
জিসে আয়শ মেঁ খোদা যুদা না হো।

- *তেওঁ মানুহেই নহয় যিজনে সুখৰ দিনত ঈশ্বৰক পাহৰি যায় আৰু অহংকাৰত ভগৱানলৈ ভয় নকৰে।*

৪। দিলে বৰবাদ কী ভী কহনেওৱালে দিল হী কহতে হায়
খিজাঁ-দীদা চমন কী ভী চমন কহনা হী পড়তা হায়।

- *যি হৃদয়ৰ পৰা প্ৰেমে বিদায় লৈছে, যি হৃদয় শূন্য হৈ গৈছে, সেই হৃদয়কো হৃদয়েই কোৱা হয়। যিদৰে ফুল শুকাই যোৱা বাগিছাকো বাগিছা বুলিয়েই কোৱা হয়। প্ৰেমহীন হৃদয়ক জানো হৃদয় বুলিব পাৰি? মৰুভূমিক জানো নন্দন কানন কোৱা উচিত?*

৫। চন্দ্ ফুল হি কাফী হ্যায় কী দেনে কে লিয়ে
হাজাৰ ফুল থী কম হ্যায় এক দুলহন কো সাজানে কে লিয়ে
এক গম হি কাফী হ্যায় ওমৰ ভৰ ৰোলানেকে লিয়ে।

- *কেইটামান ফুলেই যথেষ্ট মৰাশ নিবলৈ হেজাৰটা ফুলো কম হয় কইনা এজনী সজাবলৈ এটা দুখে যথেষ্ট আজীৱন কন্দুওৱাৰ বাবে।* ✪✪✪





জানো আহক

## পৃথিৱীৰ বিভিন্ন দেশৰ মুদ্ৰাৰ নামাকৰণ

সংগ্ৰাহক ঃ শ্ৰীপ্ৰণৱ কুমাৰ শৰ্মা
স্নাতক, ৩য় বৰ্ষ (কলা)

| দেশ | | মুদ্ৰাৰ নাম | দেশ | | মুদ্ৰাৰ নাম |
|---|---|---|---|---|---|
| ১। জাপান | ⇨ | য়েন। | ১৮। নৰৱে | ⇨ | ক্ৰোন। |
| ২। ৰুছিয়া | ⇨ | ৰুবল। | ১৯। হলেণ্ড | ⇨ | গিল্ডাৰ। |
| ৩। ইটালী | ⇨ | লয়াৰ। | ২০। পোলেণ্ড | ⇨ | স্লোটি। |
| ৪। চীন | ⇨ | ইউয়ান। | ২১। থাইলেণ্ড | ⇨ | ৰাআত। |
| ৫। ইংলেণ্ড | ⇨ | পাউণ্ড | ২২। ফিনলেণ্ড | ⇨ | মাৰ্ক। |
| ৬। অষ্ট্ৰেলিয়া | ⇨ | পাউণ্ড | ২৩। ইৰাক | ⇨ | ৰীয়েল। |
| ৭। আমেৰিকা | ⇨ | ডলাৰ | ২৪। ইৰাণ | ⇨ | ডিনাৰ। |
| ৮। কানাডা | ⇨ | ডলাৰ | ২৫। ৰুমানিয়া | ⇨ | লাই। |
| ৯। যুগোশ্লাভিয়া | ⇨ | ডলাৰ | ২৬। হাঙ্গেৰী | ⇨ | ফৰিণ্ট। |
| ১০। মালয় | ⇨ | ডলাৰ | ২৭। মেক্সিকো | ⇨ | পেচো। |
| ১১। জাৰ্মানী | ⇨ | ডিয়েচমাৰ্ক। | ২৮। বেলজিয়াম | ⇨ | বেলজা। |
| ১২। ফ্ৰান্স | ⇨ | ফ্ৰাঙ্ক। | ২৯। চুইডেন | ⇨ | ক্ৰাউন। |
| ১৩। চুইজাৰলেণ্ড | ⇨ | ফ্ৰাঙ্ক। | ৩০। পৰ্তুগাল | ⇨ | এচকিউডো। |
| ১৪। ইজৰাইল | ⇨ | পাইণ্ড। | ৩১। সিংহল | ⇨ | ৰূপী। |
| ১৫। ইজিপ্ত | ⇨ | পাইণ্ড। | ৩২। ব্ৰহ্মদেশ | ⇨ | কায়াত। |
| ১৬। ছিৰিয়া | ⇨ | পাইণ্ড। | ৩৩। পাকিস্তান | ⇨ | টাকা। |
| ১৭। ডেনমাৰ্ক | ⇨ | ক্ৰোন। | ৩৪। ভাৰত | ⇨ | টকা। |

## পৃথিৱীৰ বিভিন্ন দেশৰ জাতীয় প্ৰতীকসমূহৰ নামাকৰণ

| দেশ | | জাতীয় প্ৰতীক | দেশ | | জাতীয় প্ৰতীক |
|---|---|---|---|---|---|
| ১। ইংলেণ্ড | ⇨ | গোলাপ ফুল। | ৭। স্পেইন | ⇨ | ডালিম। |
| ২। ইৰাণ | ⇨ | গোলাপ ফুল। | ৮। অষ্ট্ৰেলিয়া | ⇨ | কেংগেৰু |
| ৩। গ্ৰীচ | ⇨ | ভায়লেট ফুল। | ৯। ৰাছিয়া | ⇨ | কাচি-হাতুৰী। |
| ৪। জাপান | ⇨ | চন্দ্ৰমল্লিকা ফুল। | ১০। পাকিস্থান | ⇨ | অৰ্ধচন্দ্ৰ। |
| ৫। ইটালী | ⇨ | শ্বেতপদ্ম। | ১১। ভাৰত | ⇨ | অশোক স্তম্ভ। |
| ৬। চীন | ⇨ | নাৰ্মিচাছা ফুল। | | | |

# কুইজ

সংগ্ৰাহক— দ্বীপজ্যোতি কলিতা
নৃপেন ডেকা

১। প্ৰথম বিশ্বকাপ ফুটবল কিমান চনৰ কিমান তাৰিখে হৈছিল।
২। পৃথিৱীৰ আটাইতকৈ ডাঙৰ জন্তুটোৰ অভিলেখ হ'ল ১০৬ ফুট আৰু ওজন হ'ল ১৯৫ টন। প্ৰাণীটো কি?
৩। জ্ঞানপীঠ বঁটা বিজয়ী প্ৰথম অসমীয়া সাহিত্যিক আৰু গ্ৰন্থৰ নাম উল্লেখ কৰা।
৪। কোন গ্ৰন্থৰ জৰিয়তে অম্বিকাগিৰী ৰায়চৌধুৰীয়ে সাহিত্য একাডেমী বঁটা লাভ কৰে?
৫। ভাৰত আৰু ইণ্ডোনেছিয়া উভয়ৰে স্বাধীনতা সংগ্ৰামত অংশ গ্ৰহণ কৰা ভাৰতীয় জন কোন?
৬। বৰ্ত্তমানলৈ দুবাৰ মহাকাশ ভ্ৰমণ কৰা একমাত্ৰ মহিলা মহাকাশচাৰী কোন?
৭। ১৯৯৭ চনত বুকাৰ পুৰস্কাৰ বিজেতা কোন আৰু পুৰস্কাৰ প্ৰাপ্ত কিতাপ খনৰ নাম কি?
৮। ১৯৯৭ চনৰ মিছ ইণ্ডিয়া কোন ?
৯। ১৯৯৭ চনৰ ৰাজীৱ গান্ধী সদ্ভাৱনা বঁটা কাক প্ৰদান কৰা হয়।
১০। প্ৰথম আই. পি. এছ মহিলা কোন আছিল?

**উত্তৰ ঃ**

১। ১৯৩০ চনৰ ১৩ জুলাইৰ দিনা।
২। নীলা তিমি।
৩। ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য; গ্ৰন্থ — মৃত্যুঞ্জয়
৪। বেদনাৰ উল্কা নামৰ গ্ৰন্থৰ জৰিয়তে।
৫। সদ্য প্ৰয়াত বিজু পাটনায়ক।
৬। ৰাছিয়াৰ শ্বেতলালা শ্বাভিত স্কায়া।
৭। অৰুন্ধতী ৰয়, দি গড অৱ স্মল থিংছ।
৮। ডাইনা হেয়েডেন।
৯। লতা মঙ্গেশকাৰক প্ৰদান কৰা হৈছিল।
১০। কিৰণ বেদী।



# গল্প

গল্প



# উপলব্ধি

চৈয়দ নুৰুল ইছলাম আহমেদ
স্নাতক, তৃতীয় বৰ্ষ (কলা)

প্ৰণৱে কাহিলী পুৱাৰ এক মৃদু সুৱাস অনুভৱ কৰিলে। চকুৰ ফেচকুৰি মোঁহাৰি সি থিয় হ'ল আৰু বিচনাৰ একাষত ঘৈণীয়েক ৰুণুৱে এতিয়াও শুই আছে। ৰুণুৰ অজ্ঞাতানাৰেই প্ৰণৱে মুখ-হাত ধুই চাহ অলপ তপতালে। ফিকা চাহ কাপ পেটত লৈয়ে প্ৰণৱে কামলৈ যাব ওলাল।

ইতিমধ্যে ৰুণুও বিছনা এৰি নিজৰ অবিন্যস্ত সাজ বেশভূষা সংযত কৰি গিৰীয়েকক সুধিলে, "এই ৰাতিপুৱাই ক'লৈনো ওলাল?"

"কিয় আজি মুকুল ডাক্তৰৰ বিয়া নহয়, তালৈকে যাওঁ। পৰহিয়ে তেখেতে নেৰা-নেপেৰাকৈ কৈ থৈছে। ৰাতিপুৱাৰ পৰাই হেনো কামত ধৰিব লাগিব"—প্ৰণৱে গামোছাখন মূৰত মেৰিয়াই উত্তৰ দিলে। "দিনটো নাহিব নেকি?" ৰুণুৰ চকুত প্ৰশ্নবোধক চাৱনি। "বিয়াৰ কামটো, সোনকালে আহিব নোৱাৰিম হ'বলা। অ, মোৰ পলমেই হ'ল, জুহালৰ ওপৰত কেটলীটো তুলি থৈ দিছো—চাহ অলপ আছে।" কথাখিনি কৈয়ে প্ৰণৱে পদূলী পালে, পিছফালে—

কৌতুহলী দৃষ্টিৰে ৰুণুৱে গিৰীয়েকৰ প্ৰস্থানলৈ চাই ৰ'ল। তাইৰ চকুৱে-মুখে হতাশা আৰু খেলি-মেলিৰ ভাৱ স্পষ্ট। কিবা এটা ক'বলৈ ওলায়ো তাই যেন প্ৰকাশ কৰিবলৈ কষ্ট পাইছে।

কি অপ্ৰকাশিত কথাই ৰুণুক জড় কৰি পেলাইছে, তাক অইনে নুবুজিলেও কিন্তু প্ৰণৱে বুজে।

বাটে বাটে প্ৰণৱে বহুত কিবা-কিবি ভাবি গ'ল। নাভাবো বুলিও সেই একেটা সমস্যাৰ পৰা মনটোক মুক্ত কৰিব পৰা নাই। ঘৰত খাবলৈ আছে কি? ভোকত ল'ৰা-ছোৱালীহালে চিঞৰি চিঞৰি কান্দিব নেকি? বেচেৰী মাকজনীয়েনো কেনেকৈ উপায় চিন্তিব ৰাতিপুৱাৰ পৰা গধূলিৰ সাজলৈ। ভাবোতে চিন্তাতে প্ৰণৱে বিয়াৰ ৰভাতল পালে। তাৰ পিছত এক নতুন পৰিৱেশ—।

আলহি-অতিথিৰে বিয়া ঘৰ গিজ্ গিজাই আছে। পাক ঘৰৰ পৰা নাদৰ পাৰলৈ, পদূলীৰ পৰা ৰভাৰ তললৈ অলেখ অবাধ গতি। কোনোবাই খাইছে, কোনোবাই কথাৰ মহলা মাৰিছে। মুঠতে কাৰো গাত তৎ নাই। সকলো আজি ব্যস্ত।

তাৰেই মাজতে প্ৰণৱো ব্যস্ত। ঠাই চাফা কৰা, পানী তোলা, দোনা-চতিয়া কটা, টেবুল-চকী কঢ়িওৱা, দোকানৰ পৰা ঘট্ চাকি অনা। আনকি নাদৰ পাৰত কাৰোবাৰ কেঁচুৱাই খেলিছে তাকো চোৱা-চিতা কৰা ইত্যাদি বহুত কাম।

চাওঁতে চাওঁতে পূব আকাশৰ বেলি মূৰৰ ওপৰেদি পাৰ হৈ পশ্চিম আকাশত মাৰ গ'ল। বেলিৰ অনুপস্থিতিত বিজুলী চাকিয়ে পোহৰ ছটিয়ালে উৎসৱৰ চুকে-কোণে।

যিমানে সময় আগবাঢ়িল সিমানে প্ৰণৱৰ চিন্তা বাঢ়িল। একেবোৰ কামকে মেচিনৰ দৰে কৰিও শেষ কৰিব পৰা নাই। এতিয়া যদি পঁচিশ জনে খায় যায়,

দুনাই আকৌ ত্ৰিশ জন সোমায়। মাকোঁৰ নিচিনা ইফাল-সিফাল কৰি প্ৰণৱে তৎ পোৱা নাই। অসহ্যত অকণ জিৰণী লওঁ বুলি চুকটোত বহোতেই সি শুনিলে 'পিতাই!" ঘূৰি চাই দেখে তাৰ অকণমানি পুতেক মোহন। প্ৰণৱ আচৰিত হৈ উঠিল।

"তই আকৌ কিয় আহিলি?" প্ৰণৱে পুতেকক মৰমেৰে সুধিলে—

"কিয় বিয়া খাবলৈ আকৌ" পুতেকে উত্তৰ দিলে। সুলকি পৰিব খোজা হাফ্ পেণ্টাটো ওপৰলৈ টানি সি আকৌ ক'বলৈ আৰম্ভ কৰিলে—"মই আচলতে কেতিয়াবাই আহিছিলো পিতাই। কোনোপধ্যেই ভিতৰ সোমাব পৰা নাছিলো। কেইটামান দাড়ি-গোফ থকা ল'ৰাই মোক গতিয়াই উলিয়াই দিলে। মই বোলে কেবাবাৰো খাইছোঁ। শেষত সেই যে আঁৰ কাপোৰখনত ফুটা এটি আছে তাতেই মই লুকাই থাকিলো। জুমি চাই দেখো আমাৰ ওচৰৰ মোস্তাকৰ লগত বহা মানুহজনে অলপ খায়ে গোটেইখিনি এৰিছে আৰু লগৰ জনে আকৌ নুচুৱাকৈয়ে উঠিবলৈ চল চাই আছে। তেওঁলোক উঠাত আঁৰ কাপোৰখন আঁতৰাই সাউত কৰে দুয়োজনৰ আহাৰখিনি লৈ আহিলোঁ। মোৰ কি ভাগ্য পিতাই! তেওঁলোকে মিঠাই দুটাও এৰিছিল। আন্ধাৰত বহি খাই থাকোতেই কোনোবাই মোৰ মূৰৰ ওপৰতে মুখ ধুলে। মই তৰকিবই নোৱাৰিলো। ই-মা-ন খং উঠিছিল, কিন্তু খোৱা শেষ কৰি দোনাটোত লাগি থকাখিনি চেলেকি থকা বাবেহে..............।

প্ৰণৱৰ আৰু পুতেকৰ কথা শুনাৰ ধৈৰ্য্য নাথাকিল। বুকুখনৰ কোনোৱা এটা অংশত বিষাই উঠিল। পুতেকক সোনকালে ঘৰলৈ যাবলৈ দি সি পুনৰ কামত ধৰিলে।

লাহে লাহে মানুহৰ ভীৰ কমিল। ঠাইবোৰ শান্ত হৈ পৰিল। ল'ৰা-ছোৱালীৰ দৌৰা-দৌৰিৰ লগতে দৰাৰ ওচৰত উপহাৰ হাতত লৈ অপেক্ষা কৰি থকা অতিথিও পাতলিল। দুই এজনে বস্তু-বাহিনী সামৰিব ধৰিলে। দৰাৰ লগত যাবলৈ ওলোৱাবোৰে সাজি-কাচি সাজু হৈ থাকিল। খোৱা-লোৱা বন্ধৰ লগতে পোহৰ হৈ থকা ঠাইবোৰ আন্ধাৰ হৈ আহিল।

কামৰ হেঁচাত প্ৰণৱে সময় নাপাই শেষ সময়ত যাবলৈ ভিতৰ সোমাল। কিন্তু অভ্যৰ্থনা কোঠাত একোৱেই নাই, ডেক্স-বেঞ্চ, তেনেই উশৃঙ্খল চৰিয়া বাল্টি উদং। ক'তো একো পাবলৈ নাই, মাটিত পৰাখিনিও কুকুৰ সোমায় অমৃত খোৱাদি চেলেকিছে। বিলম্ব নকৰি প্ৰণৱে মুনিন্দ্ৰৰ মাককে কিবা অলপ খাবলৈ খুজিলে।

কিছু সময়ৰ পিছত মুনিন্দ্ৰৰ মাকে এদোনা দৈ চিৰাৰ সৈতে মিঠাই এটা প্ৰণৱৰ হাতত তুলি দিলে। তাইও বেঙী মানুহ বুলিহে লচ্‌পচ্‌কৈ সেই ফেৰা প্ৰণৱক উপকাৰ কৰিলে। একেটা পথৰে পথিক হেতুকে তাই ভালকৈয়ে বুজে প্ৰণৱৰ নিচিনা মানুহৰ পেটত ভোকৰ যন্ত্ৰণা কিমান অসহ্যদায়ক। বস্তুখিনি দিয়েই তাই কিবা কিবি কৈ গ'ল। মুখেৰে কি ক'লে তাক হ'লে প্ৰণৱে একো বুজি নাপালে। হাতৰ পাক্ ঘূৰণীবোৰ অধ্যয়ন কৰি সি ইয়াকে বুজিলে,—"নেদেখাত লৈ যা আৰু তপাতপ্ গিলি থ।"

লুকাই খাওঁতে ইপিনে দৰা গৈ কইনা ঘৰ পাবলৈ হ'ল। ইপনে পেটৰ ভোক আনপিনে দিনটোৰ হাজিৰা দুইফালে দুই চিন্তা। বাহিৰ ওলায়েই প্ৰণৱৰ মূৰ ঘোলা হৈ গ'ল। ৰভাতলী খালী—মৰিশালিৰ পৰিৱেশ। যি কেইটা প্ৰাণীয়ে অহা-যোৱা কৰি আছে সিহঁতৰ খোজেই কয়—আমাক বেতন খুজিলে ক'ত পাবি? আমিটো কাম কৰিবলৈ মতা নাছিলো? অসহায় অৱস শৰীৰেৰে প্ৰণৱে অৱশেষত ঘৰৰ ফালে খোজ ল'লে। প্ৰতি খোজতে পথৰুৱা মুকলি বতাহ চাটিয়ে সোঁৱৰাই দিলে ৰুণুৰ অসহায় মুখখনিলৈ। যিখিনিৰ বাবে তাইক সঁহাৰি দি আহিছিল, যাৰ বাবে সি যন্ত্ৰণা পালে গোটেই দিনটো তাকো সি আনিব নোৱাৰিলে। এতিয়া কি স'তে সি ৰুণুৰ মুখলৈ চাব।

গিৰিয়েকৰ উপস্থিতি অনুমান কৰি ৰুণুই দুৱাৰ খুলি দিলে। ভিতৰত আন্ধাৰ দেখি বুজি পায়ো প্ৰণৱে সুধিলে—"তেল অকণো নাই নেকি?" অভিমানৰ সুৰত ৰুণুৱে কৈ উঠিল "তেলনো কিয় লাগিছে? ৰাতিপুৱাৰ পৰা কিবা বাকী আছেনে?" প্ৰণৱে হাত-মুখ ধুই পোনে বিচনাত পৰিল। মুখেৰে একো নকৈ তাইয়ো বিচনাত শুই পৰিল। প্ৰণৱে বুজিলে ৰুণুই অভিমান কৰাৰ কাৰণ কি? সেহাঁই সেহাঁই সি কৈ গ'ল—"জান ৰুণু, আমাৰ জীৱনবোৰ বৰ নিকৃষ্ট। এই পৃথিৱীখনত আমাৰ মূল্যই নাই। দিনটো কাম কৰিও মই তোৰ হাতত কিবা অলপ তুলি দিব নোৱাৰিলো। নাভাবিবি মই তোৰ কাৰণে মনত নেপেলোৱা বুলি। তই দুখ নকৰিবি। প্ৰণৱে আকৌ ৰুণুক ক'বলৈ ধৰিলে—"আমি হৈছো এচাম ধনী মানুহৰ খেলেনা স্বৰূপ। তেওঁলোকে আমাক যেনেদৰে ব্যৱহাৰ কৰিব খোজে তেনেকৈ ব্যৱহাৰ কৰিব পাৰে। এনেকৈ কৈ থাকোতে কোনোৱা ফালৰ পৰা মৃদু অথচ লোভনীয় সেমেকা গোন্ধ এটা আহি ৰুণুৰ নাকত লাগিল। গোন্ধৰ লগতে নিজৰ পেটৰ কথা পাহৰি গিৰীয়েকে কিবা খালে নে নাই তাকেহে চিন্তা কৰিলে। শেষত যেনিবা তাইৰ নাকৰ ওচৰত থকা গিৰীয়েকৰ হাতখনৰ পৰা সঁহাৰি পাই শান্তি পালে। মুকুল ডাক্তৰৰ বিয়াৰ উৎকৃষ্ট আহাৰৰ মধুৰ পৰশ এতিয়াও গিৰীয়েকৰ হাতত লাগি আছে। তাতেই তাই বুজি পালে যে গিৰীয়েকৰ দিনটোৰ পৰিশ্ৰমৰ অক্ষয় স্বাক্ষৰ। গিৰীয়েকে যে মুকুল ডাক্তৰৰ ঘৰত যুথা পেলাবৰ কাৰণে গৈছিল। এটা সময়ত তাই এই কথা ভাবি এই চাম মানুহে যে দিনৰ দিনটো পৰিশ্ৰম কৰিও ঘৰৰ কাৰণে একো অলপ আনি দিব নোৱাৰে এই কথা ৰুণুই প্ৰতি উশাহত উপলব্ধি কৰিব ধৰিলে—। প্ৰণৱে তাইৰ বাবে আনিলে কি? □□





## কৌতুক

ৰাজেন ঃ আমাৰ দেউতা ইমান ওখ যে নাৰিকল হাতেৰে চিঙি আনে।

নমিতা ঃ আমাৰ দেউতা ইমান ওখ যে কালি চন্দ্ৰটোৰ পৰা এমুঠি ধূলি লৈ আহিল।

ৰাজেন ঃ তোমাৰ দেউতাৰাই চন্দ্ৰৰ পৰা ধূলি আনোতে ক'লা ক'লা হাবিৰ দৰে কিবা দেখিছিল নেকি?

নমিতা ঃ ও দেখিছিলতো।

ৰাজেন ঃ (গহিনাই) সেইবিলাক আমাৰ দেউতাৰ দাড়ি আছিল। দেউতা তেতিয়া থিয় হৈ আছিল।

সংগ্ৰাহক ঃ ৰাজেন্দ্ৰ নাথ ডেকা
স্নাতক ১ম বাৰ্ষিক
বিজ্ঞান শাখা

গল্প



# অসময়ত বাতৰি

**শ্ৰীহেমন্ত কলিতা**
স্নাতক, দ্বিতীয় বাৰ্ষিক (কলা)

বিবাদ নাথাকিলে আমেজৰ মূল্যাংকন, দুখ নাথাকিলে সুখৰ মূল্যাংকন কৰাটো সম্ভৱ নহয়। হৰ্ষ-বিৰ্ষাদ, সুখ-দুখ, হাঁহি-কান্দোনৰে ভৰা জীৱন প্ৰকৃত জীৱন।

ক্লিং, ক্লিং................। কলিং বেলটো বাজি উঠিল।

অসহ্য যন্ত্ৰণা, আকৌ কোন আহিল। অলপ শান্তিত জিৰণী লব নিদিয়ে। অনিচ্ছা সত্বেও কৰ্ত্তব্যক দোহাই দি দুৱাৰখন খুলি দিলে অদীপে।

হেল্ল', মাই ফ্ৰেইণ্ড।

অদীপে গহীনাই মাত লগালে— কোন তুমি, কি লাগে তোমাক, এতিয়া সময় কিমান? দহ বাজি গৈছেনে? মোৰ ঘৰত এতিয়া আড্ডাৰ সময় নহয়। আৱেগৰ ধুমুহাত উৱাদিহ হেৰুৱাই যেন আৰু বহুত কব বিচাৰিছিল অদীপে।

হঠাৎ অদীপ থমকি ৰ'ল। আৰে বন্ধু, আহ। ইমান পলম কৰিছ কেলেই, ভিতৰলৈ আহ। বহ, বহ। ইমান বছৰৰ মূৰত..................।

কথা শেষ নৌহওঁতে আৰম্ভ কৰিলে বিৰাজে— আৰে ভাই তোৰ এই সাহিত্য-সাহিত্য লগা ভাষাবোৰ নুশুনাকৈ মই কেনেকৈ ভিতৰলৈ অহাৰ সাহস গোটাওঁ। অই' তোৰ বিয়া কৰোৱাৰ এবছৰহে হ'ল—তই ইমান সোনকালে তোৰ মানুহজনীৰ পৰা সাহিত্যৰ জ্ঞান আহৰণ কৰিলিনে? দুয়োজনে একেলগে হাঁহিবলৈ ধৰে।

বাদ দে সেইবোৰ—তই তিনি বছৰৰ মূৰত আমাৰ ঘৰলৈ আহিছ, আজি কিমান আনন্দৰ দিন। বাৰু তই ছুটী কিমান দিন লৈছ। বিয়া-বাৰুৰ কথা চিন্তা কৰিছনে নাই। সোনকালে বিয়াখন পাতি ল', নহ'লে..............।

হঠাৎ ৰৈ গ'লি যে, কি কৱ লগা আছে কৈ যা। ন-হ-লে—মাই ৰন্ধা' ভাত কিমান দিন খাম। অ'ই শুন, মই বিয়া নকৰালেও তইটো বিয়া কৰাইছ; তোৰ শ্ৰীমতীয়ে ৰন্ধা ভাত দুই এসাজতো তৃপ্তিত খাব পাৰিম। অ'ই অদীপ, তোৰ শ্ৰীমতীয়ে কথাবোৰ চাগে, ভিতৰৰ পৰা শুনি আছে। মোক অভিশাপ নিদিলেই ৰক্ষা।

বাল্য-বন্ধুৱেই নহয়, মহাবিদ্যালয়ৰ পৰ্য্যায়লৈ সহপাঠী বিৰাজে বহু কথাই কব বিচাৰিছিল যদিও, অদীপৰ চিন্তাক্লিষ্ট মুখখনলৈ চাই ৰৈ গ'ল।

খুৱা ফোন আহিছে। আকৌ অশান্তি, মুখৰ ভিতৰতে ভোৰ-ভোৰাই উঠি গ'ল অদীপ। হে'ল্ল, ফোনত হাঁহিৰ খলকনি ভাহি আহিল। মই জীমণিয়ে কৈছো—মোৰ ঘৰলৈ যোৱাত পলম হ'ব, প্ৰায় বাৰ মান বাজিব। আজি পাৰ্টি আছে। আপুনি খোৱা-লোৱা কৰিব।

ফোনটো থেকেছা মাৰি থৈ, ন যযৌ ন তস্থৌ অৱস্থাত ইফাল-সিফাল কৰি আছে। বন্ধুৰ মাত শুনিহে স্তম্ভিত ঘূৰি আহিল।

হুমুনিয়াহ কাঢ়ি—আৰে বন্ধু বহুত কথা কবলৈ অছে, মই হয়তো এনেকৈ তিলতিলকৈ মৃত্যুৰ মুখলৈ আগবাঢ়ি গৈ আছো, মোৰ মুখত পানী এটোপা দিবলৈ সময়ত মানুহ নোলাব। তই হয়তো মোৰ বহুত কথাই জান, তথাপি মই মোৰ অতীত কাহিনী তোৰ আগত নক'লে পাপ কৰা হ'ব।

আমি দুয়োজন তেতিয়া স্নাতক, তৃতীয় বৰ্ষৰ ছাত্ৰ আছিলো। ছাত্ৰ হিচাবে মহাবিদ্যালয়ত থকা সুনামৰ কথা দোহৰাৰ প্ৰয়োজন নাই। সেই সময়তে মই সংগোপনে সকলোৰে অজ্ঞাতে সেই ছোৱালীজনীৰ প্ৰেমত পৰিছিলো। বাহিৰাবৰণ তাত্বিক অথচ বৰ্তমান বিসঙ্গতিপূৰ্ণ যেন লগা ভাষ্যবোৰ মোৰ হয়তো, ভাল লাগিছিল। মোৰ এই দুৰ্বলতাৰ সুযোগ লৈ হয়তো মোৰ জীৱনলৈ আহিছিল, সামাজিক স্বীকৃতি লৈ জীমণিয়ে। তাৰোপৰি সেইসময়ত মহাবিদ্যালয়ৰ আলোচনীত জীমণিৰ প্ৰকাশ পোৱা এই কবিতাটিয়ে—'নামটো পাহৰিলো'—এনেধৰণৰ আছিল—

সুদূৰত এখনি নৈ
আমি দুয়ো সাতুৰিছো
চুইছো সিপাৰৰ নীলীম আকাশ
জীয়াই থকাৰ অদম্য হেঁপাহ....

এই কবিতাটিয়ে বৰকৈ আমনি কৰিছিল। সপোন দেখিছিলো, এখন বাস্তৱৰ সুখৰ সংসাৰ গঢ়িম বুলি। বিয়াখন মই গাঁৱৰ ঘৰতে পাতিছিলো, এই কথাটো তই জানই। এমাহ মান ঘৰত থাকিলো—নোৱাৰি, কথাই কথাই তৰ্ক, মাৰ লগত কাজিয়া, দেউতাৰ কথা নুশুনে ইত্যাদি। ভাবিলো অশান্তিত দিন কটোৱাতকৈ গুৱাহাটীলৈ যোৱাই ভাল। তাৰ পিছত এই অৱস্থা, চহৰৰ বৃহৎ বৃহৎ অট্টালিকাৰ মাজত দুটা কোঠাৰ এই ভাড়া ঘৰটোত থাকিবলৈ ল'লো। ভাবিছিলো ইয়াত অলপ শান্তি পাম। নাই, মোৰ কথা নুশুনে। নাৰী স্বাধীনতাক লৈ সদায় মোৰ লগত বিৰ্তক। মই কৈছো যে—নাৰী স্বাধীনতাৰ শ্লোগান দি দিনৰ দিনটো চহৰৰ ইমূৰৰ পৰা সিমূৰলৈ অলৌ-তলৌকৈ ঘূৰি ফুৰাকে—নাৰী স্বাধীনতা নোবোলে। অৰ্থনৈতিক হিচাবে স্বাধীন হোৱা, নিজৰ দৈনিক কামখিনি নিজে কৰিবলৈ চেষ্টা কৰা।

তাৰোপৰি চা, এই যে ঘৰত বন কৰা ছোৱালীজনী, তাইৰ স্বাধীনতাৰ কথা চিন্তা কৰিছে, সেইসকলে। তাইৰ বাক-স্বাধীনতাখিনিও কাঢ়ি নিছে সিহঁতে। ঘৰলৈ আহি পোৱাৰ পিছত ভৰি হাত মালিছ কৰি দিব লাগে, এই ছোৱালীজনীয়ে। গতিকে বুজিলিনে—নাৰীয়ে নাৰীক কেনেদৰে বহতীয়া কৰি ৰাখিছে।

আটাইতকৈ আচৰিত কথাটো হ'ল—জীমণি নাইট ক্লাবৰ এজনী সদস্যা। আনহাতে যুক্তিহীন সমাজৰ এজনী সুপৰিচিত কবি।

ইয়াতকৈ আচৰিত হ'ব লগা কি আছে? বহু সময়ৰ অন্তত বন্ধুৱে নীৰৱতা ভঙ্গ কৰিলে। এইটো এটা মহত্বপূৰ্ণ কাম। বৰ্তমান সমাজে জীৱন-ধাৰণৰ মানদণ্ড উন্নত হোৱাটো বিচাৰে।

মহত্বপূৰ্ণ কাম বুলি কৈছ, শুন—জীমণিৰ এখন কবিতা পুথি প্ৰকাশ পাইছে। কবিতা পুথিখন ছপোৱাৰ বাবে মোৰ পৰা পইচা বিচাৰিছিল। মই মান্তি হৈছিলো। কিন্তু টকাৰ পৰিমাণৰ পৰিসংখ্যা জনাত মই টকা দিবলৈ অপৰাগ হ'লো। তেতিয়া মই কৈছিলো—কবিতাপুথি, গল্প সংকলন বা যিকোনো সাহিত্য সৰ্বসাধাৰণ ৰাইজৰ মনোগ্ৰাহী, ৰাইজে সহজতে বুজি পোৱা ধৰণৰ হোৱাৰ উপৰিও বিক্ৰী মূল্য দুখীয়া ৰাইজৰ গ্ৰহণযোগ্য হ'ব লাগে। সাহিত্যিকৰ ভাষাৰ কথা ক'বলৈ নাযাওঁ বাৰু, কিন্তু এটা কথা লক্ষ্য কৰিবলগীয়া—পোন্ধৰটা কবিতাৰ কবিতা পুথিখনৰ মূল্য পয়সত্তৰ টকা। মই কৈছিলো—কবিতা পুথিখনৰ মূল্য পোন্ধৰ-বিশ টকা হওক। নাই, কথা নুশুনিলে—দেউতাকৰ পৰা টকা লৈ প্ৰকাশ কৰা কবিতাখনৰ বাবে মুষ্টিমেয় কেইজনমানৰ পৰা বাঃ বাঃ পালে সঁচা, কিন্তু জনসাধাৰণৰ নাপালে। ভাবিছো শেষবাৰলৈ এবাৰ বুজাই চাম, নোৱাৰিলেতো উপায় নাই।

বিৰাজে হুমুনিয়াহ কাঢ়ি ক'লে— তইতো জানই, মাই মোক কিমান কষ্টৰ মাজেৰে ডাঙৰ-দীঘল কৰিছে,


।। বঙিয়া মহাবিদ্যালয় আলোচনী।।

মাৰ অশেষ ত্যাগৰ বিনিময়ত মই সামৰিক বিষয়া এজন হৈছোগৈ। তেনেস্থলত মাই কষ্ট পাব লাগিলে, সেইবাবে ভাবিছো—বিয়াবাৰু..................।

অ'ই বাদ দে সেইবোৰ। তোৰ চাকৰিৰ ছুটীৰ এই কেইদিনত বিয়াখন পাতিব লাগে। তোৰ মা-জনীও অকলশৰীয়া হৈ পৰিছে। অ'ই ঘড়ীৰ ফালে চাচোন—এতিয়া ৰাতিপুৱা তিনি বাজিল। সময়মতে নোশোৱাটো স্বাস্থ্যৰ পক্ষে ক্ষতিকাৰক।

দুই বন্ধু শুই পৰিল। ৰাতিপুৱা সাত বজাত উঠি বাতৰি কাকতখন হাতত লৈয়ে চিঞৰি উঠিল অদীপ। আনন্দত আত্মহাৰা হৈ নহয়, দুখত। বাতৰিত প্ৰকাশ—"যোৱা ৰাতি দুৰ্ঘটনাত পতিত এজনী সমাজ সংস্কাৰক নাৰী।" □□

## কৌতুক

শিক্ষক ঃ ৰমেশ, তই কচোন, এইবাৰ ছয় মাহিলী পৰীক্ষাত কিমান নম্বৰ পাইছ।

ছাত্ৰ ঃ চাৰ, শূন্য পাইছো।

শিক্ষক ঃ (খঙত) বাপেৰে কি কৰে?

ছাত্ৰ ঃ চাৰ, খেতি কৰে।

শিক্ষক ঃ বাপেৰক তোৰ ঠাইত পৰীক্ষাত বহিবলৈ দিলে কিমান নম্বৰ পালে হয়?

ছাত্ৰ ঃ চাৰ, মোৰ সমানে।

শিক্ষক ঃ তোৰ আৰু বাপেৰৰ মাজত পাৰ্থক্য কি?





গল্প

# এটি মৃত্যুৰ আহ্বান

মিছ ৰঞ্জনা ডেকা
স্নাতক, দ্বিতীয় বৰ্ষ (কলা)

'কাবেৰীক মই হত্যা কৰিম'—এইয়া ৰমেনৰ শেষ সিদ্ধান্ত। উপাই নাপাই ৰমেনে শেষত কাবেৰীক হত্যা কৰাৰ পৰিকল্পনা ল'লে। আজি ১০ তাৰিখ, পাৰিলে ২৫ তাৰিখৰ আগতে তাৰ পৰিকল্পনা কাৰ্য্যত ৰূপায়িত কৰিব লাগিব। কিন্তু কাবেৰীক ক'ত, কেনেদৰে, কাৰ দ্বাৰা হত্যা কৰা যাব??? বহুত প্ৰশ্নই ৰমেনক জুমুৰি দি ধৰিলে। ৰাতি ১ বাজিছে। ঘৰৰ সকলোৱে গভীৰ নিদ্ৰাত। সি টোপনি যাবলৈ চেষ্টা কৰিছে। কিন্তু পৰা নাই। ৰাতি যিমানেই গভীৰ হৈ আহিছে সিমানেই সি বিচনাত চট্‌ফটাই আছে। হঠাৎ তাৰ মনত পৰিল সেই দিনটোৰ কথা—

ৰমেন তেতিয়া অষ্টম শ্ৰেণীৰ ছাত্ৰ। ওচৰৰে হাইস্কুলখনত সি পঢ়ে। পঢ়া-শুনাত ৰমেন যেনে চোকা খেল-ধেমালিতো তেনে চোকা। আজি তাৰ বৃত্তি পৰীক্ষাৰ খবৰ দিছে। সি অসমৰ ভিতৰত তৃতীয় স্থান লাভ কৰিছে। তাৰ মনত বহুত আনন্দ। স্কুলৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী সকলোৱে তাক অভিনন্দন জনাইছে। এক আনন্দমুখৰ পৰিৱেশত সি কোঠা এটাত বহি আছে। হঠাৎ সি দেখিলে এজনী ছোৱালীয়ে লাজ লাজকৈ আহি তাক অভিনন্দন জনাইছে—"Ramenda congratulation". "Thank you" লগে লগে ছোৱালীজনীয়ে কোঠাটোৰ পৰা আঁতৰি গ'ল। ৰমেনে তাৰ বন্ধু জয়ন্তৰ পৰা গম পালে যে ছোৱালীজনীৰ নাম কাবেৰী। সপ্তম শ্ৰেণীত পঢ়ে। পঢ়াত চোকা। তেতিয়াৰ পৰা ৰমেনে কাবেৰীক দেখিলে হাঁহি এটা মাৰে। কাবেৰীয়েও প্ৰত্যুত্তৰ দিয়ে হাঁহিৰে। লাহে লাহে ৰমেন কাবেৰীৰ প্ৰতি আকৃষ্ট হ'ল। তাইৰ ব্যৱহাৰ, তাইৰ চাল-চলন সকলোৱে তাক আকৰ্ষণ কৰিছে। এদিন সি হঠাতে কাবেৰীক কৈ পেলালে—"কাবেৰী মই তোমাক ভাল পাওঁ। তুমি যদি আপত্তি নকৰা তেনহ'লে দুয়ো দুয়োৰে জীৱনত অনুপ্ৰেৰণাৰ উৎস হৈ শিক্ষা জীৱন গঢ়িব পাৰো।" কাবেৰীয়ে লাজতে ৰঙা-চিঙা পৰি গ'ল। মুখেৰে একো নামাতিলে। পিছদিনা তাই আহিয়ে ৰমেনক ক'লে—"ৰমেনদা, মই আপোনাৰ কথাটো ৰাখিম। কিন্তু কথাটো যাতে কোনেও গম নাপায় তাৰ বাবে আপুনি সাৱধান হ'ব।"

কাবেৰী আৰু ৰমেনে ভালদৰে পঢ়া-শুনা আৰম্ভ কৰিলে। ৰমেনে এইবাৰ হাইস্কুল শেহান্ত পৰীক্ষাত অৱতীৰ্ণ হ'ব। কাবেৰীও নৱম শ্ৰেণীৰ ছাত্ৰী। বহুদিনলৈ দুয়ো দুয়োৰে পৰা আঁতৰি থাকি পঢ়া-শুনা কৰিলে। ৰমেনে পৰীক্ষাত বহিলে। পৰীক্ষা তাৰ ভালেই হৈছে। এদিন খবৰ আহিল সি দুটা বিষয়ত লেটাৰ সহ প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল। ৰমেনৰ শিক্ষা জীৱন ভালদৰেই চলি আছে। অৰ্থনীতিত অনাৰ্চ লৈ ৰমেনে এদিন B.A পাচ কৰিলে। সি M.A ত নাম ভৰ্ত্তিকৰিলে যদিও তাৰ M.A পঢ়া নহ'ল। সেই বছৰতে ককায়েকৰ সহায়ত সি চাকৰি এটা পাবলৈ সক্ষম হ'ল। কাবেৰী এইবাৰ স্নাতক দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী। তাইৰ মনত অপাৰ আনন্দ। ৰমেনৰ কৃতকাৰ্য্যতাই তাইৰ জীৱনলৈ আনিলে এক নতুন আশা।

ৰমেন আজিকালি অলপ বেলেগ হৈছে। কাবেৰীৰ প্ৰতি তাৰ আগ্ৰহ কমি আহিছে। সিঁহতৰ ঘৰলৈ এজনী নাৰ্চ আহে। ওচৰৰে হস্পিতালখনত তাই চাকৰী কৰে। ৰমেনৰ ভনী মণিৰ লগত এদিন তাইৰ চিনাকী হ'ল। এতিয়া তাই মণিৰ ভাল বান্ধৱী। মণিৰ লগত তাই সিহঁতৰ ঘৰলৈ আহে। নাৰ্চজনীৰ লগত ৰমেনে কথা পাতে। তাইক তাৰ ভাল লাগে। তাইক সি বিচাৰে জীৱনৰ সঙ্গী হিচাপে।

ৰমেনৰ এই পৰিবৰ্ত্তনৰ কাৰণ জানিবলৈ কাবেৰীয়ে বহুত চেষ্টা কৰিলে। এদিন তাই সকলোবোৰ জানিব পাৰিলে যে ৰমেনহঁতৰ ওচৰৰে তাইৰ বান্ধৱী সবিতাৰ পৰা। তাই ভাগি পৰিল। বহুত কান্দিলে। তাইৰ কোমল মনত এই আঘাত কোনোমতে সহ্য কৰিব নোৱাৰে। তাইৰ সকলো আশা যেন কলিতে মৰহি গ'ল।

অহা মাহৰ দুই তাৰিখে ৰমেনৰ বিয়া। নাৰ্চ মামনীৰ লগত। গতিকে সিহঁতৰ বিয়াৰ আগতে কাবেৰীক এই পৃথিৱীৰ পৰা নিৰ্মূল কৰাৰ চেষ্টা চলালে যাতে তাই সিহঁতৰ সুখৰ সংসাৰত কণ্টকৰূপে ঠিয় দিব নোৱাৰে। সেয়ে ৰমেনে কাবেৰীক হত্যা কৰাৰ সিদ্ধান্ত ল'লে।

এদিন ৰাতিপুৱা হঠাৎ কাবেৰীৰ ঘৰত ৰমেনৰ আগমণ। বহুত দিন তাইৰ ওচৰলৈ আহিব নোৱাৰাৰ বাবে ক্ষমা বিচাৰিলে। কাবেৰীয়ে ৰমেনক মনে-প্ৰাণে ভাল পায়। তাই ক্ষমা কৰিলে। ১০ দিন ধৰি ৰমেনে কোনো ব্যৱধান নৰখাকৈ যোগাযোগ ৰাখিলে। এদিন সি কাবেৰীক ক'লে, "কাবেৰী, অহাকালি আমি কট'ত বিয়া হ'ম। গতিকে ৰাতিপুৱাই ওলাবা।" কাবেৰীয়ে ৰমেনৰ কথাত সমৰ্থন দিলে। পিছদিনা ৰাতিপুৱা ঘৰত ফাঁকি দি গুৱাহাটীত থকা দাদাৰ ঘৰত যাম বুলি কৈ তাই ৰমেনৰ লগত গুচি গ'ল। তাই নাজানে তাইৰ লগত ওলাইছে তাইৰ প্ৰাণভক্ষী হিংস্ৰ নৰপশু ৰমেনৰ বন্ধু দিলীপ, সুৰেণ আৰু যতীনহঁত।□□

"দুখৰ আয়ুস বেছি হ'ব পাৰে, কিন্তু দুখ অমৰ নহয়।"

—শ্ৰীকৃষ্ণ



।। ৰঙিয়া মহাবিদ্যালয় আলোচনী ।।

গল্প



# অপাৰেশ্বন ড্ৰাগছ

শ্ৰীহেমন্ত কলিতা (হেমেন)
স্নাতক, দ্বিতীয় বাৰ্ষিক (কলা)

দেওবাৰে মৃদুলে ৰাতিপুৱাই উঠিলে। অইন দিনা সি প্ৰায় চাৰে ছয়-সাত মান বজালৈ বিচনাতে থাকে। কিন্তু আজি পাঁচ বজাতেই উঠিলে। মধুৰে কিন্তু সোনকালে উঠি কাম-বন কৰি চাহ বনায় আৰু মৃদুলক জগাই দিয়ে। আজি সোনকালে উঠা দেখি মধুৰে মৃদুলক সুধিলে—

ঃ দাদা, আজি সোনকালে উঠিলে যে.............

ঃ অ, আজি মই এটা বিশেষ কামত যাব লগা আছে। সেয়ে উঠিলো।

ঃ ক'লৈনো যাব?

ঃ পান বজাৰলৈ।

মৃদুলে মধুক দুপৰীয়া ভাত কমকৈ বনাবলৈ কৈ যাবলৈ ওলাল।

ঠিক দহ বজাৰ লগে লগে মৃদুলে পানবজাৰৰ এটি সৰু ৰাস্তাত প্ৰৱেশ কৰিলে। এটি ঘৰৰ সন্মুখত সি বাইকখন ৰখালে। আনফালৰ পৰা এখন গাড়ী আহি সেই একে ঠাইতে ৰ'ল। গাড়ীখনৰ পৰা এজন ভদ্ৰলোক নামিল। দুয়ো কোনেও কাকো নমতাকৈ একেলগে ঘৰটোত প্ৰৱেশ কৰিলে। তাত আগৰ পৰাই এজনী যুৱতী বৈ আছিল। মানুহজন ভিতৰত সোমোৱাৰ লগে লগে যুৱতীগৰাকীয়ে থিয় হৈ নমস্কাৰ জনালে।

ঃ নমস্কাৰ চাৰ।

লগে লগে মৃদুলেও তাত সোমাল। যুৱতী গৰাকীৰ লগত মৃদুলৰ আগৰে পৰা চিনাকী আছিল। তাই মৃদুলক মানুহজনৰ লগত চিনাকি কৰাই দিলে।

ঃ এয়া আমাৰ চাৰ মাননীয় হিতেন হাজৰিকা। চাৰ এখেতেই মৃদুল চহৰীয়া, প্ৰাইভেট ডিটেকটিভ।

মানুহজনৰ ফালে লক্ষ্য কৰি তাই ক'লে। হাজৰিকা আৰু মৃদুলে উভয়ে পৰস্পৰে পৰস্পৰক নমস্কাৰ জনাই আলোচনাত বহিল। হাজৰিকাই আৰম্ভ কৰিলে—

ঃ মিঃ চহৰীয়া আপোনাক চাগে ৰঞ্জিতাই সকলো কথাই কৈছে। আপুনি যদি আমাক সহায় কৰে, তেন্তে আমি কামত নতুন প্ৰস্তুতিৰে হাত দিব পাৰো।

ঃ হয়, ৰঞ্জিতাই মোক সকলো কথা কৈছে আৰু তেখেতেই মোক ইয়ালৈ মাতি পঠিয়াইছিল। পিছে, আপোনালোকে কাৰোবাক সন্দেহ কৰিছে নেকি?— মৃদুলে সুধিলে।

ঃ সন্দেহ অৱশ্যে নকৰা নহয়। তথাপি যাক আমি সন্দেহ কৰিছো, তেওঁ হ'ল সমাজত নাম থকা প্ৰতিপত্তিশীল লোক আৰু তেওঁৰ কামৰ আমি কোনো ধৰণৰ প্ৰমাণ মজুত কৰিব পৰা নাই। সেয়ে............

ঃ কোন তেখেত, জনাব পাৰিবনে?

ঃ জনাৰ্দন বৰুৱা। নামতো শুনাৰ লগে লগে মৃদুলে আচৰিত হৈ সুধিলে—

ঃ জনাৰ্দন বৰুৱা, মানে সেই যে ৰামধন বিল্ডাৰ্চৰ মালিক?

ঃ অ' আপুনি ঠিকেই অনুমান কৰিছে। এই কামবোৰ তেখেতে কৰি আছে বুলি আমি বিশ্বস্ত সূত্ৰে জানিব পাৰিছো যদিও প্ৰমাণ পোৱা নাই।

ঃ আপুনি এই কাম মোক অৰ্পণ কৰক। মই ইয়াৰ Investigation চলাম।

ঃ ঠিক আছে। আমি আপোনাৰ পৰা তাকেই কামনা কৰো। আমাৰ সম্পূৰ্ণ সহযোগিতা আপোনাৰ লগত থাকিব।

ঃ পিছে, আমাৰ প্ৰথম খোজটো কেনেকৈ পেলাম তাৰ প্লেন কৰিব লাগিব। নহ'লে সকলো পণ্ড হৈ যাব পাৰে, নে কি কয় হাজৰিকা।

এনে ধৰণৰ বহু আলোচনা কৰি মৃদুলে সিদিনাৰ বাবে বিদায় ল'লে। ঘৰলৈ আহি সি সিহঁতৰ প্লেনটোৰ কথা ভাবিবলৈ ধৰিলে।

মহানগৰৰ এখন জনপ্ৰিয় ঠাইৰ এটি তিনিমহলীয়া ঘৰ। ঘৰটোৰ ওপৰ মহলাৰ এটি কোণত এটি সৰু কোঠা। কোঠাটোত প্ৰায়ে কিবা-কিবি মিটিং হৈ থাকে। এই মিটিঙৰ কথা কোনেও নাজানে। মাত্ৰ কেইজনমান ডেকা আৰু এজন ভদ্ৰলোকেহে তালৈ যায়। সন্ধিয়া সাতমান বাজিছে। ভদ্ৰলোকজন গহীন-গম্ভীৰ খোজেৰে তালৈ আহিল। অলপ আগতে কোঠাটোলৈ আন এজন মানুহ আহি ৰৈ আছে। ভদ্ৰলোকজনক দেখাৰ লগে লগে মানুহজনে সম্বোধন কৰিলে—

ঃ বচ্, আজি মাল অহাত পলম হ'ব পাৰে বুলি খবৰ আহিছে, পুলিচে বোলে বাটতে চেক্ কৰি আছে। সেয়ে সিহঁত অন্য পথেদি মাল আনিব। যদি কোনো বাধা নপৰে, তেন্তে দুইমান বজাত আহি পাব।

ঃ কিমান মাল আহিব, জনাইছেনে? মানুহজনৰ গম্ভীৰ কথা।

ঃ বচ্, চাৰে পাঁচকিলো ব্ৰাউন চুগাৰ, সাতকিলো আফিং আৰু গাজা তিনিকিলো আহিব বুলি সিহঁতে জনাইছে।

ঃ মাল আহিলে পোনে পোনে ২নং গুদামলৈ লৈ যাবি। তাত নিৰঞ্জন থাকিব। ইয়ালৈ আনিব নালাগে। পুলিচে ইয়াত চকু ৰাখি আছে। পৰহি বা কাইলৈ ৰাতি ইয়ালৈ লৈ আহিবি, বুজিছ। যা, এতিয়া যাগৈ। শুন, পৰহি সিপাৰলৈ মাল নিব লাগিব।

ঃ Yes boss.

মানুহজনক আদেশ দি ভদ্ৰলোকে তাৰ পৰা আঁতৰ হ'ল। পিছে পিছে সিওঁ (মানুহটোও) গুচি গ'ল।

মৃদুলে বাইকখন উলিয়াই ক'ৰবালৈ যাব ওলাই মধুক ক'লে—মধু মোৰ বেগখন লৈ আনচোন।

এনেতে গেটৰ কাষত গাড়ীৰ হৰ্ণ বজোৱা শুনি সি ঘূৰি চাই।

ঃ অ' হাজৰিকা আপুনি ক'লৈ যায়?

ঃ গাড়ীত বহি থাকিয়েই হাজৰিকাই মাত লগালে— গণেশগুৰিৰ ফালে যাম বুলি ভাবিছো, পিছে আপুনি—

ঃ ময়ো সেইফালেই যাম।

ঃ আহক একেলগে যাওঁ। বাইকখন থৈ আহক।

মৃদুলেও হয়ভৰ দি বাইকখন ঘৰত সুমুৱাই থৈ ওলাই আহে। মধুৱেও মোনাখন আনি ওলাইছিলহি—

ঃ দাদা। এইখন মোনা।

দুয়ো একেলগে যাবলৈ ধৰিলে। হাজৰিকাই সুধিলে—

ঃ আপুনি কিবা শুং-সূত্ৰ পালেনে?

ঃ সন্ধেদ নোপোৱা নহয়। মই এতিয়া লাহে লাহে চিঅ'ৰ (Sure) হ'ব পাৰিছো যে বৰুৱাক আমি ৰাইজৰ মাজত উলিয়াই দিবলৈ বেছি দিন নালাগিব।

ঃ ইমান চিঅ'ৰ হোৱাৰ কাৰণ? কিবা প্ৰমাণ পালে নেকি?

ঃ মই বৰুৱাৰ তলত কাম কৰা ল'ৰা এজনক লগ পাইছো। তাৰ পৰা কথাবোৰ উলিয়াবলৈ বেছি টান নহ'ব। তাৰ জৰিয়তে আমি কামত আগবাঢ়িম।

ঃ শুনক চহৰীয়া। এইবোৰ চিক্ৰেট্‌লি কৰা ভাল। চাব, সামান্য ভুলৰ বাবেও বহু বস্তু হেৰাই যাব পাৰে। যদি বৰুৱাই কথাটো গম পাই, তেন্তে সকলো প্লেন নষ্ট হৈ যাব।

ঃ তাৰ চিন্তা আপুনি কৰিব নালাগে। মই তাৰ সিহঁতৰে এজন এজেণ্ট বুলি পৰিচয় দিছো। সি সন্দেহ কৰাৰ কোনো থল মই এৰা নাই। তাৰ বাবে কিন্তু মোৰ বহু অভিনয় কৰিব লগা হৈছিল।

ঃ তাৰমানে আপুনি এজন অভিনেতাও।





ঃ এনেকুৱা ৰিস্কী (Risky) কামৰ বাবে মই কিবা কৰিব লগা হয় বুজিছে।

ঃ তেন্তে আপুনি কামত সফলতা লাভ কৰিবই। হাঃ হাঃ হাঃ—ব্যঙ্গ সুৰত কৈ হাজৰিকাই হাঁহিলে।

ঃ আপোনালোকে সহায় কৰিলে কিয় নোৱাৰিম? নিশ্চয় পাৰিম। অ' ৰব। মই ইয়াতে নামিম। আপুনি যাওঁক।

মৃদুল গাড়ীৰ পৰা নামিল। হাজৰিকাই কৰমৰ্দ্দনেৰে বিদায় ল'লে।

হিতেন হাজৰিকাই ইন্সপেক্টৰ ৰাজীৱ বৰাৰ লগত সকলো কথা-বতৰা হৈ ঘৰলৈ যাবলৈ ওলাইছে। ঠিক এনেতে ৰঞ্জিতাই উধাতু খাই থানাত প্ৰৱেশ কৰিলে। হাজৰিকা আৰু বৰুৱা দুয়ো চমকি উঠিল। হাজৰিকাই সুধিলে—

ঃ কি হ'ল ৰঞ্জিতা, তুমি ভাগৰিছা যে?

ঃ চাৰ, মই বৰুৱাক follow কৰিছিলো, বৰুৱা কলৈ যায় তাক লক্ষ্য কৰো বুলি। কিন্তু বৰুৱাৰ মানুহে মোক দেখা পালে আৰু মই কিবাকৈ এইখিনি পাইছোহি—ভাগৰি ভাগৰি ৰঞ্জিতাই ক'লে।

ঃ বৰুৱা, মানে আপুনি কোৱা জনাৰ্দন বৰুৱাৰ কথা কৈছে নেকি হাজৰিকা?—বৰাই হাজৰিকাক সুধিলে।

ঃ হয়, আপুনি ঠিকেই ধৰিলে।

ঃ কিন্তু আপুনি ছোৱালী এজনীয়ে কিয় বৰুৱাৰ পিছত ঘূৰি নিজৰ বিপদ চপাই ল'ব খুজিছে? — বৰাৰ প্ৰশ্ন।

ঃ ময়েই এওঁক এই কাম নিযুক্তি দিছিলো— হাজৰিকাই ক'লে।

ঃ তথাপি অলপ সাৱধানে চলিব। Be careful. বৰ্তমান বৰুৱা কোনফালে গৈছে আপুনি জানেনে?

ৰঞ্জিতাই কৈ গ'ল.................।

ঃ বৰুৱা বৰ্তমান উত্তৰফালে গৈছে। কিমানদূৰ সম্ভৱ সিহঁত এতিয়া প্ৰায় তিনি কিলোমিটাৰমান অতিক্ৰম কৰিছে চাগে।

ঃ মিচ কাকতি, বৰুৱা যিমান চালাক নহওঁক কিয়, এদিন পুলিচৰ হাতত ধৰা পৰিবই। বৰুৱাতকৈ দুৰ্ধৰ্ষ Criminal আমি আটক কৰিছো। তদুপৰি 'এশ গৰু খালে বাঘৰো মৰণ' বুলি কথা এষাৰো আছে। আপোনালোকে Investigation চলাই থাকক। বাৰু, এতিয়া আপোনালোক যাওঁক, ময়ো এঠাইলৈ যাব লগা আছে।

ঃ বাৰু।

তিনিও ওলাই যায়।

মৃদুল থানালৈ আহিল। থানাত তেতিয়া ভাৰপ্ৰাপ্ত বিষয়া ইন্সপেক্টৰ ৰাজীৱ বৰা উপস্থিত আছিল। দুয়ো কথা-বতৰা আৰম্ভ কৰিলে। কথাৰ মাজে মৃদুলে এখন ফটো বৰাৰ হাতত দিলে। ফটোখন চাই বৰাই চাব্-ইন্সপেক্টৰ জীৱন দাসক মাতিলে আৰু ফাইল এটি দাসৰ হাতত দি ক'লে—

ঃ দাস, অহাকালি আমি এটি অপাৰেশ্বন চলাম। বৰুৱাই কাইলৈ ব্ৰহ্মপুত্ৰৰ সিপাৰলৈ ড্ৰাগছ নিব বুলি জানিব পাৰিছো। কালিয়েই আমি সিহঁতক আটক কৰিব পাৰিম। ফটোখনত থকা এই ল'ৰাজন হৈছে এজন ইনফৰ্মাৰ। দলটোত ইয়াকো দেখা পোৱা যাব। কিন্তু তাৰ কোনো ধৰণৰ ক্ষতি আমি হ'ব দিব নালাগিব।

কথাখিনি কৈ বৰাই ফটোখন দাসক দিয়ে। দাসে ফটোখন ফাইলটোত ভৰাই থৈ আৰু চেলুট দি বিদায় লয়।

পৰিকল্পনা অনুসৰি মৃদুল, ক্ৰিমিন'লজিষ্ট হাজৰিকা, ইন্সপেক্টৰ বৰা, চাব্-ইন্সপেক্টৰ দাসে পুলিচৰ দলটোক নিজা নিজা কামত লগাই দিয়ে। ব্ৰহ্মপুত্ৰৰ পাৰৰ ঝাৱণিৰ মাজত চোপ লৈ তেওঁলোকে সময়লৈ অপেক্ষা কৰি আছে। এনেতে দক্ষিণফালৰ পৰা এখন ফেৰী অহা তেওঁলোকে দেখিলে। সকলোৱে সাজু হ'ল। ফেৰীখন লাহে লাহে ওচৰ চাপি আহিল। বৰাই নিৰ্দেশ দিলে—

ঃ চাব, যাতে কোনো সাৰি যাব নোৱাৰে।

জাহাজখন নদীৰ কাষ লাগিল। এজন এজনকৈ প্ৰায় ৮ জন মান মানুহ তাৰ পৰা নামিল। শেষত এজনে হাতত এটি চুটকেচ লৈ ওলাই আহিল। পিছত আৰু ৫ জন মানুহ নামিল। তাৰ মাজেৰে মৃদুলে ফটোখনত থকা ল'ৰাজনক দেখা পালে আৰু বৰাৰ পিনে চাই চকুৰে

কিবা ঈঙ্গিত দিলে। বৰাই বুজি পোৱাৰ দৰে মুৰ দুপিয়ালে। মানুহকেইজনে পাৰত নামি অপল দূৰ খোজ কাঢ়িলে। আনফালৰ পৰা আন এটি ৪ জনীয়া দল অহা হাজৰিকাই দেখা পালে। হাজৰিকাই বৰাক ঈঙ্গিত দিয়াত বৰা সাৱধান হ'ল। দল দুটাৰ মাজত বস্তুৰ আদান-প্ৰদান চলিল। মানুহজনে চুটকেছটো আন দলটোত থকা শকত মানুহজনৰ হাতত দিলে। বোধহয় সি সেইটো দলটোৰ দলপতি। এনেতে বৰাই হুচেইল বজাই দিলে। লগে লগে পুলিচৰ দলটোৱে সিহঁতক ঘেৰি ধৰিলে। দল দুটাই তলকিবই নোৱাৰিলে। জাহাজত অহা বেগলোৰা মানুহজনে পলাব বিচাৰিছিল, কিন্তু নিমিষতে এটি গুলি আহি তাৰ ভৰিত লাগিল। মানুহজন বাগৰি পৰিল। বৰাই আদেশ দিলে—

ঃ Hands up

ইতিমধ্যে সিহঁতেও হাতত পিষ্টল উলিয়াই লৈছিল।

ঃ অস্ত্ৰ পেলাই দে। নহ'লে গুলিয়াবলৈ বাধ্য হ'ম। পলাবলৈ চেষ্টা নকৰিবি—বৰাই আদেশ দিলে।

এনে এটি সুসজ্জিত পুলিচৰ হাতত পৰিব বুলি সিহঁতে সপোনতো ভবা নাছিল। আদেশ পাই সিহঁতে একান্ত বাধ্য ছাত্ৰৰ দৰে পিষ্টলবোৰ মাটিত পেলাই দি হাত দাঙি থিয় হ'ল। এনেতে আনটো দলৰ দলপতিজনে তাৰ কাষতে থকা হাজৰিকাক গাৰ কাষলৈ টানি নি ক'লে—

ঃ সাৱধান। অস্ত্ৰ পেলাই দে নহ'লে ইয়াক গুলিয়াম।

কথা বিষম দেখি বৰা আৰু মৃদুলে বিবুদ্ধিত পৰিল। ইতিমধ্যে গুলিবিদ্ধ মানুহজনে কিবাকৈ থিয় হৈ আকৌ পলাব বিচাৰিছিল। শকত মানুহজনেও হাজৰিকাক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি ফেৰীৰ ফালে আগবাঢ়িব ধৰিছিল। এনেতে আন এটা গুলি আহি মানুহজনৰ সোঁহাতৰ বাউসীত লাগিল। মানুহজনে হাজৰিকাক এৰি দিবলৈ বাধ্য হ'ল। তাৰ হাতৰ পিষ্টলটো চিটিকি পৰিল। বৰা আৰু মৃদুল আচৰিত হ'ল—কোনে এই গুলি চলাইছিল। চাব্-ইন্সপেক্টৰ দাসে দেখিলে যে বঞ্জিতাই হাতত পিষ্টল এটি লৈ তেওঁলোকৰ ফালে আহি আছে। আটাইৰে বুজিবলৈ বাকী নাথাকিল যে সেই গুলি দুটি বঞ্জিতাইহে চলাইছে। মনতে বঞ্জিতাক ধন্যবাদ জনাবলৈ বাধ্য হ'ল বৰা। চকুৰ পলকতে আটাইবোৰ গ্ৰেপ্তাৰ হ'ল, গ্ৰেপ্তাৰ হ'ল সেই মানুহজনো, যিজনে বেগটো লৈ আহিছিল। বৰাই দাসক বেগটো খুলিবলৈ দিলে। দাসে খুলি চাই দেখিলে ব্ৰাউন চুগাৰেৰে ভৰি আছে বেগটো। বৰাই আটাইকে হাজোতত ভৰালে।

পিছদিনা বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত এটি বাতৰি পৰিৱেশন হোৱা দেখা গ'ল—

"..............ৰামধন বিল্ডাৰ্চৰ মালিক, সমাজৰ এজন মুখাপিন্ধা ভদ্ৰলোক জনাৰ্দন বৰুৱা আৰু তেওঁৰ সহযোগী সকলক চোৰাং কাৰবাৰ, ড্ৰাগছৰ ব্যৱসায় আদিত লিপ্ত হোৱা অপৰাধত পুলিচৰ হাতত গ্ৰেপ্তাৰ হয়।" ❑❑

> "জাতীয় জীৱন আৰু জাতীয় সাহিত্য এটা আনটোৰ অবিচ্ছেদ্য সম্বন্ধ। জাতীয় সাহিত্য জাতীয় জীৱনৰ প্ৰতিধ্বনি মাথোন। জাতীয় জীৱন যদি সংকীৰ্ণ হয় জাতীয় সাহিত্যও সেই সংকীৰ্ণতাৰ হাত সাৰিব নোৱাৰে।"
>
> —লক্ষ্মীনাথ বেজবৰুৱা।
>
> "এখন কিতাপ নষ্ট কৰা আৰু এজন ভাল মানুহ হত্যা কৰা একে কথা।"
>
> —মিল্টন





গল্প

# ইন ক্লাৱ জিন্দাবাদ

শ্ৰীমুকুট বৈশ্য
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

ট্ৰেইনখন অবিৰাম গতিত চলি আছে। আজি বহু দিনৰ মূৰত দিগন্তই তাৰ পবিত্ৰ জন্মভূমি দেখা পাব। সুদীৰ্ঘ বাৰ বছৰ আগতে ঘৰৰ পৰা পলায়ন কৰি অকলশৰে এৰি যোৱা তাৰ চিৰ আৰাধ্য মাতৃদেৱী আৰু কণমানি ভনীয়েক বিনীতালৈ মনত পৰি মন আনন্দতে নাচি উঠিছে। কাৰণ সি আজি কণমানি ভনীয়েকৰ গোলাপৰ পাপৰিৰ দৰে লাহী মুখখন দেখিবলৈ পাব। সৰুতে তাই প্ৰত্যেক দিনাই দিগন্তৰ পঢ়া ৰুমটোলৈ দৌৰি গৈ কৈছিল—দাদা, তুমি স্কুলৰ পৰা আহোতে মোলৈ চকলেট আনিবা কিন্তু। সঁচাকৈয়ে তাইৰ মাতৰ সুমধুৰ সুৰ শুনি দিগন্তই হাঁহি হাঁহি প্ৰত্যেক দিনেই দুটাকৈ চকলেট আনিছিল। আজিও সি তাইলৈ মাত্ৰ দুটা চকলেট নিবলৈয়ে ঠিৰাং কৰিছিল। অৱশ্যে তাই আজি সৌ সিদিনাৰ দৰে কণমানি বিনীতা জনী হৈ থকা নাই। হঠাৎ ট্ৰেইনখনে এটা দীঘলীয়া উকি মাৰি ৰৈ গ'ল। ষ্টেচনৰ দক্ষিণ-পশ্চিমে পাঁচ মাইল মান দূৰত তাৰ ঘৰ। সেয়ে দিগন্তই ট্ৰেইনৰ পৰা নামি পান-দোকান এখনলৈ গৈ মাকৰ বাবে কিছু খোৱা-বস্তু আৰু ভনীয়েকৰ বাবে দুটা চকলেট আৰু তাৰ বাবে চিগাৰেট কিনি ৰিক্সা এখনত ঘৰ অভিমুখে ৰাওনা হ'ল।

দিগন্তই যিমানেই গৈ আছে সিমানেই তাৰ বুকু দুৰু দুৰু কঁপিছে। বহুদিনৰ আগতে যেনিবা সি এক অমূল্য সম্পদ হেৰুৱাই পেলাইছে। ওঠ দুটিও যেন লৰিবলৈ ধৰিলে আৰু স্বতঃস্ফুতভাৱে আপোনা-আপুনি ওলাই আহিল— 'হেৰা ৰিক্সাৱালা এইখন গাঁৱলৈ তুমি আগতে আহিছিলানে? ৰিক্সাৱালাই ক্ৰমাৎ ৰিক্সাখন ৰখাই দিগন্তৰ পিনে একেঠেৰে ৰ' লাগি চাই ৰ'ল। কিছু সময় নিৰৱতা ভংগ কৰি ৰিক্সাৱালাই ক'লে— 'আপোনাৰ ঘৰ এই গাঁৱতে নেকি?' দিগন্তই সংক্ষেপতে উত্তৰ দিলে—হয়।

আপুনি এতিয়া ক'ৰবাত চাকৰি কৰে নেকি?

—হয়?

আপোনাৰ দেউতাৰ নাম কি?

দেউতাকৰ কথা ওলোৱাৰ লগে লগে দেউতাকৰ মৃত্যু হোৱা আৰু মৃত দেউতাকক চাঙিত তুলি নিয়া প্ৰতিচ্ছবিটো তাৰ মনৰ দাপোনত ভাঁগি উঠিল আৰু সৰ্ সৰ্কৈ চকুলো বাগৰি পৰিল। পকেটৰ পৰা ৰুমালখন উলিয়াই চকু পানীখিনি মচি মচি ক'লে দেউতাৰ নাম বিভ্ৰাট শইকীয়া।

ৰিক্সাৱালাই মুখেৰে একো নেমাতি ৰিক্সা আকৌ চলাই থাকিল। হঠাৎ ৰিক্সাৱালাই ব্ৰেক মাৰি ৰিক্সাখন ৰখাই ক'লে ইয়াতে নামক। ইয়াৰ পৰা ৰিক্সা নিব নোৱাৰি। ৰাস্তাটো খুব বেয়া। দিগন্তই মুখেৰে একো নেমাতি পকেটৰ পৰা পইচা উলিয়াই দি ৰিক্সাৱালাক বিদায় দিলে। কিন্তু দিগন্তই এতিয়া যায় কলৈ? এখোজ-দুখোজকৈ এটা সুৰ-সুৰীয়া বাটেৰে গৈ থাকোতে এজন মানুহক লগ পাই সুধিলে,—"হেৰি, আপুনি বিভ্ৰাট শইকীয়াহঁতৰ ঘৰ চিনি পাই নেকি?" সৌ সিমূৰৰ ঘৰটো বুলি আঙুলিয়া দি মানুহজন গুচি গ'ল।

দিগন্তই লাহে লাহে সিমূৰৰ ঘৰটোলৈ গৈ দেখিলে যে ঘৰটোত মানুহ বাস কৰাৰ কোনো চিনেই নাই। ঘৰটোক গছে-বনে যেন গিলি পেলাইছে। তাৰ মনতে প্ৰশ্ন হ'বলৈ ধৰিলে—মা আৰু ভনী বিনীতা বাৰু ক'লৈ গ'ল?

ক্ৰমে নিশা হৈ আহিল। সকলো মানুহে আৰু অলপ সময় পিছতে নিদ্ৰাদেৱীৰ কোলাত আশ্ৰয় ল'ব। সেয়ে তাৰ মনটো খুব বেয়া লাগিল। সি এতিয়া যায় ক'লৈ? ৰাতিতো কাৰ ঘৰত আশ্ৰয় ল'ব। সি এনেদৰে চিন্তা কৰি ভঙা ঘৰটোত সোমাল। ঘৰটোৰ ভিতৰত আছে মাথোন তাৰ পৰিচিত আধা ভঙা বিছনা। সি বিছনাখনৰ এটি মূৰত বহি পকেটৰ পৰা চিগাৰেট উলিয়াই জ্বলাই লৈ ভঙা খিৰিকীয়েদি দূৰ দিগন্তলৈ চাই থাকিল। ভঙা বেৰৰ দুৱাৰ-খিৰিকীয়েদি জোনাকৰ পোহৰ পৰি ঘৰটোৰ ভিতৰ ভাগ গভীৰতাৰ সৃষ্টি কৰিছে। মাজে মাজে দুই এটি জোনাকী পৰুৱাই ৰুমটোৰ ভিতৰত পাক লয়।

দিগন্ত! হঠাৎ পিছ ফালৰ পৰা কাৰোবাৰ মাত শুনি কোন বুলি উচপ খাই উঠি উভতি চালে। দিগন্তই যেন কাৰোবাৰ চিৰ পৰিচিত কণ্ঠস্বৰ শুনিবলৈ পালে। কোঠাৰ ভিতৰত জোনাকৰ পোহৰত দিগন্তই দেখিলে দুৱাৰ মুখত বগা সাজেৰে ঠিয় হৈ আছে এগৰাকী তিৰোতা। সি ভয়তে কঁপিবলৈ ধৰিলে আৰু স্তব্ধ হৈ তাইৰ পিনে চাই ৰ'ল।

মই আহিছো দিগন্ত!

কোন তুমি? দিগন্তই ক্ৰমে আগুৱাই গ'ল। মোক চিনি পোৱা নাই তই! মই তোৰ মা। লগে লগে তিৰোতা গৰাকীয়ে ওৰণিখন গুচাই দিলে।

মা তুমি! দিগন্তৰ চকুত বিস্ময়। সি সপোন দেখা যেন লাগিল। মাকৰ কথাত চমক লাগিল দিগন্তৰ। সেই একেই ৰূপ সেই একেই কণ্ঠস্বৰ যাক সি কেতিয়াওঁ পাহৰিব নোৱাৰে।

দিগন্তৰ দুচকু তিৰ্‌বিৰাই উঠিল। চকুপানীৰো সি যেন কিবা ৰহস্যৰ গোন্ধ পাইছে। সেয়া যেন তাৰ মৰমৰ মাক নহয় কোনোবা এটি প্ৰেতাত্মাহে। তাৰ গা শিয়ৰি উঠিল। কিন্তু আমাৰ মৰমৰ ভনী বিনীতা কলৈ গ'ল?

বিনীতাৰ কথা ওলোৱাৰ লগে লগে মাকৰূপী আত্মাই ক'বলৈ ধৰিলে—শুন দিগন্ত তোৰ ভনীয়েৰৰ কথা। আজিৰ পৰা বাৰ বছৰ আগতে তই যেতিয়া এই ঘৰৰ পৰা মোক আৰু ভনীয়েৰ বিনীতাক অকলে এৰি থৈ পলাই গৈছিলি কোনোবা দূৰ ঠাইলৈ ঠিক এবছৰ পাছতে এই অসমত অবৈধ বিদেশী নাগৰিক বহিস্কাৰৰ বাবে সমগ্ৰ অসম জুৰি আৰম্ভ হৈছিল গণ আন্দোলন। অসমৰ সকলো ৰাইজে এই আন্দোলনত জপিয়াই পৰিছিল। আন্দোলন দমন কৰিবলৈ চৰকাৰে নানা দমনমূলক ব্যৱস্থা গ্ৰহণ কৰিলে। তাৰ ফল স্বৰূপে অসমবাসীয়ে সহ্য কৰিব লগা হ'ল—পুলিচ, চি.আৰ.পিৰ জঘণ্য অত্যাচাৰ। অত্যাচাৰৰ ফলত বহুতো মানুহৰ মৃত্যু হৈছিল, বহুতো হৈ পৰিছিল চিৰজীৱনৰ বাবে পংগু। বহুতে হেৰুৱাইছিল নিজৰ ঘৰ-বাৰী। কোন মুহূৰ্ত্তত পুলিচ আহে তাৰ ঠিক নাই। সেয়েহে মানুহে আশ্ৰয় ল'ব লগা হৈছিল ঘোৰ অৰণ্যত।

ইমানতো ক্ষান্ত নাথাকি ৰাতিৰ অন্ধকাৰৰ সুযোগ লৈ বনৰীয়া বাঘ হৈ জীৱন্ত হৰিণীৰ কোমল মাংসৰ সোৱাদ লোৱাৰ হেঁপাহেৰে ঘৰবোৰত প্ৰৱেশ কৰি আৰম্ভ কৰিদিছিল এক নাৰী ধৰ্ষণ। তোৰ মৰমৰ ভনীয়েৰো পিশাচৰ বলী হৈ—মাকে কথা বন্ধ কৰি হুক হুকাই কান্দি পেলালে।

—কোৱা মা, তাৰ পিছত ভনী বিনীতাৰ কি হ'ল?

তোৰ ভনী বিনীতাকো এদিন ৰাতিৰ অন্ধকাৰৰ সুযোগ লৈ তাইৰ দেহৰ সৰ্বস্ব কাঢ়ি নিছিল। যাৰ ফলত তাই পাগলী হৈ ফুৰিছে।

মা! দিগন্তই আতংকত চিঞৰি উঠিল।

যিজনী ছোৱালীয়ে দিন ৰাতি বিচাৰ নোহোৱাকৈ মাথো 'ইনক্লাৱ জিন্দাবাদ', 'ইনক্লাৱ জিন্দাবাদ' কৈ চিঞৰি ফুৰে। সেইজনীয়ে তোৰ মৰমৰ ভনী বিনীতা—বুলি কৈয়ে তৎক্ষণাৎ জোনাকৰ পোহৰত মাক অদৃশ্য





হ'ল। মা! তুমি ক'লৈ গ'লা মা! দিগন্তই চিঞৰি উঠিল। কিছুসময় পাছত দিগন্তই শুনিবলৈ পালে—মই তোমাৰ মা নহয় দিগন্ত। মই কংকালহে। চাৰি বছৰ আগতে তোমাৰ মাৰ মৃত্যু হৈছে। তোমাৰ মা এতিয়া জীৱন্ত হৈ থকা নাই। লাহে লাহে কথাখিনি শেষ হৈ গ'ল।

দিগন্তৰ গা শিয়ৰি উঠিল। এয়া সি কি শুনিবলৈ পাইছে। সেয়ে সি কান্দি কান্দি তেতিয়াই দৃঢ় প্ৰতিজ্ঞ হ'ল যে ভনীয়েকৰ এনে অৱস্থাৰ বাবে সি এদিন হ'লেও প্ৰতিশোধ ল'বই। আৰু ভনীয়েকে কল্পনা কৰা মতেই সি অসমক ৰক্ষা কৰিবই। এনেতে হঠাতে সি দূৰণীত শুনিবলৈ পালে তাৰ ভনীয়েকৰ চিঞৰ—ইনক্লাৱ জিন্দাবাদ। ইনক্লাৱ জিন্দাবাদ। ❑❑

> আনক হেয়জ্ঞান কৰিলে নিজেও হেয় হয়।
>
> —স্বামী বিবেকানন্দ

# হত্যা নে দংশন

মঃ ৰাজীৱ দেৱান
স্নাতক, তৃতীয় বৰ্ষ (কলা)

অপাৰেচন থিয়েটাৰৰ পৰা ওলায়েই বেগা-বেগিকৈ নিজৰ চেম্বাৰলৈ গ'ল চিন্তাক্লিষ্ট মন লৈ ডাঃ পল্লৱ বৰুৱা। ইতিমধ্যে দুই-তিনিজনমান মানুহ তেওঁক লগ পাবৰ বাবে চেম্বাৰতে বহি আছিল। খুব সংক্ষেপে প্ৰয়োজনীয় কথাখিনি পাতি তেওঁলোকক বিদায় দিলে। এনেতে নাৰ্চ এগৰাকী সোমাই আহি ৰিপৰ্টি কিছুমানৰ সৈতে ফালই এটা টেবুলত থৈ গ'ল। ফাইলটো চাবৰ বাবে অকনো মন নগ'ল। চিগাৰেট এটা জ্বলাই লৈ আৰাম চকীখনত বহি পৰিল। গভীৰ চিন্তাত ডুব গৈ থাকোতে চিগাৰেটটো জ্বলি-জ্বলি আহি হাতত লাগিলতহে যেন সম্বিত ঘূৰাই পালে ডাঃ বৰুৱাই। কোঠাটোত অস্থিৰ ভাৱে ইফালৰ পৰা সিফালৰ পৰা ঘূৰি ফুৰিব ধৰিলে। সেই সময়তে জুনিয়ৰ এজন সোমাই আহি জনালে যে ৪নং ৱাৰ্ডৰ ১০ নম্বৰ ৰোগীজনে চট্‌ফটাই আছে। তেওঁ উশাহ লোৱাত কষ্ট পাইছে। প্ৰেচাৰটোও একেবাৰে তললৈ গৈছে। ৰোগীজনক অক্সিজেনৰ প্ৰয়োজন। ডাঃ বৰুৱাই জুনিয়ৰজনে যি ভাল দেখে তাকে কৰিবলৈ উপদেশ দিলে। লগতে ইয়াকো ক'লে যে বৰ বেছি প্ৰয়োজন নহ'লে তেওঁৰ যেন দিগদাৰী নকৰে। জুনিয়ৰজন আচৰিত হ'ল। তথাপিতো একো নকৈ চেম্বাৰৰ পৰা ওলাই গ'ল। আকৌ ৰাতিপুৱা ৰাজেনৰ মুখৰ কথা কেইটাকে পাগুলিয়াই বহি থাকিল সম্পূৰ্ণ অকলশৰে, অসহায় ডাঃ পল্লৱ বৰুৱা।

চহৰখনৰ ভিতৰত চাৰ্জাৰী ডিপাৰ্টমেণ্টৰ বিশেষ ডাক্তৰ বুলি ক'লে সকলোৱে বৰুৱাকে বুজে। তেওঁৰ হাতৰ স্পৰ্শ পালে ৰোগীয়ে আৰোগ্য লাভ কৰে। আজিলৈকে তেওঁ ল'ৰা-বুঢ়া, ডেকা-গাভৰু বহুতৰে বহুত চিকিৎসা কৰিলে। ৰাতিপুৱাৰ পৰা ৰাতিলৈকে বেছি সময় বেমাৰীকে লৈ তেওঁ ব্যস্ত থাকে। কোনো কোনো জনৰ জীৱনৰ সংকটৰ মুহূৰ্ত্তত মাজ নিশাও তেওঁক মাতি নিবলৈ আহে। কোনোদিনে কৰ্ত্তব্যক অৱহেলা কৰা নাই। বেমাৰীৰ যন্ত্ৰণাকাতৰ মুখখনৰ ঠাইত তেওঁ যেতিয়া দেখিবলৈ পায় তৃপ্তিত টোপনি যোৱা এখন সৌম্য মুখ তেতিয়া সকলো ক্লান্তিয়েই তেওঁৰ দূৰ হৈ যায়। কামত পায় এক নতুন উদ্যম। লগে লগে নিজে নজনাকৈয়ে বাঢ়ি যায় ডাঃ বৰুৱাৰ নাম, যশস্যা, খ্যাতি।

ক্ৰিং ক্ৰিং ক্ৰিং। টেলিফোনটো বাজি উঠিল। বৰুৱাই তুলি ল'লে ৰিচিভাৰটো। পত্নী কৰবীয়ে ফোন কৰিছে। সোনকালে ভাত খাবলৈ যাব কৈছে। গৈ আছো বুলি কৈ তেওঁ ৰিচিভাৰটো থৈ দিলে। তেওঁ আকৌ চিন্তা সাগৰত ডুব গ'ল।

এটি দুবছৰীয়া কন্যা সন্তান আৰু সুন্দৰী পত্নীৰে সুখৰ সংসাৰ ডাঃ বৰুৱাৰ। এদিন তেওঁ কৰবীক বিচাছিল। কৰবীয়ে যদিও তাক বিচৰা নাছিল তথাপিতো তেওঁ তাইক পিছত নিজৰ কৰি ল'বলৈ সক্ষম হৈছিল। এতিয়া দুয়োৱে দুয়োকে পাইছে। আজি তিনিবছৰীয়া বৈবাহিক জীৱনত একোৰে অভাৱ তেওঁলোকে অনুভৱ কৰা নাই। সুন্দৰ ভাৱে বাগৰি আছিল দিনবোৰ। কিন্তু





হঠাতেই ঘটি গ'ল ঘটনাটো। চিকিৎসা জীৱনত কোনো দিনে ভুল নকৰা ডাঃ বৰুৱাই নিজৰ অজানিতে কৰি পেলালে এক মাৰাত্মক ভুল, যি ভুলৰ বাবে কোনো শুধৰণি নাই, নাই কোনো ক্ষমা।

ৰাতিপুৱা আহি চেম্বাৰত বহাৰ পিছতে চকিদাৰ ৰাজেনে আহি কথাটো তেওঁক কৈছিল। লগে লগে চমকি উঠিছিল ডাঃ বৰুৱা। গোটেই পৃথিৱীখন যেন তেওঁৰ ভৰিৰ তলৰ পৰা খহি পৰিল। ইমান দিনৰ সুখ্যাতি, গৌৰৱ সকলোবোৰ ধূলিৰ লগত মিহলি হৈ গ'ল।

আকৌ মনত পৰিল তেওঁৰ ৰাজেনৰ মুখৰ কথাষাৰ—'মৰ্গতথকা ডেড্‌বডি কেইটাৰ ভিতৰত এটাই দেখোন উশাহ লৈ আছে, ছাৰ।' তৎক্ষণাৎ ফাইল খুলি চাইছিল তেওঁ। যোৱাকালি চাৰ্জিকেল ৱাৰ্ডত যি কেইজন ৰোগীৰ মৃত্যু হোৱা বুলি ঘোষণা কৰা হৈছিল গোটেই কেইজনকে পৰীক্ষা কৰি চাই মৃত বুলি ঘোষণা কৰি চহী কৰি দিছিল। অথচ তাৰ মাজৰ পৰা এজনে উশাহ লৈ আছে? কেনেকৈ হৈ গ'ল বাৰু ইমান ডাঙৰ ভূলটো? মুহূৰ্ত্ততে ঘটনাটো চাৰিওফালে বিয়পি পৰিব। যশ-কীৰ্ত্তিৰ ঠাইত কেউদিশে হ'ব কুখ্যাতি, অপযশ। কোনো বেমাৰীয়ে তেওঁৰ ওচৰলৈ আগৰ দৰে পৰম বিশ্বাসত নহা হ'ব। কথাবোৰ ভাবি ভাবি অস্থিৰ হৈ উঠিল। বৰুৱাৰ মুখমণ্ডলত বিন্দু বিন্দু ঘামৰ টোপাল বিৰিঙি উঠিল।

—সেই ৰোগীজনক বিচাৰি কোনোবা আহিছে নেকি? বৰুৱাই প্ৰশ্ন কৰিলে।

—এতিয়ালৈকে অহা নাই চাৰ। ৰাজেনে উত্তৰ দিলে।

—ঠিক আছে। মৰ্গৰ দুৱাৰখন বাহিৰৰ পৰা টলা লগাই থ। আদেশৰ সুৰত ক'লে বৰুৱাই। ৰাজেনে মূৰ দুপিয়াই যাবলৈ ওলাল। তাক পুনৰ মাতি ক'লে কথাটো যাতে কোনেও গম নাপায় তালৈ চকু ৰাখিবি। বৰুৱাই ভালকৈয়ে জানে যে তেওঁৰ আদেশ অমান্য কৰাৰ শক্তি ৰাজেনৰ নাই। তেওঁৰ জহতে দুবেলা দুসাজ খাই জীৱন-ধাৰণ কৰাৰ উপায় এটা পায় আছে। তাক লৈ তেওঁৰ ভয় নাই। কিন্তু ভয় হৈছে বেমাৰীজনক লৈ। চিকিৎসা জীৱনত নিজে কৰি পেলোৱা ভূলখিনিক লৈ। ভাবিবলৈ বেছি সময় নৌপাওঁতেই অপাৰেচন থিয়েটাৰলৈ যাব লগীয়া হৈছিল বৰুৱা। ওলাই আহি অকলশৰে একেবোৰ কথাকে ভাবি বহি আছে নিশ্চুপ হৈ।

—চাৰ, ৰাজেন সোমাই আহি মাতিলে। থমকি উঠিল ডাঃ বৰুৱা। কি হ'ল?

—চাৰ মৰ্গৰ ভিতৰত থকা মৃত দেহ কেইটা চুপাৰিণ্টেণ্ডেণ্ট উলিয়াই পেলাব কৈছে। মুহূৰ্ত্তৰ ভিতৰতে জাগ্ৰত হৈ উঠিল বৰুৱাৰ মনত এক পৈশাচিক প্ৰবৃত্তি। নিজে নজনাকৈ এক ভয়াবহ ধ্বংসমুখী ৰূপ জাগি উঠিল তেওঁৰ দৃষ্টিত। এটা মাত্ৰ ভূলৰ কাৰণে, অজানিতে কৰা এটা ভূলৰ কাৰণে গোটেই জীৱনটো নষ্ট কৰি দিব নোৱাৰি। বহুত বেমাৰীক মৃত্যু মুখৰ পৰা আঁতৰাই আনিছে তেওঁ। বহুত বেমাৰী তেওঁৰ যত্নতে ভাল হৈ উঠি নতুন উদ্যমেৰে ওলাই গৈছে। কিন্তু আজি যদি অজানিতে হোৱা তেওঁৰ এই ভুলটো বাহিৰত ওলাই পৰে—চিকিৎসা জীৱনৰ পৰা গোটেই জীৱনৰ কাৰণে অৱসৰ ল'ব লাগিব তেওঁ। নাই, নাই সেইটো হ'ব দিব নোবাৰি—মনতে ভাবিলে ডাঃ বৰুৱাই। বহুত মানুহৰ জীৱন বচাই বহুত পুণ্যইতো তেওঁ এই দুখন হাতেৰে কৰিছে। আজি যদি এটা পাপ কৰি পেলায়, বহুত পুণ্যৰে সেইখিনি পাপ ধুই নিব নোৱাৰিব জানো? ক্ষণিকৰ এটা মাত্ৰ দুঃসাহস। ইনজেক্‌চনৰ এটা মাত্ৰ খোচত স্তব্ধ হৈ যাব মৰ্গৰ ভিতৰত জীয়াই থকা মানুহটোৰ হৃদপিণ্ডৰ স্পন্দন। কোনেও গমেই নাপাব কথাটো। গোটেই সমস্যাটো লগে লগে নাইকীয়া হৈ যাব। বেগৰ ভিতৰত সৰু ঔষধৰ বটল এটাৰ সৈতে ইনজেক্‌চনৰ চিৰিঞ্জটো ভৰাই ল'লে। তাৰ পিছত বাহিৰলৈ ওলাই আহিল সম্পূৰ্ণ অকলশৰে। মনৰ মাজত মাত্ৰ এটাই কথা, তেওঁ মৃত বুলি চিনাক্ত কৰা এজন ৰোগীয়ে মৰ্গৰ ভিতৰত উশাহ লৈ আছে।

লিফটৰ ওচৰলৈ আহি ডাঃ বৰুৱাই ইলেকট্ৰিচিটিৰ অভাৱত লিফ্‌ট বিকল হৈ আছে। উপাই নাপায় পাঁচ মহলীয়া বিল্ডিঙৰ পৰা খোজ কাঢ়িয়েই নামি

আহিবলৈ ধৰিলে। বিৰাট এক মানসিক দ্বন্দ্বত ভুগি এটা এটাকৈ চিৰি বগাইছে। আহি দুমহলাৰ বাৰান্দা পালেহি। আউলি-বাউলি হৈ কান্দি কান্দি লগত এজনী কণমানি ছোৱালী লৈ দৌৰি আহিল এজনী মহিলা। কান্দি কান্দি মহিলাজনীয়ে তেওঁৰ ভৰিত পৰি ক'লে—আপুনিতো বৰ ডাঙৰ ডাক্তৰ। বহুতো বেমাৰীক আপুনি ভাল কৰিছে। এই অভাগিনীৰ ফোটটো কিয় মচি নিলে চাৰ? কান্দি কান্দি ভাগৰি পৰিছিল তাই। মুখেৰে এটাও শব্দ উচ্চাৰণ নকৰাকৈ ভাৱলেশহীন ভাৱে পুনৰ আগবাঢ়িল ডাঃ বৰুৱা।

আকৌ চিৰি নামিলে তেওঁ। জাৰৰ দিনতো জপজপীয়াকৈ ঘামিছিল। ডিঙিৰ টাইডাল ঢিলা কৰি লৈ প্ৰতিটো চিৰিত খোজ দি কেৱল নামি আছে। ভাগৰত ফোঁপাইছিল যদিও ক'তো অকণো ৰোৱা নাই। হঠাতে মনৰ মাজত চিন্তা হ'ল কোন বাৰু এইজনী মহিলা। মৰ্গৰ ভিতৰত উশাহ লৈ থকা মানুহজনৰ ঘৈণীয়েক নহয়তো? ভয়ত শিয়ৰি উঠিল বৰুৱা। পিছ মুহূৰ্ত্তত আকৌ মনৰ গোটেই ভাৱখিনি জোৰকৈ জোকাৰি পেলালে তেওঁ। হাতৰ বেগটো পুনৰ জোৰেৰে খামুচি ধৰি মনটো দৃঢ় কৰি লৈ আকৌ আগবাঢ়িল। লক্ষ্য কেৱল মৰ্গলৈ।

আকৌ চিৰিৰ পৰা নামিছে বৰুৱাই। আহি আহি মৰ্গৰ দুৱাৰমুখ পালেহি। ইতিমধ্যে ৰাজেনে আহি মৰ্গৰ দুৱাৰমুখত থিয় হৈ আছিলহি। তেওঁক দেখিয়েই সি তলাটো খুলি দুৱাৰখন মেলি দিলে। বৰুৱা ভিতৰত সোমাই গ'ল। পিছে পিছে ৰাজেনেও ভিতৰ সোমাব খুজিলে। তাক বাধা দি তেওঁ কৈ উঠিল—এইফালে কোনোবা আহিব পাৰে। তই বাহিৰতে থাক গৈ। ৰাজেন ওলাই গ'ল। বাহিৰৰ পৰা সি দুৱাৰখন জপাই দিলে। এইবাৰ বৰুৱা আগবাঢ়িল ডেড্‌বডী কেইটাৰ ওচৰলৈ বন্ধ মৰ্গৰ ভিতৰত কিবা এটা বিষাক্ত বায়ুই কেইপিনে বিচৰণ কৰি আছিল। গোটেই দুৰ্গন্ধময় বিষাক্ত বায়ুখিনি আহি ডাক্তৰ বৰুৱাৰ নাকে-মুখে সোমালহি। জীৱন আৰু মৰণৰ সৈতে সদায় যুঁজ কৰি অহা ডাঃ বৰুৱাৰ কোনজনে উশাহ লৈ আছে চিনি উলিওৱাত বেছি সময় নালাগিল। দূৰৰ পৰাই চিনি পালে তেওঁ আৰু লাহে লাহে গৈ উশাহ লৈ থকা মাটিত পেলাই থোৱা ৰোগীজনৰ কাষত বহিলগৈ। বেগটো খুলি ইনজেক্‌চনৰ চিৰিঞ্জটো ঔষধৰ বটলটো উলিয়াই ল'লে। গোটেইখিনি ঔষধ চিৰিঞ্জৰ ভিতৰত ভৰাই লৈ হাতখন দাঙি লৈ ওপৰলৈ মুখ কৰি চিৰিঞ্জটো এবাৰ পৰীক্ষা কৰি চালে। এনেতে তেওঁৰ চকু গ'ল ওপৰৰ ফেন কেইখনলৈ। অচল হৈ থকা ফেন কেইখন আৰু টিউব লাইট কেইটা দাঁত নিকতাই তেওঁকে যেন বিদ্ৰুপ কৰি আছে। আকৌ জপ-জপীয়াকৈ ঘামি উঠিল। কাণৰ কাষত যেন কিবা এক উত্তাপ অনুভৱ কৰিলে। হৃদপিণ্ডৰ স্পন্দন যেন তীব্ৰ হৈ উঠিল। আকৌ মনতে ভাবিলে নাই, নাই, মই কেতিয়াও হাৰ নামানো। হাৰ নমনাৰ শক্তি মোৰ আছে। আৰু বেছি জাগ্ৰত হৈ উঠিল তেওঁৰ হিংস্ৰ স্বভাৱটো। এখন হাতেৰে ৰোগীজনৰ হাতখনত আনখন হাতেৰে ইনজেক্‌চনৰ চিৰিঞ্জটো আগবঢ়াই নিলে। হঠাতে তেওঁ দেখিলে কেউদিশে পোহৰ, কেৱল পোহৰ। এজাক শীতল বতাহো আহি তেওঁৰ গোটেই শৰীৰ চুই গ'ল। ওপৰলৈ মূৰ তুলি চালে দেখিলে গোটেই লাইটবোৰ জ্বলি উঠিছে। ফেনবোৰো ঘূৰি ঘূৰি কেউপিনে বতাহ দি দুষিত বায়ুবোৰ যেন আঁতৰাই দিলে। বৰুৱাই বুজিলে ইলেকট্ৰিচিটি পুনৰ চালিত হ'ল। পোহৰত ৰোগীজনৰ মুখখনলৈ চালে। দেখিলে স্বাভাৱিক ভাৱে উশাহ লৈ শান্তিত শুই থকা এখন পৱিত্ৰ মুখ। ফেনৰ বতাহ লাগি ৰোগীজনৰ চুলিবোৰ কঁপি উঠিছিল। লাহে লাহে চকুৰ আগত সকলো বস্তুৱেই ডাঃ বৰুৱা ধূসৰ হৈ আহিল। আকৌ মনত পৰিল দুমহলাৰ বাৰান্দাত লগ পোৱা চকুপানী ভৰা মানুহজনী আৰু এজনী শিশু কন্যাৰ নিস্পাপ মুখলৈ। লগে লগে চকুৰ আগত ভাঁহি উঠিল তেওঁৰ আন দুখন মুখ। বৰুৱাৰ পৰিনীতা কৰবীৰ মুখ আৰু তেওঁৰ দুবছৰীয়া কন্যা সন্তানটিৰ মুখখন। চিৰিঞ্জটোলৈ পুনৰ চাই পঠিয়ালে তেওঁ। সদায় ৰোগীৰ চিকিৎসাৰ কাৰণে ব্যৱহাৰ কৰি অহা গোটেই চিৰিঞ্জটো আজি যেন এখন চুৰি হিচাবে ব্যৱহাৰ কৰিব ওলাইছে। গোটেই চিৰিঞ্জটোৱেই এখন তীক্ষ্ণ চুৰি হৈ তেওঁৰ দৃষ্টিত





ধৰা দিলে। যিমানে কথাবোৰ ভাবিলে সিমানে উৰ্দ্ধমুখী হ'ল তেওঁৰ মন আৰু তেওঁৰ ব্যক্তিত্ব। পাৰ্থিৱ সকলো লোভ-মোহৰ পৰা আৰু সকলো মান-অপমানৰ পৰা তেওঁ এতিয়া ওপৰত।

হঠাৎ ফোপাই-জোপাই ভিতৰলৈ সোমাই আহিল ৰাজেন।

—চাৰ, চুপাৰিণ্টেণ্ডেন্ট এইফালে আহি আছে। আপুনি সোনকালে কৰক।

ডাঃ বৰুৱা থিয় হ'ল। সম্পূৰ্ণ স্বাভাৱিক মাতেৰে তেওঁ ৰাজেনক আদেশ দিলে—'ট্ৰেচাৰৰ সৈতে দুটা মানুহ মাত। ৰোগীজনক সোনকালে বেড্‌লৈ অনাৰ ব্যৱস্থা কৰিব লাগে। মই এতিয়াই তেওঁৰ চিকিৎসা কৰিম।'

অবাক দৃষ্টিত ৰাজেনে বৰুৱাৰ মুখখনলৈ চাই থাকিল। মুখেৰে এটা শব্দও সি উচ্চাৰণ নকৰিলে। কোনোফালে নোচোৱাকৈ স্থিৰ গতিত পোনে পোনে মৰ্গৰ বাহিৰ ওলাই আহিল।

ইতিমধ্যে চুপাৰিণ্টেণ্ডেণ্টেও ৰাজেনক বিচাৰি আহি মৰ্গৰ সন্মুখ পাইছিলহি। ডাঃ বৰুৱাই তেওঁলৈ চাই পঠিয়ালে তীক্ষ্ণ দৃষ্টিৰে। ক্ষন্তেক পিছতে বেগৰ পৰা উলিয়াই ঔষধৰ বটলটো আৰু ইনজেক্‌চনৰ চিৰিঞ্জটো দলিয়াই দিলে বহু দূৰলৈ। ❑❑

# উপন্যাস



উপন্যাস



## মৃত্যুক সাৱতি সমাধি তলিত

শ্ৰীতপন শইকীয়া
স্নাতক, তৃতীয় বৰ্ষ (কলা)

তেতিয়া সূৰ্য্যাস্তৰ সময়। আকাশখনত সূৰুযে অতিশয় তাপ বিশিষ্ট কিৰণ এৰি হেঙুলীয়া ৰঙতোৰে প্ৰস্ফুতিত কৰিছে। তাতে বসন্ত কাল। গছবোৰৰ নতুন কুঁহিপাতবোৰত কলিয়া ভোমোৰা উপচি পৰি বসন্ত মাধুৰি লৈ অপূৰ্ব শোভাৰে জিলিকি উঠিছে। ডালে ডালে পৰি বিবিধ পখীয়ে মধুময় আৱেগত নানা গুঞ্জন ধ্বনিৰে চৌদিশে মুখৰিত কৰিছে। তাতোকৈ কুলিটিয়ে কোমল সেউজীয়া পাতবোৰৰ মাজৰ পৰা কু-কু মধু কণ্ঠেৰে এটি মোহনীয় পৰিৱেশ জগাই তুলিছে।

জীপখন লাহে লাহে আগবাঢ়িছে গাওঁখনলৈ। ৰাস্তাতো গোটেই বেয়া নহয়। অৱশ্যে সেইফালেৰে গাড়ী অহা-যোৱা প্ৰায় নকৰেই। পলাশে ঘড়ীটোলৈ চালে পাঁচ বাজি পঁচিশ মিনিট গৈছে তেতিয়া।

'পলাশ দা, আহিল নেকি?' নিচেই ওচৰৰ পৰা এক নাৰী কণ্ঠ শুনিবলৈ পালে পলাশে। ঘূৰি চাই দেখিলে সেউজীয়া চুৰিদ্দাৰ পিন্ধি সেউজীয়া চুৰ্ণী উৰুৱাই সাম্যক ওখ লাহীদেহ পৰিৱেশী 'নয়না'। ওচৰতে বহি থকা প্ৰীতমো স্তব্ধ হৈ গ'ল দুচকু মুহূৰ্ত্তৰ কাৰণে। পলাশে গাড়ী ব্ৰেক কৰি দৰজাখন খুলি লাহেকৈ নামি আহিল।

অ, নয়না, কি খবৰ?

ভালেই।

প্ৰীতম চাও নামি আহাচোন, গাড়ীৰ ফালে চাই পলাশে কয়। প্ৰীতম গাড়ীৰ পৰা নামি আহে।

ননি, এয়া মোৰ বন্ধু 'প্ৰীতম' পলাশে নয়নালৈ চাই কয়।

নয়নাই নমস্কাৰ দিয়ে প্ৰীতমলৈ চাই। প্ৰীতমৰ চকু থমকি ৰয় নয়নাৰ মুখত। সি পাহৰিয়েই গৈছিল প্ৰতি নমস্কাৰ দিবলৈ।

'ক'তা তুমি দেখোন নমস্কাৰ নিদিলা'—হাঁহি হাঁহি পলাশে ক'লে।

অ, নমস্কাৰ!

নয়নাৰ হঠাতে হাঁহি উঠি গ'ল। তাই মুখখন চেপি ভৰিৰ বুঢ়া আঙুলিটোৰে বন এডাল খুচৰি থাকি পুনৰ প্ৰীতমৰ মুখলৈ চালে। মোহময় আৱেশত প্ৰীতমৰ চকু দুটিয়েও নয়নাৰ চকুত পৰশ লগাই। নয়নাই লাজতে তলমূৰ কৰে।

ননি আমি যাওঁ বাৰু। কাইলৈ দেখা হ'ম—পলাশে ক'লে।

অ, আমাৰ ঘৰলৈ যেনে-তেনে যাব কিন্তু, মিচিকীয়া হাঁহিৰে নয়নাই ক'লে।

জীপখন আকৌ চলিব ধৰিলে।

কেকুৰীটো ঘূৰিয়েই নামঘৰটোৰ কাষতেই পলাশহঁতৰ ঘৰ। পদূলীত হৰ্ণ বজোৱা মাত্ৰকেই পলাশৰ মাক মুখত এমোকোৱা হাঁহি লৈ ঘৰৰ পৰা প্ৰায় দৌৰিয়েই আহিল। আহিয়েই এক একুৰি প্ৰশ্ন কৰে পুতেকক 'ইমান দিন হ'ল কিয় অহা নাই।, টকা-পইচাৰ বাবে দিগ্‌দাৰ হৈছে নেকি? ইত্যাদি ইত্যাদি।

দেউতাকে মাকক অলপ ধমকিৰ সুৰতে কয়—"হেৰা ল'ৰাজনক আগতে আহিবলৈ দিয়াচোন। পিছতো সেইবোৰ সুধিব পাৰিবা, অলপ জিৰণীকে ল'বলৈ দিয়া।

ক'ত সোমায় আছিল জানো পলাশহঁতৰ চাকৰ নৰেন, সি'সৰুবোপা আগচ্ছতি আগচ্ছতি' বুলি দৌৰিব খোজোতেই উজুটি খাই ওচৰতে শুই থকা কুকুৰটোৰ গাতে পৰিল গৈ। বেচেৰা কুকুৰটোৱে কেংকেঙাই নেজডাল ওপৰ কৰি তৰানৰা ছিঙা লৰ দিলে। আনফালে নৰেনে, অ' সৰুবোপা ভাল বাচিলো ঐ। প্ৰভুভক্ত কুকুৰ বুলি জ্ঞানী সকলে এনেয়েই কয়নে। সেইবাবেইটো স্বয়ং যুধিষ্ঠিৰে কুকুৰটোক সৰগলৈ লৈ গৈছিল।

—অ' সৰুবোপা মোৰ বস্তুটো পিছে আনিচানে নাই?

—কি বস্তু?

—সেই যে চোবাই চোবাই মুখত বেলুন তুলিব পাৰি। বোলাৰ নে চোলাৰ বুলি কয়।

—অ' বোমাৰ, পাহৰিলো অ'।

—তইটো সকলোবোৰেই পাহৰ।

—তোক পইচা দিম দে আনি লবি নিজে। লাহে লাহে ঘৰত প্ৰৱেশ কৰে সিহঁতে।

পিচদিনা পলাশ আৰু প্ৰীতম দুয়ো নয়নাৰ ঘৰলৈ গ'ল। নয়নাৰ মাকে সিহঁতক সম্ভাষণ জনাই চ'ৰা ঘৰতে বহিব দিলে। 'বহা পলাশ, পিছে ঘৰলৈনো কেতিয়া আহিলা—নয়নাৰ মাকে পলাশৰ ফালে চাই সুধিলে।

যোৱাকালি সন্ধিয়া আহিলো জেঠী।

তোমালোক বহাচোন দেই, মই জেঠাৰক মাতি দিছো বৰা। এই বুলি কৈ নয়নাৰ মাক ভিতৰলৈ যায়। প্ৰীতমে ওচৰতে থকা মেজখনৰ পৰা আলোচনী এখন লৈ পাত লুটিয়াব ধৰে। এনেতে নয়নাৰ দেউতাক সোমাই আহে। মানুহজন প্ৰতিস্থাশীল সামাজিক শ্ৰদ্ধাবান আৰু গাম্ভীৰ্য্যপূৰ্ণ। কথাত মানৱতাসুলভ অভিব্যক্তি। পলাশ আৰু প্ৰীতমে থিয় হৈ তেওঁক অভিবাদন জনালে।

বহা, বহা। পিছে ঘৰ কোন দিনা পালাহি পলাশ?

যোৱাকালি জেঠা। পলাশে উত্তৰ দিয়ে।

অ' এওঁ আকৌ?

মোৰ বন্ধু প্ৰীতম, ঘৰ যোৰহাটত; আমি একে ডিপাৰ্টমেন্টতে চাকৰি কৰো। পলাশে ক'লে।

প্ৰীতমে থিয় হৈ পুনৰবাৰ অভিবাদন জনালে।

অ'.........। বহা বোপা। মই ভাবিলো অকণমান ওলায়েই যাওঁ। ঘৰটোতেনো কিমান সোমই থাকিম। এনেতে ননীৰ মাকে ক'লে তোমালোক অহা বুলি। ভালেই হ'ল দিয়া পলাশ, বহুদিন তোমাক লগ পোৱা নাই। তোমালোক এনেদৰে আহি থাকিলেহে ভাল লাগে। কথা-বতৰা পাতিবলৈ মানুহেই নাপাওঁ। অৱসৰ লোৱা আজি চাৰি বছৰেই হ'লহি। আগতে স্কুলতে ব্যস্ত আছিলো। আজিকালি পিছে দিনবোৰো সলনি হ'ল। কিমান শুনিবা—আজি বোলে ধৰ্মঘট, কালি আন্দোলন আৰু হত্যা, লুণ্ঠণ এইবোৰটো আমাৰ চকুৰ আগতেই ঘটিব ধৰিছে। সেইবাবেইটো বিভিন্ন আন্দোলনে গা-কৰি উঠিছে। ইমান সুন্দৰ অসমখনত এতিয়া কিমান যে সমস্যা। নিৰ্দোষী লোকৰ ওপৰত কৰা হাৰাশাস্তিয়ে এতিয়া চৰম ৰূপ পাইছেগৈ। শান্তি প্ৰতিষ্ঠাৰ আশাত অসমৰ জনসাধাৰণে উদ্বাউল হৈছে। আৰু এই শিক্ষা ব্যৱস্থালৈকে নোচোৱা কিয়? কেনে অৱনতি ঘটিবলৈ আৰম্ভ কৰিছে। স্বাধীনতাৰ পিছতেই দেশৰ প্ৰথম কৰ্ত্তব্য আছিল শিক্ষাৰ সংস্কাৰ কৰা, শিক্ষাৰ মান আৰু স্থান উন্নত কৰা। পিছে সকলোবোৰতেই এতিয়া ঘূণে ধৰিবলৈ আৰম্ভ কৰিছে।

'দেউতা অলপ ভিতৰলৈ আহাচোন'—ভিতৰৰ পৰা নয়নাই চিঞৰিলে।

এই মাতিলেই নহয় এইজনীয়ে। বুজিছা পলাশ, এইজনীয়ে মোক বৰ দিগদাৰ দি থাকে। বাৰু তোমালোক বহাচোন দেই, মই ভিতৰৰ পৰা আহো।

এনেতে নয়নাই চাহ লৈ সোমাই আহে। দেউতাও যে আৰু, কথা আৰম্ভ কৰিলে শেষ নহয়। চাহ খাওঁক দাদা—নয়নাই চাহ আগবঢ়াই দিলে। প্ৰীতমে ননীলৈ চালে; এজনী ক্ষীণাঙ্গী, লাহী ওখ ছোৱালী। এজাক ধুমুহাৰ মাজত এডাল ক্ষীণ গছপুলি থিয় হৈ থকাৰ দৰে থিয় হৈ আছে। সি চাহৰ কাপটো হাতত তুলি ল'লে। সৌহাদ্যপূৰ্ণভাৱে দুয়োৰে পৰিচয়ো হ'ল। সেয়াই মাথো আৰম্ভণি। দুদিনমান নয়নাৰ সৈতে ঘূৰিলেও খুব সহজ ভাবেই। অৱশ্যে পলাশো সিহঁতৰ লগত থাকিল। মাজে





মাজে প্ৰীতমে নয়নালৈ পলাশে গম নোপোৱাকৈ নোচোৱাকৈ থকা নাছিল।

এনেদৰে প্ৰায় দহদিনৰ মূৰত প্ৰীতম নিজ ঘৰলৈ উভতিল। পলাশ অৱশ্যে ঘৰতে থাকিল। ঘৰপোৱাৰ কেইদিনমান পিছতে নয়নাৰ পৰা চিঠি এখন পাইছিল। তাই লিখিছিল—

**মৰমৰ প্ৰীতম দা,**

মৰম ল'ব। আপুনি যোৱাৰ পিছৰে পৰা মোৰ ভাল লগা নাই। কিয় জানো আপোনাৰ ছবিটিয়ে আমনি কৰি থাকেহি। আপোনাৰ মিঠা মিঠা কথাবোৰে মোৰ মনত বাৰে বাৰে প্ৰতিধ্বনিত হয়। কিয় জানো এনে হ'ল। আপুনি আকৌ এবাৰ ইয়ালৈ আহিব নোৱাৰেনে...........? আৰু বহুত কিবা-কিবি লিখিছিল নয়নাই। প্ৰীতমৰ চোৱাৰ আৰু ধৈৰ্য্য নহ'ল। সি পোনেই গ'ল বিচনালৈ। তাৰ কাণ মূৰ গৰম হৈ গ'ল। কাহানিও এনেকুৱা পৰিস্থিতিৰ সন্মুখিন নোহোৱা প্ৰীতমৰ বাৰে বাৰে মনলৈ আহিল সেই মুখখনৰ কথা। তাৰ নিজৰ ওপৰতেই খং উঠি গ'ল, তাৰনো কি প্ৰয়োজন আছিল তাইৰ ফালে চাবলৈ, তাইৰ সৈতে ঘূৰিবলৈ। সিটো বহুত ছোৱালী লগ পাইছে, কথা কৈছে, ঘূৰিছে কিন্তু সিহঁতৰ এজনীয়েও তাৰ প্ৰতি আগ্ৰহ নেদেখুৱালে; অথচ সেইজনী ছোৱালীয়ে—। নহয়, নহয়; সি ননীৰ ঘৰলৈ পুনৰ যাব। তাইৰ দৰে সহজ-সৰল ছোৱালী এজনীৰ মৰমক কোনোকালে আওকান কৰিব নোৱাৰে। এই ক্ষেত্ৰত সি অলপো কুণ্ঠাবোধ নকৰে।

তিনিমাহ পাছত প্ৰীতম পলাশৰ ঘৰলৈ গ'ল। গৈয়েই পলাশৰ সৈতে নয়নাৰ ঘৰ পালেগৈ। প্ৰীতমক পায় নয়নাৰ কিমান যে ফূৰ্ত্তী। তাইৰ কথা-বতৰা, চাৱনি ইত্যাদিৰ পৰা বুজা গ'ল তাই প্ৰীতমক গভীৰ ভাৱে হৃদয়ত ঠাই দিছে। প্ৰীতমে তাৰ প্ৰতি থকা নয়নাৰ ভাল পোৱাক প্ৰত্যাক্ষান কৰিবলৈ সত নগ'ল। নয়নাৰ এই অফুৰন্ত প্ৰেমক প্ৰকৃত প্ৰেমৰ মৰ্য্যাদা দিবলৈ ঠিৰাং কৰিলে। এইদৰে প্ৰায় চাৰিদিনৰ অন্তত প্ৰীতম ঘৰলৈ ওলাল। সি মাত্ৰ তিনি দিনৰ কাৰণেহে চুটি লৈছিল। প্ৰীতমে বিদায় লবৰ দিনা ননীয়ে খুউব কান্দিছিল। সি তাইক কিবা-কিবি কব বিচাৰিছিল। কিন্তু মাতটো ক্ৰমে থোকাথুকি হৈ আহিছিল। ননীয়ে তাক সাৰতি লৈছিল। তাইৰ চকুৰ পানীয়ে প্ৰীতমৰ চাৰ্টটো তিয়াই পেলাইছিল। দুহাতেৰে দুগালত হেঁচি ধৰি প্ৰীতমে ননীৰ অশ্ৰুসিক্ত মুখখনলৈ থৰ লাগি চাইছিল। বেদনাসিক্ত মনেৰে দুই আঙুলিৰে লোটকখিনি মচি দি সি বিদায় লৈছিল।

দিনবোৰ ক্ৰমে আগবাঢ়ে বহুতো চিঠিৰ আদান-প্ৰদানেৰে, মিঠা মিঠা লগা ৰঙীণ কল্পনাৰে। প্ৰীতমে ননীক নিজৰ কৰি লোৱাৰ কথা ভাবিলে। ঠিক ডাণ্টেই যেনেকৈ ভাবিছিল বিয়েট্ৰিছ কেৱল তেওঁৰ বাবেই।

ননীয়েও অনাস্বাদিত এক আনন্দানুভূতিৰে উপলব্ধি কৰিলে যে তাইৰ অন্তৰখনক প্ৰীতমে অধিকাৰ কৰি পেলাইছে। সংসাৰৰ সকলো ছোৱালীৰ দৰেই তাই ভাবিবলৈ ধৰিলে প্ৰীতমক লৈ এখন সুখৰ সংসাৰ পতাৰ কথা।

এদিন তাই প্ৰীতমৰ পৰা এখন চিঠি পাইছিল। চিঠি পাই ননীৰ গাত তৎ নাই। প্ৰীতমৰ মাক-দেউতাক আহিব সিহঁতৰ বিয়া সম্পৰ্কে আলোচনা কৰিবলৈ। দৌৰি গৈ ননীয়ে চিঠিখন মাকক দেখুৱালে। খবটো শুনি দেউতাকৰ মনতো খুব ফুৰ্ত্তী। দেউতাকে কি কি লাগিব এখন তালিকা প্ৰস্তুত কৰি বজাৰলৈ গ'ল।

অৱশেষত তেওঁলোক অহাৰ দিনটো আহি পালে। ৰাতিপুৱাৰে পৰা ননীৰ মাক-দেউতাকৰ গাত তৎ নাই। মাক ৰান্ধনী ঘৰতেই ব্যস্ত। দেউতাকে ইটো-সিটো দিহা-পৰামৰ্শ দি গৈছে। মাকৰ লগত লাগি গৈছে সিহঁতৰ কাম কৰা ল'ৰা যোগেন। মুঠৰ ওপৰত ঘৰখনত অসম্ভৱ ব্যস্ততা। ননীয়ে বিচনাখনতেই শুই কিবা-কিবি ভাবি ধৰিলে। হঠাৎ গাড়ী এখন ৰোৱাৰ শব্দত তাই সম্বিত ঘূৰাই পালে। তাই খিৰিকীৰে জুমি চাই দেখিলে তেওঁলোক আহি পাইছেহি। দেউতাকে আদৰি আনিবলৈ গৈছে তেওঁলোকক। ননীয়ে দেখিলে দেউতাকৰ বয়সৰ সমান মানুহ এজন গাড়ীৰ পৰা নামি আহিছে। পাছে পাছে এজনী মহিলা। তাই ভাবিবলৈ ধৰিলে এওঁলোক দুয়োগৰাকী তাইৰ মাক-দেউতাক হ'বগৈ।

কিন্তু প্ৰীতম, সি নাহিল দেখোন। তাইৰ মনতো বেয়া লাগি গ'ল। প্ৰীতমোটো আহিব পাৰিলেহেঁতেন। কিনো ডাঙৰ কামডাল ওলাল। তাই ভোৰভোৰাবলৈ ধৰিলে। হঠাতে তাইৰ হাঁহি উঠি গ'ল। চেহ কথাবোৰো যে ভাবিছে তাই। প্ৰীতম আকৌ কিয় আহিব। 'ননী, চাওঁ এইফালে আহাচোন'! দেউতাকৰ মাতত তাই সম্বিত ঘূৰাই পালে। তাই লাজ লাজকৈ ড্ৰয়িং ৰুম পালেগৈ। প্ৰীতমৰ মাকে একপ্ৰকাৰ ননীক টানি নি টপ-টপকৈ কেইটামান চুমা খাই পেলালে।

'হেৰি, আমাৰ প্ৰীতমৰ লগত বৰ ধুনীয়াকৈ মিলিবদেই'—প্ৰীতমৰ মাকে একে উশাহতে গিৰীয়েকৰ ফালে চাই ক'লে।

'অ মিলে কাৰণেইটো বোৱাৰী কৰি নিব ওলাইছো'—প্ৰীতমৰ দেউতাকে হাঁহি হাঁহি উক্তি কৰিলে। তেওঁলোক দুয়োজন পুনৰ দেউতাকৰ সৈতে কথা পতাত ব্যস্ত হোৱাৰ চলতে ননী ৰান্ধনী ঘৰত থকা মাকৰ ওচৰলৈ দৌৰ মাৰিলে।

বিয়ালৈ আৰু মাত্ৰ দহ দিন বাকী। দুয়ো ঘৰৰে বিয়াৰ আয়োজন ধুমধামেৰে চলিছে। সিদিনাখন প্ৰীতম ঘৰতে আছে। গাতো বিশেষ ভাল নহয় বাবে সি ঘৰতে শুই আছে। এনেতে পিয়ন এজন আহি টেলিগ্ৰাম এখন দি গ'ল। প্ৰীতমে লৰালৰিকৈ খুলি চাই দেখে সেইখন তেজপুৰৰ ভিনীদেৱেকে তালৈ লিখিছে—

**চেনেহৰ বোপাই,**

বাইদেউৰাৰ খুব টান অসুখ। মেডিকেলত ভৰ্ত্তি কৰিছো। অহাকালি অপাৰেশ্চন হোৱাৰ কথা, তুমি টকা অলপ যোগাৰ কৰি লৈ আহিবা।

ইতি

ভিনীদেউ

প্ৰীতমে দৌৰি গৈ কথাটো দেউতাকক কৈছিল। মাকে কথাটো শুনি কান্দিবলৈ ধৰিলে। প্ৰীতম উপায়হীন হৈ পৰিল। সি এতিয়া কলৈ যায় সি কৰে। তাতে দুপৰীয়াৰ পৰা আকাশত ক'লা মেঘ পূঞ্জীভূত হৈ অৱশেষত আৰম্ভ হ'ল প্ৰচণ্ড ধুমুহা আৰু লগে লগে ধাৰাষাৰ বৰষুণ। সি কোনোমতে টকা পোন্ধৰ হাজাৰ যোগাৰ কৰি লৈ সেই ধুমুহাৰ মাজতে গাড়ীলৈ বুলি ৰাওণা হ'ল। তাৰ চাৰ্ট-পেণ্ট বৰষুণত জিকি গৈছিল। গাড়ী গৈ নিশা ন বজাতহে তেজপুৰ পাইছিল গৈ। অতিপাত ধুমুহা আৰু বৰষুণৰ বাবে গাড়ী কেবাঠাইতো ৰব লগা হৈছিল সি গাড়ীৰ পৰা নামিয়েই ইফালে সিফালে ৰিক্সা পাই নেকি চালে। সি লক্ষ্য কৰিলে সকলো দোকান-পোহাৰ বন্ধ হৈ গৈছে। এক নিমাওমাও অৱস্থাই বিৰাজ কৰিছে। সি ভাবিলে অতিপাত ধুমুহাৰ কাৰণেই এনে হৈছে কিজানি। ৰিক্সা নাপাই খোজ কাঢ়িয়েই প্ৰীতমে ভিনীয়েকৰ ঘৰলৈ খোজ ল'লে। সি গৈ থকা অৱস্থাত এদল টহলদাৰী চি. আৰ. পি. এফৰ জোৱানৰ মুখামুখি হ'ল। আন্ধাৰৰ মাজতে কোনোবাই চিঞৰি উঠিল—'কৌন হ্যায় ভাগ যাওঁ। 'পাকৰো পাকৰো' কথা শেষ হ'ব নাপালেই লগে লগে তাৰ গাত পৰিল অসংখ্য লাঠিৰ কোব, চৰ, ঘোচা। তাৰ কাপোৰ-কানি তেজত ভিজি গৈছিল। সি কবই পৰা নাছিল ক'ৰ পৰা কি হ'লগৈ। প্ৰীতমে জনা নাছিল যে তেজপুৰত কোনো নিষিদ্ধ উগ্ৰপন্থী সংগঠনৰ দ্বাৰা সংঘটিত বোমা বিস্ফোৰণক কেন্দ্ৰ কৰি সান্ধ্য আইন জাৰি কৰা হৈছে। চি. আৰ. পি. এফৰ জোৱান কেইজনে তাক নানান অশ্লীলভাৱে গালি গালাজ কৰিবলৈ ধৰিলে। এনেতে এটা প্ৰচণ্ড কোব তাৰ মূৰত পৰিল। লগে লগে প্ৰীতম অজ্ঞান হৈ পৰিল। তাৰ পাছতো তাক লঠিয়াই গুৰিয়াই লেতু-সেতু কৰি পেলালে। এনেদৰে সেই অজ্ঞান দেহটোক নানা নিৰ্য্যাতন দি জোৱান কেইজন গৰ্বেৰে বুকু ফিন্দাই গুচি গ'ল।

পিছদিনা ৰাতিপুৱা দোকান খুলিবলৈ যোৱা দোকানী কেইজনমানে আৱিষ্কাৰ কৰিলে পুখুৰী এটাৰ পানীৰ যুঁৱলিত পৰি থকা প্ৰীতমৰ অচেতন দেহটোক। তাক লগে লগে মেডিকেলত ভৰ্ত্তি কৰা হ'ল। সেই একেখন মেডিকেলতে প্ৰীতমৰ বাইদেৱেক অঞ্জনাকো ভৰ্ত্তি কৰা হৈছিল। ভিনীদেৱেকে প্ৰীতমৰ অৱস্থা দেখি হিয়া-ঢাকুৰি কান্দিবলৈ ধৰিলে। ইফালে বাইদেৱেক অঞ্জনাই নাৰ্চৰ বাধাক আওকান কৰি তীব্ৰ অসুখৰ মাজতো বিচনাৰ পৰা নামি আহি প্ৰীতমক দেখাৰ লগে





লগেই বুকুফটা এটা তীব্ৰ চিঞৰ মাৰিলে। যেনেকৈ হঠাতে কোনোবাই অশৰীৰি প্ৰেতাত্মাৰ চায়া দেখি ভয়ত চমকি উঠে তেনেকৈ চিঞৰি অঞ্জনা মজিয়াত ঢলি পৰিল। মেডিকেলত হঠাতে হুলস্থূল লাগি পৰিল। ডাক্তৰ নাৰ্চ সকলোবোৰ দৌৰি আহিল। ডাক্তৰ আহিয়েই অঞ্জনাক মৃত বুলি ঘোষণা কৰিলে। পকামজিয়াত পৰি মূৰৰ পৰা অত্যন্ত তেজ ওলোৱাৰ ফলতেই প্ৰীতমৰ বাইদেৱেক অঞ্জনাৰ মৃত্যু হ'ল।

লাহে লাহে প্ৰীতমৰ অৱস্থাত বেয়াৰ ফালে ঢাল খাইছে। ডাক্তৰৰ অত্যাধিক চেষ্টাৰ ফলত চেতনা ঘূৰাই পাইছে যদিও অৱস্থা সংকটজনক। চেতনা পোৱাৰ পিচৰ পৰা সি ভ্ৰম বকিবলৈ আৰম্ভ কৰিছে। কেৱল 'ননী, ননী' বুলি চিঞৰিছে। কেতিয়াবা ইলেকট্ৰিক শ্বক লগা মানুহৰ দৰে চক খাই উঠে আৰু দৌৰি যাব খোজে 'ননী, ননী' বুলি। উঠিব নোৱাৰি ভৰি দুখনকে আচাৰ মাৰি দিয়ে। ডাক্তৰ কৰ্ত্তব্য বিমোঢ় হৈ পৰিল। তেওঁ মাথো কৰুণ ভাৱে প্ৰীতমলৈ চাই থাকিল। তেতিয়া এগৰাকী বয়সীয়া নাৰ্চে ডাক্তৰলৈ চাই ক'লে—"চাৰ ল'ৰাজনে যে ননী ননী বুলি বাৰে বাৰে উঠি যাবলৈ চেষ্টা কৰিছে; নিশ্চয় 'ননী' নামৰ কোনো আপোনজনক পাব বিচাৰিছে নেকি? তেওঁক পালে কিজানি.............. । নাৰ্চৰ কথা শেষ হ'বলৈ নাপালেই; ডাক্তৰে সৰগ ঢুকি পোৱাৰ দৰে মুখত উজ্জ্বল হাঁহি বিৰিঙাই কৈ উঠিল—'হয়, হয়, আপুনি ঠিকেই কৈছে। এওঁ কোনোবা আপোনজনকেই বিচাৰিছে। ডাক্তৰে প্ৰীতমৰ দেউতাকক চকীদাৰজনৰ যোগেদি চেম্বাৰলৈ মাতি পঠিয়ালে।

প্ৰীতমৰ দেউতাক চকুপানী মচি মচি ডাক্তৰৰ চেম্বাৰত উপস্থিত হ'ল। চাৰ মোক মাতিছিল?

হয়, আপোনাকে মাতিছিলো। চিন্তাৰ কোনো কাৰণ নাই। ডাক্তৰ ক'লে। কিছু সময় চিন্তা কৰি ডাক্তৰ পুনৰ ক'লে—'আচ্চা, কওঁকচোন আপোনাৰ ল'ৰাৰ কোনোবা 'ননী' নামৰ................ ।

'হয় চাৰ, ননী নামৰ ছোৱালী এজনীৰ সৈতে তাৰ বিয়াৰ বন্দবস্ত হৈছিল। প্ৰীতমৰ দেউতাকে হুমুনিয়াহ কাঢ়ি উত্তৰ দিলে।

সোনকালে ইয়ালৈ অনাৰ ব্যৱস্থা কৰক—ডাক্তৰে ক'লে।

প্ৰীতমৰ খবৰ পোৱাৰ লগে লগেই ননী মূৰ্চা গ'ল। পুনৰ জ্ঞান পাই ফেকুৰি ফেকুৰি কান্দিবলৈ ধৰিলে। দেউতাকে মূৰত হাত বুলাই বুজাবলৈ আৰম্ভ কৰিছে—'আই অ' নাকান্দিবাচোন। কপালত যি হ'বলগীয়া আছে সেইটো হ'বই। তই দুখ নকৰিবি অ।" ননীৰ অৱস্থা দেখি মাকো স্থিৰেৰে থাকিব নোৱাৰিলে। তেওঁ কান্দিব ধৰিলে। ননীৰ কান্দোনৰ প্ৰতি যেন গছৰ পাতবোৰেও সহানুভূতি জনালে। সিহঁতেও যেন লৰিব পাহৰি গ'ল। এনেতে এক ভগ্ন হৃদয় লৈ পলাশ ননীৰ কাষত উপস্থিত হ'ল। সি কিবা কব খুজিও ননীক একো কব পৰা নাই। তাৰ তলৰ ওঠটো সামান্য লৰিছে বতাহত দুৱৰি বন ঈষৎ লৰাৰ দৰে। কিন্তু এনেকৈ ৰৈ থাকিলে জানো হ'ব? প্ৰীতমে যে ননীক চাব বিচাৰিছে! হঠাতে তাৰ মনটোৱে কৈ উঠিল। সি অলপ নিজৰ মনকে প্ৰবোধ দি নয়নাক কৈ উঠিল "নাকান্দিবি ননী, প্ৰীতমৰ একো হোৱা নাই নহয়। মাত্ৰ সামান্য আঘাট পাইছে। ব'ল ব'ল সি তোক চাব বিচাৰিছে। ননীয়ে কান্দি কান্দিয়েই পলাশৰ পিচ ল'লে। পলাশে ক'ত বুজালে তথাপি তাইক শান্ত কৰিব নোৱাৰিলে। মেডিকেল পোৱাৰ পিছত তাই কান্দোন বেচিহে হ'ল। ননীক আলফুলকৈ লৈ গ'ল পলাশে প্ৰীতম থকা ৰুমটোলৈ।

প্ৰীতমক দেখাৰ লগে লগেই ননী থৰ লাগি গ'ল যেন এক আদিম শিলামূৰ্ত্তিহে। তাই বহল কৈ চকুদুটা মেলি প্ৰীতমলৈ চাই থাকিল। ননী যেন কান্দিবলৈ পাহৰিয়েই গ'ল। 'প্ৰীতম এয়া ননী আহিছে চোৱাচোন।' পলাশে প্ৰীতমৰ ওচৰলৈ গৈ মৰমসনা মাতেৰে ক'লে।

'উঃ ননী আহিছা, আহাচোন এইফালে। আঃ মই যে দেখিবলৈ পোৱা নাই।' প্ৰীতমে খুব কৰুণভাৱে সেহাই সেহাই ক'লে। ননী আৰু স্থিৰেৰে থাকিব নোৱাৰিলে। তাই দৌৰি গৈ প্ৰীতমৰ বুকুত মুখগুজি হুক্‌হুক্‌াই কান্দি দিলে।

মই আৰু নাবাচিম ননী, তুমি দুখ নকৰিবা। মই তোমাক বহুত মৰম কৰিছিলো ন-হ-য় ননী? মই

তোমাক ব-হু-ত সুখেৰে ৰাখিম বুলি ভাবিছিলো। আঃ কিন্তু ভগৱানে সেয়া হ'বলৈ নিদিলে। পলাশ, তই ক'ত আছ অ'; চাও এইফালে আহচোন। পলাশে লাহেকৈ প্ৰীতমৰ ওচৰলৈ গৈ হাতখন প্ৰীতমৰ গাত লগাই দিয়ে। প্ৰীতমে পলাশৰ হাতখন লিৰিকি-বিদাৰি চাই খেপিয়াই খেপিয়াই ননীৰ হাতখনো নিজৰ ফালে টানি আনে। পলাশে বুজিব পৰা নাই প্ৰীতমে কি কৰিব খুজিছে। লাহে লাহে ননীৰ হাত এখন পলাশৰ হাতৰ ওপৰত তুলি দিয়ে প্ৰীতমে। 'পলাশ, মই ননীক তোলৈ গতালো। তইঁত সুখেৰে থাকিবি। তই ননীক খুব মৰম কৰিবি। মই আৰু নাবাচিম।' এইখিনি কথা বৰ জোৰ কৰিহে সৰুকৈ কব পাৰিছিল প্ৰীতমে। সি আৰু কিবা কব বিচাৰিছিল; কিন্তু মাত একেবাৰে নোহোৱা হৈ গৈছিল। প্ৰীতমে চকু দুটা মেলি বৰ তীব্ৰ ভাৱে চাই হঠাতে চকু মাৰি দিলে। ননীয়ে প্ৰীতম দা, প্ৰীতম দা বুলি প্ৰীতমৰ বুকুত সাৱতি কান্দি উঠিল। তাই যেন বুজিব পৰা নাই প্ৰীতমৰ কি হৈছে। 'প্ৰীতম দা তুমি নামাতা কিয়? তাই প্ৰীতমৰ মুখখন লৰাই দিয়ে। 'প্ৰীতমে আৰু নামাতে ননী, সি আৰু কেতিয়াও আমাক নামাতে, প্ৰীতম গুচি গ'ল।' প্ৰীতম তই কি কৰিলি! পলাশে বুকুত ভুকুৱাই ভুকুৱাই কান্দিব ধৰিলে। ননীও কান্দি কান্দি ভাগৰি পৰিল।

তেতিয়া সন্ধিয়া লাগিছে। জোনটিয়ে ফট্‌ফটীয়া জোনাকেৰে পোহৰ বিলাইছে। দূৰৈৰ পৰা কোনোবাই গাই উঠিছিল—

'মৃত্যু সাৱতি সমাধি তলিত।' ❑❑

*"দুখ পাবলৈকে অভিজ্ঞতা লাভ কৰাৰ সলনি আনন্দ পাবৰ বাবে মোৰ কাৰণে এটা মুৰ্খই বেছি ভাল।"*

—শ্বেক্সপীয়েৰ

*"ধূৰ্ত্ত মানুহেই যি দেশত জ্ঞানী বুলি স্বীকৃত হয়; সেই দেশে আটাইতকৈ দুৰ্ভাগ্যৰ বোজা বহন কৰিব লগীয়া হয়।"*

—বেকন





# উপ-সভাপতিৰ প্ৰতিবেদন

মাতৃভূমিৰ মুক্তিৰ হ'কে যিসকল মহান জাতীয় বীৰে নিজৰ বুকুৰ ৰঙা তেজেৰে মাতৃভূমিৰ চৰণ ধুৱাই আত্ম-বিসৰ্জন দিলে সেইসকল জ্ঞাত-অজ্ঞাত শ্বহীদ বীৰ-বীৰাঙ্গনালৈ মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে সহৃদয় শ্ৰদ্ধাঞ্জলীৰ শৰাই নিবেদন কৰিছো। ইয়াৰ পিছতে শ্ৰদ্ধাঞ্জলীৰ শৰাই আগবঢ়াইছো মোৰ ভাতৃ সদৃশ সতীৰ্থ আমাৰ কাৰ্য্যকালৰে সমাজসেৱা বিভাগৰ সম্পাদক ঁমুনু বুজৰবৰুৱা দেৱলৈ। তেখেতৰ আকস্মিক পথ দূৰ্ঘটনাত হোৱা মৃত্যুত মই গভীৰ শোক প্ৰকাশ কৰি তেখেতৰ বিদেহী আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

১৯৯৬-৯৭ বৰ্ষৰ ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক উপ-সভাপতি হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাম-কাজ চলাই নিয়াৰ সুবিধাকণ দিয়াৰ বাবে মই সমূহ ছাত্ৰ-ছাত্ৰীকে প্ৰতিবেদনৰ জৰিয়তে আন্তৰিক অভিনন্দন জনাইছোঁ।

১৯৬৩ চনৰ ৫ আগষ্টত স্থাপিত হোৱা প্ৰাকৃতিক দৃশ্যৰে শোভনীয় হৈ থকা এই ৰঙিয়া মহাবিদ্যালয়খন ৰঙিয়া মহকুমাৰ নিচিনা এটা বৃহৎ অঞ্চল সাঙুৰি শিক্ষা আহৰণৰ মূল কাণ্ডাৰী হিচাপে থিয় হৈ আছে। বহু দূৰণিৰ পৰা ছাত্ৰ-ছাত্ৰী আহি এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনত শিক্ষা আহৰণ কৰি আছে। এই মহাবিদ্যালয়খনে আগবঢ়াই অহা অনবদ্য বৰঙণিৰ কথা বিদ্যান সমাজে কেতিয়াও উলাই কৰিব নোৱাৰে। বৰ্তমান পাঠদানৰত ছাত্ৰ-ছাত্ৰীসকলে কিছুমান সমস্যাৰ অনুভৱ নিশ্চয় কৰি আহিছে, যিহেতু এতিয়াও ৰঙিয়া মহাবিদ্যালয়খন বহুতো সমস্যাৰে জৰ্জৰিত।

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নিম্নোক্ত সমস্যাবোৰ অনুভৱ কৰি আহিছে—

১। এটা উন্নত মানদণ্ডৰ প্ৰেক্ষাগৃহ।
২। এটা ছাত্ৰ জিৰণী কোঠা।
৩। এটা দূৰ-দূৰণি ছাত্ৰৰ বাবে ছাত্ৰাবাস।
৪। এটা উন্নত মানৰ পাইখানা।

উক্ত সমস্যাসমূহ সমাধানৰ বাবে মই এজন উপ-সভাপতি হিচাপে চেষ্টাৰ ক্ৰুটী কৰা নাই। বহু কেইবাৰ এই সমস্যাবোৰ আগত লৈ কৰ্তৃপক্ষৰ কাষ চাপিছো। কিন্তু মহাবিদ্যালয়ৰ আৰ্থিক দিশটো টনকিয়াল নোহোৱা বাবে কৰ্তৃপক্ষয়ো নিৰৱতা অৱলম্বন কৰিব লগা হ'ল। উক্ত সমস্যাবোৰ মোৰ কাৰ্য্যকালত সমাধান কৰিব নোৱাৰাত মোৰ মনত এটা দুখ ৰৈ গ'ল। সেয়েহে এই প্ৰতিবেদনৰ জৰিয়তে যোৱাৰ আগমুহূৰ্ত্তত কৰ্তৃপক্ষক মই পুনৰবাৰ অনুৰোধ কৰিব বিচাৰিছো, যাতে উক্ত সমস্যাবোৰ ক্ষিপ্ৰ সমাধানৰ বাবে কৰ্তৃপক্ষই দৃঢ় পদক্ষেপ গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীক উপকৃত কৰে।

প্ৰতিবছৰে এইখন মহাবিদ্যালয়ত ছাত্ৰ সন্থাৰ বিষয়ববীয়া চামে চামে আহি আছে আৰু দায়িত্ব পালন কৰি গৈ আছে। সেই মৰ্মে ময়ো ১৯৯৬-৯৭ বৰ্ষত উপ-সভাপতি হিচাপে ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা নিৰ্বাচিত হৈছো। এতিয়া কথা হ'ল মই এই মহান উপ-সভাপতিৰ

দায়িত্ব বহন কৰিব পাৰিছোনে নাই সেইটো তুলনা কৰি চোৱাৰ দায়িত্ব ছাত্ৰ-ছাত্ৰী আৰু সন্মানীয় চাৰ-বাইদেউ সকলৰহে।

মোৰ কাৰ্য্যকালত গোটেইবোৰ সমস্যা সমাধান নহ'লেও অন্তত কেইটামান গুৰুত্বপূৰ্ণ সমস্যা সমাধান হৈছে বুলি গৌৰৱেৰে ক'লে ভুল কৰা নহ'ব। নিম্নোক্ত সমস্যা সমাধানত আমি সফল হ'ব পাৰিছো।

১। এটা উপযুক্ত আহল-বহল গ্ৰন্থাগাৰ নিৰ্মাণ
২। শ্বহীদ বেদীৰ চাৰিওফালে পকীবেৰ নিৰ্মাণ
৩। পুখুৰী পাৰত বহা চকী নিৰ্মাণ আৰু
৪। চাইকেল ষ্টেণ্ড নিৰ্মাণ

গতিকে মই নিঃসন্দেহে ক'ব পাৰো যে মোৰ কাৰ্য্যকালত যথেষ্ট উন্নয়নমূলক কাম মহাবিদ্যালয়ত হৈছে। মোৰ কাৰ্য্যকালৰ ভিতৰত উপৰোক্ত সমস্যা সমাধান কৰি ছাত্ৰ-ছাত্ৰীক উপকৃত কৰা বাবে অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় শ্ৰীযুত গোলোক চন্দ্ৰ ভূঞাঁ আৰু বৰ্তমান অধ্যক্ষ মাননীয় শ্ৰীযুত ভবেন্দ্ৰ নাথ ডেকা দেৱক মোৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন জনাইছো।

বৰ্তমান অসমৰ পৰিস্থিতিৰ বিষয়ে সকলোৱে জ্ঞাত। গোটেই অসমখন হত্যা, লুণ্ঠণ, ধৰ্ষণ, দুৰ্নীতি আদিয়ে ছানি ধৰিছে। এক অশান্তি পৰিৱেশৰ মাজত বন্দুক-বাৰুদৰ শব্দৰ মাজত, ছাত্ৰ-ছাত্ৰী সকলে শিক্ষা আহৰণ কৰিব লগা হৈছে। বহুতো শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী দেশৰ প্ৰশাসনৰ হাতত অপমানীত হ'ব লগা হৈছে। ছাত্ৰ-ছাত্ৰীসকলে আজি ৰাজপথলৈ ওলাই আহি দেশৰ স্বাৰ্থত, ৰাইজৰ স্বাৰ্থত প্ৰতিবাদী কণ্ঠেৰে আন্দোলন কৰিব লগা হৈছে।

গতিকে এনে এক জটিল সন্ধিক্ষণত ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰিব লগা হৈছে। সেয়ে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো যাতে অতি শীঘ্ৰে দেশৰ পৰিস্থিতি স্বাভাৱিক হয় আৰু ছাত্ৰ-ছাত্ৰীৱসকলে অধ্যয়নত মনোনিৱেশ কৰিব পাৰে।

বিগত সময়ছোৱাত আমাৰ কাৰ্য্যকাল চলাই নিয়াত বিশেষভাৱে সহায় কৰা ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া ক্ৰমে—শ্ৰীপৰেশ নাথ, মোহন মাধৱ বৰ্মন, প্ৰদীপ ডেকা, নুৰুল ইছলাম আহমেদ, সুশীল চৌধাৰী, মুনীন্দ্ৰ দাস, মোস্তাক আহমেদ, প্ৰণৱ শৰ্মা, প্ৰদীপ দাস আৰু মোৰ বন্ধু-বান্ধৱী ৰাজীৱ শইকীয়া, ভনীতা গোস্বামী, জুমি কলিতা, অৰ্চনা দাস, জয়শ্ৰী লহকৰ, হবিবা খাতুনৰ লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মই ধন্যবাদ জ্ঞাপন কৰিছো।

সদৌ শেষত ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ লগতে সমূহ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ বাবে আটাইৰে ওচৰত ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিছো।

"জয়তু ৰঙিয়া মহাবিদ্যালয়"

শ্ৰদ্ধাৰে—

**শ্ৰীঅৰূপ দাস**

*উপ-সভাপতি*





# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক্‌মুহূৰ্তত অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ বাবে যিসকল বীৰ শ্বহীদে আত্মবলিদান দি গ'ল সেইসকল মহানলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো।

ইয়াৰ লগে লগে মই অতি আন্তৰিকতাৰে সোঁৱৰিছো মোৰ কাৰ্য্যকালৰ প্ৰাৰম্ভণিতে আমাৰ সকলোৰে মাজত শোকৰ ছাঁ পেলাই চিৰ বিদায় লৈ যোৱা সমাজসেৱা বিভাগৰ সম্পাদক স্বৰ্গীয় মুনু বুজৰবৰুৱালৈ। ৺মুনুৰ বিদায়ী আত্মাৰ স্বৰ্গত স্থান বিচাৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

অতীতৰ 'ৰনদিনা' শব্দতোৱে যিদৰে আমাক এক অতীত বুৰঞ্জীলৈ লৈ যায়, সেই ৰনদিনা শব্দৰ পৰাই অহা 'ৰঙিয়া' শব্দতোৱেও যিদৰে অতীত আৰু বৰ্তমানক লৈ ১৯৬৩ ইং চনৰ পৰাই এক নিৰৱচ্ছিন্ন সেতু হিচাবে চানেকি দি আহিছে; একেদৰেই ৰঙিয়া মহাবিদ্যালয়েও আজিলৈকে ইয়াৰ নিজস্ব ঐতিহ্যৰে একক পৰিচয় বহন কৰি আহিছে। ৰঙিয়া মহাবিদ্যালয়ে বৌদ্ধিক তথা আধ্যাত্মিক জগতলৈ এক চানেকি দি অহা অনবদ্য আদৰ্শ তথা বৰঙণিৰ কথা বিদ্বান সমাজে কেতিয়াও নুই কৰিব নোৱাৰে। মহাবিদ্যালয়খনে শিক্ষা, বৌদ্ধিক তথা আধ্যাত্মিক দিশতেই যে প্ৰভাৱ পেলাইছে এনে নহয়, দেশ তথা জাতিৰ সংকটকালত প্ৰতিজন ৰঙিয়ানে নিজৰ দায়িত্ব তথা কৰ্ত্তব্য পালন কৰি আহি, দেশ তথা জাতিৰ প্ৰতি থকা প্ৰেম দেখুৱাই অহাতো সজ্জন লোকৰ স্বীকাৰ্য্যৰ বিষয়। ইয়াৰ পৰিচয় দাঙি আহিছে মহাবিদ্যালয়খনত সুনাম কৰি অহা NCC আৰু NSS ৰ ইউনিট।

এনে এখন ঐতিহ্যমণ্ডিত মহান শিক্ষানুষ্ঠানৰ এটা গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত কৰি মহাবিদ্যালয়ৰ উন্নতিৰ কথা চিন্তা কৰিবলৈ যিসকল ৰঙিয়ানে সুবিধাকণ দিলে তাৰ বাবে ৰঙিয়ান সকললৈ মোৰ হিয়াভৰা অভিনন্দনৰ লগতে ধন্যবাদৰ শৰাই আগবঢ়ালো। সাধাৰণ সম্পাদকৰ পদতো অতিশয় গুৰুত্বপূৰ্ণ আৰু দায়িত্বপূৰ্ণ পদ। আমাৰ কাৰ্য্যকাল ছোৱাত ইয়াৰ মৰ্য্যাদা ৰক্ষা কৰিবলৈ সততে চিন্তা তথা চেষ্টা কৰি অহা হৈছে। ইয়াৰ সত্যতা তথা গুণাগণ বিচাৰৰ দায়িত্ব ৰঙিয়ানৰ হাতত গতালো।

মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকৰ দায়িত্ব লৈয়েই ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিশ্ৰুতি দিছিলো। কাৰ্য্যকালছোৱাত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি, ছাত্ৰ-ছাত্ৰীসকলৰ সা-সুবিধাৰ যোগান; লগতে ভাবিছিলো যে বছৰ বছৰ ধৰি সম্পাদকৰ প্ৰতিবেদন স্থান পোৱা কিছুমান দৰকাৰী সমস্যাৰ সমাধান কৰিম, কিন্তু বাৰুকৈয়ে ইচ্ছা থকা সত্বেও অতি কম সময় হোৱা হেতুকে কিছুমান সমস্যা সমস্যা হৈয়ে থাকিল। ইয়াৰ আশু সমাধান কৰিব পৰা নহ'ল। ইয়াৰ বাবে আমি মহাবিদ্যালয় কৰ্তৃপক্ষৰ লগতে উচ্চ পৰ্য্যায়লৈকে মহাবিদ্যালয়ৰ বিভিন্ন সমস্যাৰ সমাধান বিচাৰি বিভিন্ন স্মাৰক পত্ৰ প্ৰদানৰ লগতে আলোচনাও কৰা হৈছিল। ছাত্ৰ-ছাত্ৰীসকলক জ্ঞাত কৰাব বিচাৰো যে আমাৰ কাৰ্য্যকালত কৃৰ্তপক্ষৰ ওচৰত তথা মুখ্যমন্ত্ৰী শ্ৰীযুত প্ৰফুল্ল কুমাৰ মহন্তৰ ওচৰতো মহাবিদ্যালয়ত এটা প্ৰেক্ষাগৃহ, লগতে মহাবিদ্যালয় ছাত্ৰ সন্থাৰ স্থায়ী

কাৰ্য্যালয় এটা নিৰ্মাণৰ বাবে স্মাৰক পত্ৰৰ লগতে আলোচনাও কৰিছিলো। মহাবিদ্যালয়ত আজি পূৰ্বৰে পৰা থকা পানী যোগনাৰ সমস্যাটোৰ বাবে আমি কৰ্তৃপক্ষৰ জৰিয়তে কেন্দ্ৰীয় সাংসদৰ ওচৰত স্মাৰক পত্ৰ প্ৰদান কৰা হৈছে। ছাত্ৰ-ছাত্ৰীৰ সন্মান বিষয়ৰ শ্ৰেণীসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ কৰ্তৃপক্ষক হেঁচা প্ৰয়োগ কৰা হৈছে। শ্ৰেণী সমূহত সুষ্ঠ পৰিৱেশ, যেনে— ফেন, লাইট আদিৰ ব্যৱস্থা কৰি দিবলৈ আমি কৰ্তৃপক্ষৰ লগত প্ৰত্যক্ষভাৱেই আলোচনা কৰিছিলো। অৱশ্যে এইবোৰৰ আংশিক সমাধান হোৱা আমি দেখিছো। গতিকে ইয়াৰ ধনাত্মক সমাধানৰ বাবে প্ৰতিবেদনৰ জৰিয়তে পৰবৰ্ত্তী ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকলক জ্ঞাত কৰি থলো। ছাত্ৰ-ছাত্ৰীসকলে সততে পাই অহা শৌচাগাৰা অসুবিধাটো অতি সোনকালে পৰিষ্কাৰ-পৰিচ্ছন্ন এটা শৌচাগাৰ নিৰ্মাণৰ বাবে মোৰ কাৰ্য্যকালত হোৱা প্ৰতিখন কাৰ্য্যনিৰ্বাহক সভাতেই আলোচনা কৰিও আশু সমাধান কৰিব পৰা নগ'ল।

**ব্যক্তিগত দুআষাৰ ঃ** সাধাৰণ সম্পাদকৰ দায়িত্ব লৈ ৰঙিয়ানক দিয়া প্ৰতিশ্ৰুতি কাৰ্য্যকৰী কৰাত সামান্যভাৱেও ত্ৰুটি কৰা নাই। ইয়াৰ একমাত্ৰ সাক্ষ্য বহন কৰিছে মোৰ কাৰ্য্যকালৰ ভিতৰত হোৱা কাম আৰু চৰকাৰীভাৱে পোৱা সাহায্য। মহাবিদ্যালয়ৰ বিভিন্ন সমস্যাৰ ভিতৰত প্ৰতি বছৰে উত্থাপিত হোৱা চাইকেল ষ্টেণ্ডৰ সমস্যাতো মোৰ কাৰ্য্যকালৰ ভিতৰত সমাধা কৰা হয়। অসমৰ উচ্চ শিক্ষামন্ত্ৰী মাননীয় শ্ৰীযুত থানেশ্বৰ বড়োদেৱে আগবঢ়োৱা অনুদানেৰে কৰ্তৃপক্ষৰ জৰিয়তে এই সমস্যাটো কাৰ্য্যকালৰ ভিতৰতেই সমাধান কৰিবলৈ সক্ষম হওঁ। ক'বলৈ নিজকে ভাল লাগে মহাবিদ্যালয় সপ্তাহৰ থিক পিছে পিছে প্ৰায় ৩৫ হাজাৰ টকা ব্যয় কৰি মহাবিদ্যালয়ৰ শ্বহীদ বেদীৰ চাৰিওফালে পকী দেৱালৰ ব্যৱস্থা কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলৰ বাহিৰত জিৰণী ল'বৰ বাবে পুখুৰীৰ পাৰে পাৰে ৯ খন পকীৰ চকীৰ ব্যৱস্থাও আমাৰ কাৰ্য্যকালৰ ভিতৰতেই কৰা হয়।

ইয়াৰোপৰি আটাইতকৈ গুৰত্বপূৰ্ণ সমস্যা হৈ আছিল মহাবিদ্যালয়ত এটা আহল-বহল ৰিডিং ৰুমৰ। আমাৰ কাৰ্য্যকালৰ ভিতৰতেই প্ৰায় ১৩ লাখ টকা খৰচ কৰি মহাবিদ্যালয়ত পুথিভঁৰাল আৰু ৰিডিং ৰুমটোৰ কাম আৰম্ভ কৰি শেষ কৰা হয় আৰু ইয়াৰ উদ্বোধন কৰে অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত প্ৰফুল্ল কুমাৰ মহন্তদেৱে। Sericulture (চেৰিকালচাৰ) ৰ বাবদ আমাৰ মহাবিদ্যালয়ে ১৩ লাখ টকা চৰকাৰী অনুদান পাওঁ আৰু ইয়াৰ গৃহ নিৰ্মাণৰ কামো আমাৰ কাৰ্য্যকালৰ ভিতৰতেই আৰম্ভ কৰা হয়। ইয়াৰোপৰি আমাৰ দিনত বহুকেইখন আলোচনা চক্ৰ, NSS-ৰ প্ৰদৰ্শনী আদিৰো মহাবিদ্যালয় খনত অনুষ্ঠিত কৰা হয়। আমাৰ কাৰ্য্যকালৰ দিনতেই মহাবিদ্যালয়লৈ কঢ়িয়াই আনিবলৈ সক্ষম হওঁ আন্তঃ মহাবিদ্যালয় ফুটবল টুনামেণ্টৰ ট্ৰফি।

**উৎসৱ-পাৰ্বণ উদ্‌যাপন ঃ** মহাবিদ্যালয়ৰ পৰম্পৰা ৰক্ষা কৰি প্ৰতি বছৰে পালি অহা সৰস্বতী পূজা, ফাতেহা উৎসৱৰ লগতে বড়ো ভাইসকলৰ বাথৌ পূজা অতি আড়ম্বৰপূৰ্ণতাৰে পালন কৰা হয়।

**মহাবিদ্যালয় সপ্তাহ আৰু নৱাগত আদৰণি সভা ঃ** অইন বছৰ যিদৰে মহাবিদ্যালয়ত মহাবিদ্যালয় সপ্তাহ পালন কৰা হয় ঠিক একেদৰে আমাৰ দিনতো সপ্তাহ যোৰাকৈ মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। গতানুগতিকতা ৰক্ষা কৰি প্ৰথম দিনাখন ৰাতিপুৱা মহাবিদ্যালয়ৰ পতাকা উত্তোলন কাৰ্য্যসূচীৰে আৰম্ভ কৰি, শ্বহীদ বেদীত মাল্যাপৰ্ণ, প্ৰাচীৰ পত্ৰিকা উন্মোচন, বৃক্ষৰোপণ, খেল-পতাকা উত্তোলন আদি কাৰ্য্যসূচীৰে সপ্তাহ পালন কৰি শেষ দিনাখন মুকলি সভাৰ অনুষ্ঠানেৰে মহাবিদ্যালয়ৰ সপ্তাহ শেষ কৰা হয়। মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে বিদায়ী অধ্যক্ষ মাননীয় শ্ৰীযুত গোলোক চন্দ্ৰ ভূঞাদেৱে। মুকলি সভাত অংশ গ্ৰহণ কৰে অসমৰ শিক্ষামন্ত্ৰী থানেশ্বৰ বড়ো, মাননীয় মহকুমাধিপতি, উচ্চশিক্ষা সঞ্চালক আৰু লগতে অসমৰ বোলছবি অভিনেতা মাননীয় শ্ৰীযুত জয়ন্ত ভাগৱতীদেৱে। কাৰ্য্যকালৰ শেষত আমি পৰম্পৰাগত ভাৱে নৱাগত সকলক আদৰিবলৈ নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰা হয়। এই নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰা হয় ছেপ্তেম্বৰ মাহৰ প্ৰথম





সপ্তাহত। এই সভাত প্ৰতি সন্মিলনলৈকে সাংস্কৃতিক অনুষ্ঠান তথা মুকলি সভা অনুষ্ঠিত কৰা হয়। ৰাতিপুৱা পতাকা উত্তোলন, শ্বহীদ বেদীত মাল্যাৰ্পণ, বৃক্ষৰোপণ আদি কাৰ্য্যসূচী ৰখা হয়। মুকলি সভাত সভাপতিত্ব কৰে স্থায়ী অধ্যক্ষ শ্ৰীযুত ভৱেন্দ্ৰ নাথ ডেকাদেৱে আৰু মুখ্য অথিতি হিচাপে অংশ গ্ৰহণ কৰে উচ্চশিক্ষা মন্ত্ৰী শ্ৰীযুত থানেশ্বৰ বড়োদেৱে। উচ্চশিক্ষা সঞ্চালকদেৱ আৰু লগতে সু-অভিনেত্ৰী চেতনা দাসেও অংশ গ্ৰহণ কৰে।

**কৃতজ্ঞতা স্বীকাৰ আৰু ধন্যবাদৰ শৰাই ঃ** শেষত যিসকল ৰঙিয়ানে মোক এনে এক মহান পদবীলৈ নিৰ্বাচিত কৰি যোগ্যতাৰ আসনত বহুৱালে সেইসকলৰ ওচৰত মই ধন্যবাদৰ শৰাই আগবঢ়ালো। মোৰ কাৰ্য্যকালত বিভিন্ন বিভাগৰ সম্পাদক সকলে বিভিন্ন ধৰণে সহায়-সহযোগ কৰি কাৰ্য্যকালতো চলাই নিয়াত সহায় কৰা বাবে তেওঁবিলাকলৈ মই ধন্যবাদৰ শৰাই আগবঢ়ালো। মহাবিদ্যালয়খনৰ বিভিন্নজন কৰ্মচাৰীয়ে মোলৈ সু-পৰামৰ্শ আগবঢ়োৱাৰ বাবে ধন্যবাদৰ লগতে কৃতজ্ঞতা জনালো।

শেষত মই উল্লেখ নকৰি নোৱাৰিলো যে মোৰ কাৰ্য্যকালত বিভিন্ন ধৰণে সু-পৰামৰ্শৰ লগতে কাৰ্য্যকালতো চলাই নিয়াত বিশেষভাৱে সহায় কৰা বিদায়ী অধ্যক্ষ শ্ৰীযুত গোলোক চন্দ্ৰ ভূঞাদেৱলৈ মোৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো। বৰ্তমানৰ অধ্যক্ষ মাননীয় শ্ৰীযুত ভৱেন্দ্ৰ নাথ ডেকাদেৱৰ বিভিন্ন ধৰণৰ সহায়-সহযোগ আৰু সু-পৰামৰ্শৰ বাবে তেখেতৰ ওচৰতো মই কৃতজ্ঞতা স্বীকাৰ কৰিলো। ইয়াৰোপৰি মোক বিভিন্ন দিশত সহায় কৰা অধ্যাপক ড° আব্দুৰ ৰেজ্জাক, শ্ৰীযুত দীনেশ লহকৰ, শ্ৰীযুত পাৰিতোষ দাস, শ্ৰীযুত বিমল দাস, শ্ৰীযুত দেৱৰাজ শৰ্মা, শ্ৰীহেমেন শৰ্মা, শ্ৰীযুত ফুকন বসুমতাৰী, শ্ৰীযুত দিলীপ ডেকা, শ্ৰীযুতা ৰাণু চৌধুৰী বাইদেউ, ড° সঞ্জয় তালুকদাৰ আৰু শেষত বিশেষভাৱে উপদেশ দিয়া শ্ৰীযুত উমেশ চন্দ্ৰ গোস্বামী, বিদায়ী অধ্যাপক জ্যোতিষ চন্দ্ৰ চৌধুৰী আৰু শ্ৰীযুত জনৈক বৈশ্য চাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে মহাবিদ্যালয়ৰ কৰ্মচাৰী শ্ৰীযুত দীপক ডেকা, মঃ মহছিন আলি আৰু অৱনি কলিতালৈ মোৰ তৰফৰ পৰা কৃতজ্ঞতা জনালো। শেষত বন্ধুবৰ মোহন মাধৱ বৰ্মন, পৰেশ নাথ, মুকুট কলিতা, দুদুল ডেকা, অৰূপ দাস, হাবিবা, ৰিজু, মিলি, ৰৌচানাচা, মুনীন্দ্ৰ দাস, সুশীল চৌধুৰী আৰু বিভিন্ন ধৰণে উপদেশ দিয়া সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা শ্ৰীসত্যব্ৰত কলিতা, কামৰূপ জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক শ্ৰীকমলেশ ডেকালৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। শেষত অজানিতে হোৱা ভুল-ত্ৰুটিৰ মাৰ্জনা বিচাৰি সমূহ ৰঙিয়ানলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জনাই প্ৰতিবেদনৰ সামৰণি মাৰিছো।

**"জয়তু ৰঙিয়া মহাবিদ্যালয়"**

শ্ৰদ্ধাৰে—

**শ্ৰীঅভিজিৎ দাস**
*সাধাৰণ সম্পাদক*

# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে অৰ্থপূৰ্ণ মৃত্যুৰে জীৱনটি সামৰা প্ৰতিজন অমৰ শ্বহীদক শ্ৰদ্ধাৰে সুঁৱৰিছো। সম্পাদক হৈ বছেৰেকীয়া কাৰ্য্যকালৰ বিৱৰণি দাখিল কৰাৰ পৰম্পৰা উলাই কৰিব নোৱাৰি দুকলম লিখিবলৈ ল'লো।

ক্ষমতাৰ সীমিত গণ্ডিৰ মাজত থাকি মহাবিদ্যালয়ৰ প্ৰতিটো কামত নিজৰ কৰ্ত্তব্যক একাগ্ৰতাৰে সাধাৰণ সম্পাদক ডাঙৰীয়াক সহায় কৰি দি মই মোৰ দায়িত্ব পালন কৰাৰ চেষ্টাৰ ত্ৰুটি কৰা নাছিলো। ১৯৯৬-৯৭ বৰ্ষৰ মহাবিদ্যালয়ৰ সপ্তাহ চলি থকা সময়তে সমাজসেৱা বিভাগৰ সম্পাদক ৺মুনু বুজৰবৰুৱাৰ এটি মটৰ দুৰ্ঘটনাত অকাল বিয়োগ ঘটাত মহাবিদ্যালয় সপ্তাহৰ ব্যাঘাত জন্মে। যাৰ বাবে মহাবিদ্যালয় সপ্তাহত সমাজসেৱা বিভাগৰ পৰৱৰ্ত্তী কাৰ্য্যসূচী চলাই নিয়াৰ দায়িত্ব মোৰ ওপৰত অৰ্পণ কৰা হয়। হঠাৎ সমাজসেৱাৰ নিচিনা গুৰু দায়িত্ব আহি পৰাত পূৰ্ব পৰিকল্পনা তথা আৰ্থিক অভাৱত উক্ত দায়িত্ব পালন কৰাত কিছু দোমোজাত পৰিছিলো। তথাপি ধৈৰ্য্য সহকাৰে সমাজসেৱা বিভাগৰ তত্ত্বাৱধায়ক শ্ৰদ্ধাৰ শ্ৰীযুত দীনেশ লহকৰ চাৰৰ পৰামৰ্শত কাৰ্য্য সম্পন্ন কৰিবলৈ সক্ষম হৈছিলো।

বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ বঁটা বিতৰণী সভাৰ দিনাখন মহাবিদ্যালয় NSS গোটৰ দ্বাৰা বৰ্তমান পৃথিৱীত দেখা দিয়া ভয়াবহ ৰোগৰ লক্ষণ এইড্‌ছ শীৰ্ষক এটি প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছিল। উক্ত প্ৰদৰ্শনীত সহকাৰী সাধাৰণ সম্পাদক হিচাপে NSS প্ৰগ্ৰেম অফিচাৰ শ্ৰীযুত দীনেশ লহকৰ চাৰদেৱলৈ পাৰ্য্যমানে সহযোগিতা আগবঢ়াইছিলো।

কামৰ মাজেৰে ঐক্যৰ সৃষ্টি কৰা আজি পৃথিৱীত বিভিন্ন ভাষা গোষ্ঠীৰ মাজত ঐক্যৰ অভাৱ পৰিলক্ষিত হৈছে। যাৰ ফলত গোষ্ঠী সংঘৰ্ষ, অৰিয়া-অৰি আদি সৃষ্টি হৈছে। জাতীয় সেৱা আঁচনিৰ যোগেদি আজিৰ সমাজত দেখা দিয়া বিভিন্ন সমস্যাবোৰ আঁতৰোৱাৰ যথেষ্ট ভূমিকা আছে।

অভাৱ মানুহৰ অন্তহীন সমস্যা। এটি অভাৱ পূৰণ হোৱাৰ পিছত আন এটি অভাৱে উক দি উঠে। ৰঙিয়া মহাবিদ্যালয় ইয়াৰ বিপৰীত নহয়। এই প্ৰতিবেদনৰ জৰিয়তে মই বিজ্ঞান শাখাত থকা কিছু অভাৱ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত দৃষ্টিগোচৰ কৰিবলৈ বিচাৰিছোঁ।

১। মহাবিদ্যালয়ৰ চৌহদত উন্নত মানৰ উদ্ভিদ বাগিছা স্থাপন কৰি বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীক অধ্যয়নত সুবিধা প্ৰদানৰ লগতে বিদ্যালয়ৰ সৌন্দৰ্য্য বৃদ্ধি কৰিব লাগে।

২। নামভৰ্ত্তিৰ মাচুল কমাব লাগে।

৩। বিজ্ঞান শাখাৰ প্ৰতিটো বিষয়ত মেজৰ বিষয় লোৱা হৈছে যদিও বিজ্ঞানাগাৰত উন্নত মানৰ আহিলাৰ অভাৱত অন্য মহাবিদ্যালয়ত ব্যৱহাৰিক পৰীক্ষা দিবলৈ যাব লগা হয়। তদুপৰি Non-collegiate মাচুল দিব লগা হয়। উক্ত অভাৱ দূৰ কৰিব লাগে।

৪। বিজ্ঞান শাখাৰ যি বাধ্যতামূলক শিক্ষামূলক ভ্ৰমণ আছে তাত মহাবিদ্যালয়ৰ তৰফৰ পৰা বুজন পৰিমাণৰ ধনৰ অনুদান যোগান ধৰিব লাগে।

কৃতজ্ঞতা ঃ ৰঙিয়া মহাবিদ্যালয়ৰ ১৯৯৬-৯৭ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদক পদত যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে নিৰ্বাচিত কৰি ৰঙিয়া মহাবিদ্যালয়ৰ সেৱা আগবঢ়াবলৈ সুযোগ দিলে তেখেত সকললৈ এই প্ৰতিবেদনৰ জৰিয়তে আন্তৰিক কৃতজ্ঞতা তথা বৈপ্লৱীক অভিনন্দন জনালো। মোৰ কাৰ্য্যকালৰ সময়ছোৱাত বিভিন্ন পৰিস্থিতিত সহায়-সহযোগ আৰু পৰামৰ্শ আগবঢ়োৱা প্ৰমোদ বড়ো, ৰমেশ বড়ো, অমলেশ, জোনালী বৰুৱা, অৰুণ, দীপা, পবিত্ৰ, পৰেশ নাথ আৰু বহুতো বন্ধু-বান্ধৱী লৈ তথা মাননীয় শিক্ষাগুৰু সকললৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত অজ্ঞাতসাৰে কৰা ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা মাগি ৰঙিয়া মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি প্ৰতিবেদনৰ অন্ত পেলালো।

**"জয়তু ৰঙিয়া মহাবিদ্যালয়।"**

শ্ৰদ্ধাৰে—
শ্ৰীঅনিল বড়ো
*সহকাৰী সাধাৰণ সম্পাদক*

# তৰ্ক আৰু সাহিত্য সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে স্বাধীনতাৰ সোণালী জয়ন্তী অতিক্ৰম কৰা চিৰ চেনেহী ভাৰত মাতৃলৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছো। আমাৰ চিৰ চেনেহী আই অসমীৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত জীৱন আহুতি দিয়া বীৰ শ্বহীদ সকলক শ্ৰদ্ধাৰে সুঁৱৰিছো লগতে তেওঁলোকৰ আত্মাৰ সদ্‌গতিৰ কাৰণে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো।

ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীলৈ ভক্তিপূৰ্ণ শ্ৰদ্ধা যাচিলো আৰু মোৰ সুহৃদ ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মৰম-শ্ৰদ্ধা যাচিলোঁ।

ৰঙিয়া মহাবিদ্যালয়ৰ সতীৰ্থ সমাজে মোক তৰ্ক আৰু সাহিত্য বিভাগৰ দৰে এটা গুৰু দায়িত্বত নিৰ্বাচিত কৰা কাৰণে তেওঁলোকলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

তৰ্ক আৰু সাহিত্য বিভাগৰ দায়িত্ব গ্ৰহণ কৰাৰ দুসপ্তাহৰ পিছতেই মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হয়। এই মহাবিদ্যালয়ৰ সপ্তাহত এই বিভাগৰ অধীনৰ সকলো প্ৰতিযোগিতাই পাতিবলৈ খোজা হৈছিল। কিন্তু অতি দুখৰ বিষয় যে মহাবিদ্যালয়ৰ সপ্তাহৰ দ্বিতীয় দিনাই আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সমাজসেৱা বিভাগৰ সম্পাদক ৺মুনু বুজৰবৰুৱাৰ পৰলোকপ্ৰাপ্তি ঘটে। সেয়েহে, তৃতীয় দিনাৰ মহাবিদ্যালয়ৰ সপ্তাহ বন্ধ ৰখাত 'কুইজ' আৰু 'ৰচনা' প্ৰতিযোগিতা দুখনি অনুষ্ঠিত কৰিব পৰা নগ'ল। মহাবিদ্যালয়ৰ সপ্তাহৰ ভিতৰত ক্ৰমে অসমীয়া কবিতা আবৃত্তি, ইংৰাজী কবিতা আবৃত্তি, বড়ো কবিতা আবৃত্তি, তৰ্ক প্ৰতিযোগিতা, আকস্মিক বক্তৃতা, অসমীয়া বাতৰি পাঠ, আৰু ইংৰাজী বাতৰি পাঠ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহত স্থগিত ৰখা 'কুইজ প্ৰতিযোগিতা' খনি যোৱা আগষ্ট মাহত অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাখনি ৺মুনু বুজৰবৰুৱা সোঁৱৰণী বুলি নামাকৰণ কৰা হয় আৰু উল্লেখযোগ্য যে এই প্ৰতিযোগিতাৰ মূল বিষয় আছিল "ভাৰতৰ স্বাধীনতাৰ পঞ্চাশ বছৰ"। এই প্ৰতিযোগিতাখনতো যথেষ্ট কেইটা দলে অংশ গ্ৰহণ কৰিছিল।

ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাই প্ৰতি বছৰ অনুষ্ঠিক কৰি অহা ৺সিদ্ধিনাথ শৰ্মা সোঁৱৰণী সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাখন এইবেলি আৰ্থিক অনাটনৰ বাবে অনুষ্ঠিত কৰিব পৰা নগ'ল। এই চৰম বিফলতাৰ বাবে মই সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত দায়ী। মোৰ কাৰ্য্যকালতে গুৱাহাটী তেল শোধনাগাৰৰ আমন্ত্ৰণ ক্ৰমে 'সদৌ অসম আন্তঃ উচ্চতৰ অনুষ্ঠান কুইজ প্ৰতিযোগিতা'লৈ আমাৰ মহাবিদ্যালয় এটা দুজনীয়া দল পঠিওৱা হৈছিল। এই এবছৰীয়া কাৰ্য্যকালৰ ভিতৰতে বহুত ডাঙৰ ডাঙৰ প্ৰতিযোগিতাৰ নিমন্ত্ৰণ আমি পাইছিলো যদিও অৰ্থনৈতিক তথা নানা অভাৱ-অভিযোগৰ বাবে আমি অংশ গ্ৰহণ কৰিব পৰা নাছিলো। সেয়েহে মই মহাবিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত অনুৰোধ জনাও যাতে পৰৱৰ্ত্তী সময়ত ছাত্ৰ একতা সভাৰ পুঁজিৰ ধন বঢ়াই দিয়ে।

মোৰ কাৰ্য্যকাল সুচাৰুৰূপে পালন কৰাত মোক সহায় কৰা বাবে প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত গোলোক চন্দ্ৰ ভূঞা, বৰ্তমানৰ অধ্যক্ষ শ্ৰীযুত ভবেন্দ্ৰ নাথ ডেকা, মোৰ তত্বাৱধায়ক শ্ৰীযুত দক্ষেশ্বৰ ডেকা আৰু শিক্ষাগুৰু সৰ্বশ্ৰী হেমেন শৰ্মা, হিতেশ বৰ্মন, দীনেশ লহকৰ, ৰাণু চৌধুৰী, উমেশ গোস্বামী দেৱলৈ মোৰ সশ্ৰদ্ধা কৃতজ্ঞতা জ্ঞাপন কৰিলো। আনহাতে মোৰ আটাইবোৰ কামতে সহায়ৰ হাত আগবঢ়োৱা সৰ্বশ্ৰী অজিত, অনুজ, বুবু, সত্যেন্দ্ৰ, জয়দেৱ, সুৰেণ, নয়ন, গুণীন, সতীশ, ছাজিদা, মিনু, অৰ্চনা, নাচিমা, জুমি, ৰীতা, গোল-মাবুদ, দুদুল দা আৰু সুকুমাৰলৈ মোৰ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

তাৰোপৰি ভুল ক্ৰমে কোনো সদাশয় বন্ধুৰ নামটো এই মুহূৰ্ত্তত মনত নপৰাত তাৰ বাবে মই দুখী আৰু তেওঁলোকলৈও মই কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ কাৰ্য্যকালত হৈ যোৱা ভুল-ভ্ৰান্তিৰ ক্ষমা বিচাৰিলো। ৰঙিয়া মহাবিদ্যালয়ৰ ভৱিষ্যতোজ্বল হোৱাৰ কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

ধন্যবাদেৰে—

**"জয়তু ৰঙিয়া মহাবিদ্যালয়।"**

শ্ৰদ্ধাৰে—

**শ্ৰীকন্দৰ্প কুমাৰ শালৈ**

সম্পাদক, তৰ্ক আৰু সাহিত্য বিভাগ

# সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন

মই মোৰ বাৰ্ষিক প্ৰতিবেদনৰ আৰম্ভণিতে অসমৰ প্ৰতিটো দুৰ্য্যোগপূৰ্ণ মুহূৰ্ত্তত দেশ আৰু স্ব-জাতিৰ হকে অসমৰ উত্তৰ পুৰুষৰ কাৰণে নিজৰ জীৱনক আত্মহুতি দিয়া জ্ঞাত-অজ্ঞাত বীৰ পুৰুষ সকললৈ সশ্ৰদ্ধ প্ৰণাম নিবেদিছোঁ।

যোৱা ১৯৯৬-৯৭ ইং শৈক্ষিক বছৰৰ ৰঙিয়া মহাবিদ্যালয়ৰ সাংস্কৃতিক সম্পাদিকাৰ গুৰুত্বপূৰ্ণ পদটিত জয়ী কৰি মোক সেৱা কৰাৰ সুযোগ দিয়াৰ বাবে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু শুভাকাংক্ষী সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সাংস্কৃতিক সম্পাদিকা ৰূপে উক্ত পদৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ ঠিক পিছতে অৰ্থাৎ ৬ জানুৱাৰীৰ পৰা মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহৰ অন্তৰ্ভুক্ত বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতা যেনে—সঙ্গীত, একক অভিনয়, কৌতুক অভিনয়, একাংকিকা নাট, ভেশচন আদি অনুষ্ঠিত কৰা হয় আৰু এই প্ৰতিযোগিতাসমূহৰ মাজেৰে বহুতো কৃতি ছাত্ৰ-ছাত্ৰী পাওঁ।

কিন্তু, এই চেগতে মই দুখেৰে জনাও যে আমাৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশটো অতি দুৰ্বল আৰু অভাৱগ্ৰস্থ। সংগীতৰ বিকাশৰ ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ত কোনো সুবিধা নাই। কেৱল মাত্ৰ এখন পুৰণি হাৰমনিয়াম আৰু এযোৰ তবলা। তাকো প্ৰতি বছৰে প্ৰত্যেকজন সম্পাদক-সম্পাদিকাই ভাল কৰিবলগীয়া অৱস্থাৰ সন্মুখীন হয়। গতিকে এইখিনিতে মই মান্যবৰ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক ভৱিষ্যতে এই পৰিৱেশৰ পুনাৰবৃত্তি নোহোৱাৰ বাবে অনুৰোধ জনালো।

তথাপিও এই অভাৱসমূহৰ মাজেৰেও মহাবিদ্যালয়ত এই বছৰৰ সুস্থ সংগীতানুষ্ঠানেৰে নৱাগত আদৰণি সভাখন পতা হয় আৰু এই সভাৰ নতুন ছাত্ৰ-ছাত্ৰী সকলক আদৰণি জনোৱা হয়।

সদৌ শেষত মোক সকলো ক্ষেত্ৰতে সহায়-সহযোগিতা, পৰামৰ্শ আগবঢ়োৱাৰ বাবে সমূহ শিক্ষাগুৰু, তত্বাৱধায়ক মহোদয় আৰু সমূহ বন্ধু-বান্ধৱীৰ ওচৰত চিৰ কৃতজ্ঞতা স্বীকাৰ কৰি মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

**"জয়তু ৰঙিয়া মহাবিদ্যালয়।"**

শ্ৰদ্ধাৰে—

**শ্ৰীৰিজু বৰা**
সাংস্কৃতিক সম্পাদিকা





# সমাজসেৱা সম্পাদকৰ প্ৰতিবেদন (ভাৰঃ)

প্ৰতিবেদন আৰম্ভণিতে ভাৰত মাতৃৰ হকে প্ৰাণ আহুতি দিয়া জ্ঞাত-অজ্ঞাত সমূহ বীৰ শ্বহীদলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ আৰু লগতে সমাজসেৱা বিভাগৰ সম্পাদক ৺মুনু বুজৰবৰুৱাক সুঁৱৰিছো।

